লাইব্ৰেৰী।
তাৰিখ... নং

# চপলা।

( উপন্যাস। )

শ্ৰীদণ্ডীধৰ সোণোৱাল দ্বাৰা
ৰচিত আৰু প্ৰকাশিত।

বেচ ॥/০ ন অনা মাথোন।

# চপলা ।

( সামাজিক উপন্যাস । )

শ্ৰীদণ্ডীধৰ সোনোৱাল ।

# উৎসৰ্গ

প্ৰিয়ে !

তুমি মোৰ গল্প শুনিবলৈ পালে বৰ আনন্দিত হোৱা। সেই কাৰণে এই উপন্যাস খনি মৰমেৰে অৰ্পণ কৰিলো। কিন্তু এই খনি উপন্যাস অন্যই পঢ়িব কি নপঢ়ে সন্দেহ, সেই কাৰণে ইমান দিন বাকছত সুমাই থৈছিলো, কিন্তু কিছুমান বন্ধুৰ অনুৰোধত ও উৎসাহবাণী পাই প্ৰেছত দিয়া হল। যদি তোমাৰ নিচিনা সৰল-প্ৰাণা অসমীয়া তিকতাই ইয়াৰ পৰা সামান্য শিক্ষা পায়; তেন্তে মোৰ পৰিশ্ৰম সাৰ্থক হব। আশা কৰো তুমি স্বামী-প্ৰদত্ত সম্পত্তি বুলি সাদৰে গ্ৰহণ কৰিবা। ইতি

ডাঙ্গৰী গাওঁ।

তোমাৰ মৰমৰ,

"দণ্ডী"

# পাতনি।

দেখি, শুনি, ভোগি এই সরু উপন্যাস খনি লেখি ৰাইজৰ আগত দাঙ্গি ধৰা হল। এইয়ে মোৰ গ্রন্থ লেখা প্রথম উদ্যম, যদি ৰাইজে ও পাঠক-পাঠিকা সকলে সাদৰে গ্রহণ কৰি উৎসাহ দিয়ে, তেহে মোৰ জীৱন ও পৰিশ্রম সার্থক হব। আশা কৰো আমাৰ সহৃদয় পাঠক পাঠিকা সকলে সৰল চিত্তে গ্রহণ কৰিব। যদি এই সামান্য উপন্যাস খনিৰ পৰা পাঠক পাঠিকাৰ কিছু মাত্র উপকাৰ হয় তেন্তে মই আশাতীত আনন্দিত হম। আৰু এই পুথি খনি হাতে লিখা অৱস্থাতেই মোৰ শিক্ষা-গুৰু সদিয়া মাইনৰ স্কুলৰ হেড্ পণ্ডিত শ্রীযুক্ত মেডেলা ৰাম ডাঙ্গৰীয়াই খৰখেদাকৈ পঢ়ি চাই ভুল কিছুমান শুধৰাই দিছে। সেই কাৰণে লেখকে তেওঁলৈ আন্তৰিক ভক্তিৰে শৰাই আগ বঢ়াইছে। ইতি

ডাঙ্গৰী গাওঁ।
পোঃ তালাপ।
১মা মে, ১৯২২।

বিনীত—
শ্রীদণ্ডীধৰ সোনোৱাল।

অসমীয়া সাহিত্য সভা।
লাইব্রেরী।
তাৰিখ..২৭/১২/২৭ নং ১৫৮

## প্ৰথম পৰিচ্ছেদ।

# ৰোগী।

"প্ৰিয়ে"

"নাথ"

"বুজিব পাৰিছানে নাই পৰা, কিন্তু মই বেছ বুজিছো, এই সংসাৰত আৰু মই তোমাৰ মৌ-সনা সুমধুৰ স্বৰ ও সেই নয়নানন্দ পুত্ৰদ্বয়ৰ সুন্দৰ কান্তি আৰু দেখা নেপাম। সেই কাৰণে প্ৰিয়ে, মোৰ মনত তুষানল জলিছে। বেজাৰ কৰি বা কি কৰিম; মোৰ মৃত্যু ধ্ৰুৱ। তুমি মোৰ নিমিত্তে ভাত, পানী ও নিদ্ৰা ত্যাগ কৰি কত শুশ্ৰূষা কৰিলা, কিন্তু ঈশ্বৰে একোতে নুশুনিলে। প্ৰিয়ে এতিয়া আৰু মোক যত্ন কৰিব নেলাগে, যাৰ মৃত্যু নিশ্চয় তাৰ নিমিত্তে চেষ্টা কৰা মিছা।" "নাথ! তেনে কথা কেলৈ কোৱা, স্ত্ৰী হৈ স্বামীক যি সেৱা শুশ্ৰূষা কৰে ময়ো তাকে কৰিছো, তথাপি মোৰ ফালে ঈশ্বৰে চকু মেলি নেচায়। চাব বা কিয়? মই অভাগিনী, মোৰ কাবৌ-কাকুতি বা শুনিব কিয়? মইনো পূৰ্ব্বজন্মত কি দোষ কৰিছিলো?" এই বুলি আৰু কব নোৱাৰিলে। শোক ও অশান্তি আহি তাইৰ মুখ চেপি ধৰিলে; অৱশেষত কান্দি পেলালে। তেতিয়া ৰুগীয়া মানুহ জনে প্ৰণয়িনীক তাৰ দুৰ্ব্বল হাত মেলি তাইৰ হাতত ধৰি কৰলৈ ধৰিলে "প্ৰিয়ে! তুমি কান্দি মোৰ দুহ জুইত ঘিউ ঢালি নিদিবা। যাৰ মৃত্যু নিশ্চয় তাৰ নিমিত্তে ইমান বেজাৰ কৰা অনা-

বশ্যক । যাতে ভবিষ্যতে কি কৰা কৰ্ত্তব্য তাক ভাবি চোৱা,—মই মৰিলে সেই সোণামুৱা দুটাক কিৰূপে পোহপাল কৰিবা তাক তুমি ভাবি চাইছানে ?” ।

হায়! এই দুখৰ সময়ত কি কেও মাত একেষাৰ দিয়া মানুহ নাই ! এই পীড়িত জনৰ দুখ ও তাৰ স্ত্ৰীৰ কান্দোন শুনি কি কাৰো মনত দয়া মমতা জন্মা নাই ! আছে, আছে, তেওঁৰ মাহীমাকৰ পুতেক ও বোৱাৰীয়েক আছে । তাৰ উপৰিও তেওঁৰ অনেক আত্মীয় আছে, কিন্তু এনে দুখত সহায় কৰা আত্মীয় কত ? আছে, কেতিয়া আছে ? যেতিয়া তুমি আনক দুমুঠি দি সহায় কৰিব পাৰিছিলা, আৰু তোমাৰ হাতত যেতিয়া ধন, সোণ, মান, ধান আছিল, সেই সময়ত তোমাৰ কিমান আত্মীয়, ভাই ককাই, দদাই, পেহা, অইন কি চিনি নোপোৱা মানুহ জনেও “এ বোপাই ! তুমি মোক চিনি পোৱা নাই নে ? মই তোমাৰ মাৰাৰ ফালৰ পৰা দেউতাৰ হও” বুলি দুমুঠি খুজি নিয়া আত্মীয় অনেক। কিন্তু যেতিয়া তোমাৰ ধন, মান, ধান, লোপ পাই আহিব, লগে লগে তোমাৰ আত্মীয়বিলাকো আতৰি যাব ; তেতিয়া ভাই-ককাই নাই, দদাই-পেহা নাই। তেনে পৰোপকাৰী আত্মীয় হোৱাতকৈ নোহোৱাই ভাল। যি শোকে দুখে সহায় নকৰে ও মাত এষাৰ নলগায়, তেনে বন্ধু নোহোৱাই ভাল। যি শোকে দুখে সহায় ও সহানুভূতি কৰে তেওঁহে প্ৰকৃততে আছল বন্ধু। তেনে বন্ধু এজন তেওঁৰ কত ? আছে, তেওঁৰ ভায়েক মাহীমাকৰ পুতেক মহীধৰ। আমালোকে কি নেজানো যে মহীধৰে ককাইয়েকৰ বোধ হয় কিবা কাজ-কামত লিপ্ত থকাতে অহা নাই, নহলে কিবা বেয়া ভাব থকাতে অহা নাই ? বোধ হয় দ্বিতীয়টোয়ে হব পায়। এনে সময়ত দুটা সক লৰা আহি “আইতা আইতা” বুলি বাহিৰৰ পৰা মাত লগালে। ভিতৰৰ পৰা

মাকে "আহা মইনাহত আহা" বুলি মাতিলে। বোধ হয় আন দিনাৰ নিচিনা হোৱাহেতেন দুইকো বাটৰ পৰা সাবট মাৰি কোলাত লৈ আহিলহেতেন। কিন্তু কি কৰিব; তাই নৰিয়া এৰি নাহি ভিতৰৰ পৰাই মাত লগালে। এই খিনিতে সিহতৰ অলপ পৰিচয় দিও। সেই লৰা দুটাই উল্লিখিত দুখীয়া দম্পতিৰ পুত্ৰ। ৰবটোৰ নাম "কিৰণ", সৰুটোৰ নাম "মইনা"। মইনা লৰি গৈ মাকৰ কোলাত বহি কলে 'আই ভাত ৰান্ধিলা? মোৰ ভোক লাগিছে'। কিৰণেও কলে "আই! মই স্কুললৈ যোৱাত দেৰি হব, পণ্ডিতে জৰিমনা কৰিব। মই ভাত নোখোৱাকৈ কেনেকৈ যাম? ভোক লাগিব।" আহা! সিহতৰ কি শুৱলা মাত, সিহতক দেখিলে কোনে মৰম নকৰাকৈ থাকিব পাৰিব। কেনে সুন্দৰ আকৃতি! কিন্তু মাকে একো নিদি এই মাত্ৰ কলে "যোৱা মোৰ সোণামুৱাহত! এতিয়া অলপ পৰ খেলাগৈ, এতিয়াই মই ভাত ৰান্ধিবলৈ যাম"। এই বুলি কৈয়ে চকুৰ পৰা গঙ্গা-যমুনা বৈ অহাৰ দৰে নয়ন সাগৰৰ পৰা দুখন নদী বৈ আহিল। "হায় তহত বালক! তহতে পিতাৰৰ কি হৈছে একো কব নোৱাৰ। যদি তহতে বুজিব পাৰিলিহেতেন, তেন্তে মোক কেতিয়াও এনেকৈ দিগ্‌দাৰ কৰি নেমাৰিলিহেতেন" এই বুলি কৈ মাকে "হুকু হুকু" কৰি কান্দিবলৈ ধৰিলে। এনেতে পীড়িতে চকু মেলি চাই দেখে যে, তেওঁৰ ভাৰ্য্যা ওচৰতে বহি কান্দি আছে। তেতিয়া পীড়িতই মাত লগালে।

"প্ৰিয়ে মোক বেজাৰ নিদিবা। কিয় কান্দিছা মোক কোৱাছোন"? তেতিয়া লৰা কেইটাই ভাত খোজা কথা কলে। তেতিয়া ইটো সিটোৰ পাছত আকৌ গিৰিয়েকে সুধিলে।

স্বামী—প্ৰাণেশ্বৰী মই মৰিলে তুমি কি কৰিবা—?

স্ত্ৰী--মই তাৰ উত্তৰ দিব নোৱাৰো, গছত মেৰাই থকা মাধৈ-লতা, তাক সুধি চাওক। যাই গছ জোপাই মাধৈ লতাৰ আশ্ৰয়। যদি যাই গছ জোপা উঘলি পৰে, তেতিয়া মাধৈ লতাৰ যি দশা হয় মোৰো সেয়ে হব।

স্বামী—মাধৈ লতা চিগি-ভাগি পৰিলেও তাৰ শিপাৰ পৰা আকৌ গজালি ওলাব।

স্ত্ৰী—তেনেকৈ আপোনাৰো গুৰি নলৰে। গজালি কিৰণ মইনা থাকিব।

স্বামী—সিহতক চাব কোনে?

স্ত্ৰী—ঈশ্বৰে।

হায় অৱলা নাৰী! তুমি এতিয়াও কি তাকেই ভাবিছা। তুমি এবাৰো তোমাৰ স্বামীক সাহ ভৰসা দি কব নোৱাৰানে?— আপুনি ইমান কাতৰ হৈছে কিয়, অৱশ্যে ঈশ্বৰে উদ্ধাৰ কৰিব। কেৱল কান্দি কান্দি তেওঁৰ মনত বেজাৰ দিছা, এই ঔষধৰ দ্বাৰাই ভাল হব বুলি জানিছানে? হায় আমাৰ অসমীয়া তিৰুতাৰ ভিতৰত কেইজনী তিৰুতাই তেনে সাহ বান্ধি উৎসাহ দিব পাৰে।

স্বামী—যাবলৈ দিয়া সেইবিলাক কথা। লৰা কেইটাৰ নিমিত্তে ভাত ৰন্ধাগৈ।

স্ত্ৰী—আপোনাৰ ওচৰত থাকিব কোনে?

স্বামী—যোৱা সিহতকৈ মোৰ জীৱনৰ মূল্য অধিক নহয়। অগত্যা ঘৈনীয়েকে তেওঁৰ ওচৰত বিদায় লৈ ৰান্ধনী ঘৰলৈ খোজ ললে।

---

# চিনাকি।

## দ্বিতীয় পৰিচ্ছেদ।

আলিৰ দাতিৰ পৰা আধা মাইল দূৰ গৈয়ে এটি সুন্দৰ খেৰৰ ঘৰ দেখা পোৱা যায়। সেই ঘৰটো যদিও সামান্য তথাপি পৰিস্কাৰ। যি ঘৰটো প্ৰথমে দেখা যায়, সেইটো বাটচৰা, তাৰ পাছতে বৰ ঘৰ ও মৰাল ঘৰ। তাৰ ওপৰিও ভৰাল আৰু গোহালি ঘৰ দুটি থিয় দি আছে। কিন্তু বৰঘৰ ও মৰাল ঘৰটোৱে গিৰিহতৰ পৰা যিমান আদৰ-সন্মান পাইছিল, বাকী তিনতাই সিমান দূৰ পোৱা নাছিল। তাৰ পাছতে এখন বাগিছা, শাক পাছলি আৰু আন আন লাগতিয়াল গছেৰে: পৰিপূৰ্ণ। সেই ঘৰটো ৺ললিত বামৰ। ৺ললিত বামৰ দুই পুত্ৰ ও এক কন্যা। প্ৰথম পুত্ৰৰ নাম গঙ্গাধৰ, দ্বিতীয় পুত্ৰৰ নাম মহীধৰ, ও কন্যাৰ নাম কামিনী। তেওঁৰ দুজনী ঘৈনীয়েক আছিল; প্ৰথম জনীৰ গৰ্ভত গঙ্গাধৰ, দ্বিতীয় জনীৰ গৰ্ভত মহীধৰ ও কামিনীৰ জন্ম। মহীধৰৰ দুবছৰ বয়সতে তেওঁৰ পিতাকে ইহ সংসাৰৰ পৰা চিৰ-বিদায় লয়। তেওঁ চৰ্কাৰী কাম কৰিয়ে হওক বা অন্য উপায়েই হওক অনেক টকা উপাৰ্জ্জন কৰিছিল। কিন্তু তেওঁ বৰ কিৰ্পিন আছিল। বোধ হয় সেই কাৰণে তেওঁ বৰটো পুতেকক দুই তিনি শ্ৰেনী পঢ়ায়ে বিদ্যাৰ মূৰত "ফুলষ্টপ" দি "ষ্টুডেণ্টশিপ্" পাছ কৰাই ঘৰলৈ আনে। তেওঁৰ মৃত্যুৰ দহ বচৰৰ পাছতে তেওঁৰ সহধৰ্ম্মিনী চিৰসঙ্গিনী বৰজনীয়ে তেওঁৰ লগ পাবলৈ একমাত্ৰ পুত্ৰ গঙ্গাধৰক থৈ বিদায় ললে। তেতিয়াৰ পৰা গঙ্গাধৰে মাহীমাকৰ হাততে প্ৰতিপালিত হৈ থাবলৈ ধৰিলে। তেতিয়া সকলো বইবস্তু ধন-সোণ মহীধৰৰ মাকৰ হাতত পৰিল। মহীধৰৰ বয়স যেতিয়া

ছবছৰ হল তেতিয়া মাকে এটি গাৱলীয়া স্কুলত নাম লগাই দিলে। অলপ দিনৰ ভিতৰতে মহীধৰে সেই স্কুল পাছ কৰি ইংৰাজী স্কুলত ভৰ্ত্তি হল। কিন্তু যেতিয়াৰ পৰা ইংৰাজী শিক্ষা কৰিলে, তেতিয়াৰ পৰা মহীধৰে বদমাইচ্ গোন্দাৰ দলত নাম লগাই তেওঁৰ নামটোক সাৰ্থক কৰিলে। যি হওক মহীধৰে ১৬ বছৰ পঢ়িয়েই বা অন্য কোন উপায়েই হওক ইংৰাজী স্কুল পাছ কৰি ছৰ্কাৰী কামত ভৰ্ত্তি হৈ তেওঁৰ বাপেকৰ নাম ৰাখিলে। কাম কৰাৰ ৪ চাৰি বছৰৰ পাছতে তেওঁৰ মাকে তেওঁক "চপলা" নামে এজনী ছোৱালী বিয়া কৰাই দিলে। বিয়াৰ ৫ মাহ মানৰ পাছতে মাক বৰ নৰিয়া পৰিল। ইয়াতে কই থও মহীধৰৰ বিয়াৰ ৪ বছৰ আগে গঙ্গাধৰৰ লগত "বসন্তী" নামে ৰূপহী ছোৱালী এজনীৰ বিয়া হৈছিল। মহীধৰৰ বিয়াৰ ছমাহৰ পাছত ভনীয়েক কামিনীক এটি সচ্চৰিত্ৰ লৰাৰ লগত বিয়া দিলে। তাৰ পাছত নো মহীধৰৰ মাকে কি নক-ৰিছিল, যিমান ধন-সোণ আছিল সকলো থিনি 'চপলাৰ' হাতত জমা দিছিল। বোধ হয় তেও মৰিম বুলি জানিহে সেই বিলাক জমা দিছিল। পাঠক পাঠিকা সকলে প্ৰশ্ন কৰিব পাৰে "বসন্তীৰ" হাতত কিয় নিদিলে? আহা! মাহীমাকৰ মন বুজিব পৰা নাইনে? নিজৰ পুত্ৰক অমৃত নিদি অন্যৰ পুত্ৰক দিবনে? তেনে স্বাৰ্থত্যাগিনী নাৰী সমাজত কত? মহীধৰৰ মাকৰ এদিন যেতিয়া বেমাৰ বৰ টান হৈছিল, তেতিয়া ডুইটা পুত্ৰক মতাই-আনি কলে "দেখ বোপাইহত, মই আৰু বেছি দিন জীয়াই নেথাকিম, কিন্তু মোৰ বৰ সৌভাগ্য যে তহতৰ দুইৰো পো-বোৱাৰী দেখি গলো। তোমালোকে জানিছাই পিতাৰাৰ কিমান ধন সম্পত্তি আছিল। সেই আটাই-বিলাক তোমালোকৰ বিয়াতে খৰছ হল, সকলো গহনা-গাথী বন্ধকত

বিক্রী হল। বাকী যি আছে, তাৰ ভিতৰত কিছুমান কাহী, বাতি, ঘটি ও দুই পুৰা মাটি আছে।” তেতিয়া গঙ্গাধৰে মাত লগালে “কিয় আমাৰ দেখোন পিতায়ে দহ পুৰা মাটি আছে বুলি কৈছিল।” তেতিয়া মাহীমাকে কলে “সেইবিলাক সকলো বন্ধকত গল, সেই কাৰণে বাকী দুই পুৰা মাটিৰ তুমি এপুৰা ও মহীধৰে এপুৰা লবা। আৰু যি বিলাক ঘটি, বাতি, থাকিল সেই বিলাক তোমালোকৰ দুইবো ভিতৰতে থাকিল।” তেতিয়া মহীধৰে কলে “বেছ কৈছা আই, তেওঁ এপুৰা লব, মই এপুৰা লম”। আছল কথা সকলো খিনি মহীধৰে জানে। কাৰণ যি দহ পুৰাৰ কথা গঙ্গাধৰে কৈছিল, সেই কথা সচা, কিন্তু আঠ পুৰা মাটি বন্ধকত দিলো বুলি কোৱাত গঙ্গাধৰ মনে মনে থাকিল। কিন্তু আমালোকে বেছ জানো, সেই আঠ পুৰা মাটি মহীধৰৰ মাকে অন্তঃপুৰত স্বৰ্গীয় ৺ললিতৰামক প্ৰেম উপহাৰ দি মহীধৰৰ নামত লেখাই লৈছিল আৰু সেই পট্টা-বিলাক সকলো মহীধৰক বুজাই দিছিল। যি হওক শোকে দুখে মহীধৰৰ মাক এক সপ্তাহ ৰোগত পৰি ইহলীলা সম্বৰণ কৰিলে। কব নোৱাৰো পুত্ৰবৎসলাই স্বৰ্গ পালে নে নৰক পালেগৈ। বোধ হয় দ্বিতীয়টোৱেই তেওঁৰ স্থান। মাক মৰাৰ পাছত কিবা কথাত দুই ভায়েকে দন্দ লাগি পৃথক হল। গঙ্গাধৰৰ ঘৰৰ অলপ আতৰতে মহীধৰে ঘৰ পাতি তেওঁৰ সহধৰ্ম্মিনী চপলাক লৈ সুখেৰে সংসাৰ-যাত্ৰা নিৰ্ব্বাহ কৰিবলৈ ধৰিলে। অলপ দিনৰ ভিতৰত মহীধৰৰ এজনী ছোৱালী জন্ম হল। ইফালে গঙ্গাধৰৰ বৰ দুখ হল, ভৰালত যি কেইটা ধান আছিল তাৰও আধা মহীধৰে হাত কৰিলে। ইফালে ধন নাই, কোনো ৰূপে ঈশ্বৰক চিন্তি কাল কটাবলৈ ধৰিলে। বোধ হয়

তেনেকৈ ভাবি, চিন্তি থকাতে তেওঁৰ বেমাৰ হৈছে। আহা! সেই কাৰণেহে মহীধৰে ককায়েকক চাবলৈ যোৱা নাই।

---

# তৃতীয় পৰিচ্ছেদ।

## পতি-পত্নী।

চপলা—শুনিছানে তোমাৰ ককায়েৰাৰ বেমাৰৰ কথা। মই চাকৰ-টোৰ মুখে শুনিলো যে বৰ বেমাৰ।

মহীধৰ—এৰা, ময়ো অলপ শুনিছো। কিন্তু মই গৈ বা কৰিম কি! আগে দন্দ লগাই থৈছে; এতিয়া কি জানি ঘৰত সোমাবই নিদিয়ে?

চপলা—নেলাগে তালৈ যাব। কি বা বেমাৰ হৈছে! তুমি তালৈ গৈ বেমাৰ চপাই আনিব নেলাগে। যদি তোমাকো সেই-বেমাৰে পায় তেতিয়া কি হব। আগে কি বুলি কৈছিল, মনত কৰাছোন। তোমাৰ আঠ পুৰা মাটি লবলৈ নুখুজিছিলনে? মই নোহোৱাহেতেন কৰিলা-হেতেন। এতিয়া সেই গৰ্ব্ব কলৈ গল? তোমাৰ দ্বাৰাই সিহতৰ পেট ভৰিছিল। তুমি কাম কৰি তেজক পানী কৰি টকা আনি দিবা, সিহতে ডিঙিলৈকে খাব। মই কিমান তোমাক কৈছিলো; যদি মোৰ কথা নুশুনিলাহেতেন ইমান দিনে

তোমাৰ হাতত পাই এটা নেথাকিলহেতেন। তোমাৰ পৰাই সিহতে মান পাইছিল। এতিয়া আমি আতৰি আহিলো—কিয় ভতুৱা কুকুৰেও বাট নিদিয়ে। ভাল হৈছে, মোৰ লগত সদাই দন্দ লগাৰ প্ৰতিফল দিছে। ঈশ্বৰ কি নাই? এতিয়া যদি তোমাৰ ভৰিত পৰি মাতে, আৰু যদি তুমি সহায় কৰিবলৈ খোজা, তেন্তে মোক আগেয়ে আইৰ ঘৰত থৈ আহাগৈ। তাৰ পাছত তুমি ককায়েৰাৰ চাকৰ হোৱাগৈ। তেতিয়া মই তোমাক বাধা দিবলৈ নাহো। তেতিয়া যি ইচ্ছা তাকে কৰিবা। কিন্তু মই এই ঘৰত থাকো মানে সিহতৰ চোতালত ভৰি এটা পেলাবলৈ নিদিও। শুনিছো কিবা বিঘিনি হৈছে। আই...ঔ, সেই বেমাৰ হলে মানুহ কেতিয়াবা বাচে নে? সেইটো বৰ বেমাৰ, যি চাবলৈ যায় তাৰ গাতে সোচৰে। আমাৰ ইয়ালৈ সিহতৰ কাকো অহা-যোৱা কৰিব নিদিবা। সিহতৰ সকলোৰে গাতে তেনে বেমাৰ আছে। ভাল, ঈশ্বৰে মোক বেলেগ কৰি দিলে। নহলে ইমান দিনে মৰিলোহেতেন। সেইয়া শুনাছোন; বেমাৰীয়ে কেনেকৈ চিঞৰিছে। তেনে বেমাৰ চাবলৈ কোনে যায়। চাম গৈ কিয়? যিমান মোক গালি-সপনি পাৰিছিল, সেইবিলাক মনত পৰিলে এতিয়াই চেপি মাৰি থৈ আহিবৰ মন যায়।

মহীধৰ—প্ৰাণেশ্বৰি, তুমি মোৰ জ্ঞান, তুমি মোৰ ধ্যান, তুমিয়ে সাৰথি, তুমিয়ে পোহৰ, তুমিয়েই মন্ত্ৰী। ইয়াৰ ওপৰত কিবা কথা কবলৈ যোৱাটো মূৰ্খৰ কাম! তোমাক মই তোমাৰ মাৰৰ ঘৰত থৈ আহিম কিয়? এতিয়া ককাইৰ বেমাৰ, যদি পিতাৰ বেমাৰ হল-হেতেন, তথাপিও তোমাৰ কথা নেপেলাও। প্ৰাণেশ্বৰি, মানুহ যে দেৱতা হব পাৰে, তাক মই নেজানিছিলো। যি তোমাক দেখিছে ও তোমাৰ কথা শুনিছে সিহে বুজিছে। মই তোমাক পাই দৈত্য হৈয়ো দেৱতা।

তেনেকৈ ভাবি, চিন্তি থকাতে তেওঁৰ বেমাৰ হৈছে। আহা! সেই কাৰণেহে মহীধৰে ককায়েকক চাবলৈ যোৱা নাই।

---

# তৃতীয় পৰিচ্ছেদ।

## পতি-পত্নী।

চপলা—শুনিছানে তোমাৰ ককায়েৰাৰ বেমাৰৰ কথা। মই চাকৰ-টোৰ মুখে শুনিলো যে বৰ বেমাৰ।

মহীধৰ—এৰা, ময়ো অলপ শুনিছো। কিন্তু মই গৈ বা কৰিম কি! আগে দন্দ লগাই থৈছে; এতিয়া কি জানি ঘৰত সোমাবই নিদিয়ে?

চপলা—নেলাগে তালৈ যাব। কি বা বেমাৰ হৈছে! তুমি তালৈ গৈ বেমাৰ চপাই আনিব নেলাগে। যদি তোমাকো সেই বেমাৰে পায় তেতিয়া কি হব। আগে কি বুলি কৈছিল, মনত কৰাছোন। তোমাৰ আঠ পুৰা মাটি লবলৈ নুখুজিছিলনে? মই নোহোৱাহেতেন কৰিলা-হেতেন। এতিয়া সেই গৰ্ব্ব কলৈ গল? তোমাৰ দ্বাৰাই সিহঁতৰ পেট ভৰিছিল। তুমি কাম কৰি তেজক পানী কৰি টকা আনি দিবা, সিহঁতে ডিঙিলৈকে খাব। মই কিমান তোমাক কৈছিলো; যদি মোৰ কথা নুশুনিলাহেতেন ইমান দিনে

তোমাৰ হাতত পাই এটা নেথাকিলহেতেন। তোমাৰ পৰাই সিহতে মান পাইছিল। এতিয়া আমি আতৰি আছিলো—কিয় ভতুৱা কুকুৰেও বাট নিদিয়ে। ভাল হৈছে, মোৰ লগত সদাই দন্দ লগাৰ প্ৰতিফল দিছে। ঈশ্বৰ কি নাই? এতিয়া যদি তোমাৰ ভৰিত পৰি মাতে, আৰু যদি তুমি সহায় কৰিবলৈ খোজা, তেন্তে মোক আগেয়ে আইৰ ঘৰত থৈ আহাগৈ। তাৰ পাছত তুমি ককায়েৰাৰ চাকৰ হোৱাগৈ। তেতিয়া মই তোমাক বাধা দিবলৈ নাহো। তেতিয়া যি ইচ্ছা তাকে কৰিবা। কিন্তু মই এই ঘৰত থাকো মানে সিহতৰ চোতালত ভৰি এটা পেলাবলৈ নিদিও। শুনিছো কিবা বিঘিনি হৈছে। আই...ঔ, সেই বেমাৰ হলে মানুহ কেতিয়াবা বাচে নে? সেইটো বৰ বেমাৰ, যি চাবলৈ যায় তাৰ গাতে সোচৰে। আমাৰ ইয়ালৈ সিহতৰ কাকো অহা-যোৱা কৰিব নিদিবা। সিহতৰ সকলোৰে গাতে তেনে বেমাৰ আছে। ভাল, ঈশ্বৰে মোক বেলেগ কৰি দিলে। নহলে ইমান দিনে মৰিলোহেতেন। সেইয়া শুনাছোন; বেমাৰীয়ে কেনেকৈ চিঞৰিছে। তেনে বেমাৰ চাবলৈ কোনে যায়। চাম গৈ কিয়? যিমান মোক গালি-সপনি পাৰিছিল, সেইবিলাক মনত পৰিলে এতিয়াই চেপি মাৰি থৈ আহিবৰ মন যায়।

মহীধৰ—প্ৰাণেশ্বৰি, তুমি মোৰ জ্ঞান, তুমি মোৰ ধ্যান, তুমিয়ে সাৰথি, তুমিয়ে পোহৰ, তুমিয়েই মন্ত্ৰী। ইয়াৰ ওপৰত কিবা কথা কবলৈ যোৱাটো মূৰ্খৰ কাম! তোমাক মই তোমাৰ মাৰৰ ঘৰত থৈ আহিম কিয়? এতিয়া ককাইৰ বেমাৰ, যদি পিতাৰ বেমাৰ হল-হেতেন, তথাপিও তোমাৰ কথা নেপেলাও। প্ৰাণেশ্বৰি, মানুহ যে দেৱতা হব পাৰে, তাক মই নেজানিছিলো। যি তোমাক দেখিছে ও তোমাৰ কথা শুনিছে সিহে বুজিছে। মই তোমাক পাই দৈত্য হৈয়ো দেৱতা।

চপলা—এতিয়া তোমাক ভূতে এৰিলে, এতিয়া মোক চিনি পাইছা। আগে মোক ককায়েৰৰ পক্ষ হৈ কিমান গালি পাৰিছিলা। যদি আগেয়ে মোৰ কথা বুজিব পাৰিলাহেতেন তেন্তে ইমানবিলাক আহাৰ সিহতে খাবলৈ পায় কিয়? আগেয়ে মোক বিবাহ কৰিবলৈ ইচ্ছা নকৰিছিলা। এতিয়া বুজিব পাৰিছা; মই যি কৰো তোমাৰ ভালক হে?

মহীধৰ—প্ৰিয়ে, আগৰ কথা কিয় কৈছা। তেতিয়া মন চঞ্চল আছিল। সেই কাৰণেহে মই ভুল কৰিছিলো। এতিয়া মই ক্ষমা খুজিছো, তুমি অধম বুলি ক্ষমা দিয়া।

(চিঃ মহীধৰ, কাপুৰুষ, নৰাধম, পিশাচ তই ভালকৈ ভাবি চাইছনে? তোমাৰ কোন আছে? তই তোৰ স্ত্ৰীৰ মনোভাব বুজিব পৰা নাই নে? তোৰ তাই কোন হয়। তাই এজনী অন্য ঘৰৰ অন্য মাকৰ জীয়েক, বিবাহ কৰি স্বামী স্ত্ৰীৰ সম্বন্ধ। কিন্তু তই ককায়েৰৰ একে তেজ। যদিও দুই মাক, কিন্তু একে পিতাকৰ তেজ। তোৰ আত্মাৰ সৈতে সম্বন্ধ, তেজৰ সৈতে সম্বন্ধ খোৱা, লোৱা, শোৱা ইত্যাদিৰে সৰুৰে পৰা সম্বন্ধ। তোমাক সৰুতে চেনেহ কৰি খুৱাইছিল, হাতত ধৰি কত ভাই বুলি ফুল তুলি দিছিল, তোমাক লগ নেপালে এগাল ভাত নেখাইছিল, তুমি কৰ-বাত পৰি দুখ পালে লৰি গৈ উঠাইছিল, তুমি কিবা দোষ কৰিলে তোমাৰ লগত তেওঁ গালি খাইছিল, ফুৰা,-চকা, খেলা; হহা, সকলোতে তোমাৰ ভাগী আছিল। সেই একে মনৰ একে তেজৰ ককাইয়েৰ তোমাৰ স্ত্ৰীতকৈ ক্ষুদ্ৰ হল নেকি? তুমি তোমাৰ স্ত্ৰীক নেদেখিছিলা, বিবাহ কৰিব লাগে বুলি নেজানিছিলা, অইন কি তোমাৰ স্ত্ৰীৰ নামো নেজানিছিলা, তাইৰ লগত কথা পতা নাই, খেল কৰা নাই, উমলা নাই, তাই গুৰিৰে পৰা বেলেগ। তেতিয়া তুমি

তোমাৰ স্ত্ৰীক খুজিছিলানে? পিতাৰৰ গালি খালে তোমাৰ স্ত্ৰীৰ তালৈ গৈছিলা নে? কেৱল ককাই দেও! ককাই দেও! এই হে তুমি জানিছিলা। সেই ককায়েৰাৰে সৈতে সকৰে পৰা একেলগে খাই, একে বিছনাতে শুই ডাঙৰ-দীঘল হলা। তেওঁতকৈ কি তোমাৰ স্ত্ৰী বেছি আত্মীয়? মহীধৰ নাৰীৰ প্ৰেমত পৰি হাবাথৰি খাইছা। কেৱল তুমি ইয়াকে জানা, তোমাৰ স্ত্ৰী আছে আৰু তুমি আছা—আৰু কোনো নাই। তোমাৰ স্ত্ৰী আৰু তুমি ভাল, বাকী সকলো অপদাৰ্থ! তুমি ও স্ত্ৰী প্ৰেম কৰিছা; আৰু সংসাৰৰ বাকী-বিলাকে কৰিব নেজানে? এইবিলাক তুমি দেখি নোৱা।

---

# চতুৰ্থ পৰিচ্ছেদ।

## অন্ধকাৰ।

"প্ৰাণে......ৰি"

"নাথ

"পা......নী

তেতিয়া বসন্তীয়ে তাইৰ সৰ্ব্বস্বধন পতি দেৱতাৰ মুখত অলপ অলপ কৈ পানী দিলে। তাৰ অলপ পৰৰ পিছত চকু মেলি মাত লগালে-"বসন্তী আৰু মোৰ সময় নাই। শিৱবিলাক কোচাই নিছে। যদি

চপলা—এতিয়া তোমাক ভূতে এৰিলে, এতিয়া মোক চিনি পাইছা। আগে মোক ককায়েৰৰ পক্ষ হৈ কিমান গালি পাৰিছিলা। যদি আগেয়ে মোৰ কথা বুজিব পাৰিলাহেঁতেন তেন্তে ইমানবিলাক আহাৰ সিহঁতে খাবলৈ পায় কিয়? আগেয়ে মোক বিবাহ কৰিবলৈ ইচ্ছা নকৰিছিলা। এতিয়া বুজিব পাৰিছা; মই যি কৰো তোমাৰ ভালক হে?

মহীধৰ—প্ৰিয়ে, আগৰ কথা কিয় কৈছা। তেতিয়া মন চঞ্চল আছিল। সেই কাৰণেহে মই ভূল কৰিছিলো। এতিয়া মই ক্ষমা খুজিছো, তুমি অধম বুলি ক্ষমা দিয়া।

(চিঃ মহীধৰ, কাপুৰুষ, নৰাধম, পিশাচ তই ভালকৈ ভাবি চাইছনে? তোমাৰ কোন আছে? তই তোৰ স্ত্ৰীৰ মনোভাব বুজিব পৰা নাই নে? তোৰ তাই কোন হয়। তাই এজনী অন্য ঘৰৰ অন্য মাকৰ জীয়েক, বিবাহ কৰি স্বামী স্ত্ৰীৰ সম্বন্ধ। কিন্তু তই ককায়েৰৰ একে তেজ। যদিও দুই মাক, কিন্তু একে পিতাকৰ তেজ। তোৰ আত্মাৰ সৈতে সম্বন্ধ, তেজৰ সৈতে সম্বন্ধ খোৱা, লোৱা, শোৱা ইত্যাদিৰে সকৰে পৰা সম্বন্ধ। তোমাক সৰুতে চেনেহ কৰি খুৱাইছিল, হাতত ধৰি কত ভাই বুলি ফুল তুলি দিছিল, তোমাক লগ নেপালে এগাল ভাত নেখাইছিল, তুমি কৰ-বাত পৰি দুখ পালে লৰি গৈ উঠাইছিল, তুমি কিবা দোষ কৰিলে তোমাৰ লগত তেওঁ গালি খাইছিল, ফুৰা,-চকা, খেলা; হহা, সকলোতে তোমাৰ ভাগী আছিল। সেই একে মনৰ একে তেজৰ ককাইয়েৰ তোমাৰ স্ত্ৰীতকৈ ক্ষুদ্ৰ হল নেকি? তুমি তোমাৰ স্ত্ৰীক নেদেখিছিলা, বিবাহ কৰিব লাগে বুলি নেজানিছিলা, অইন কি তোমাৰ স্ত্ৰীৰ নামো নেজানিছিলা, তাইৰ লগত কথা পতা নাই, খেল কৰা নাই, উমলা নাই, তাই গুৰিৰে পৰা বেলেগ। তেতিয়া তুমি

তোমাৰ স্ত্ৰীক খুজিছিলানে? পিতাৰৰ গালি খালে তোমাৰ স্ত্ৰীৰ তাৰৈ গৈছিলা নে? কেৱল ককাই দেও! ককাই দেও! এই হে তুমি জানিছিলা। সেই ককায়েৰাৰে সৈতে সকৰে পৰা একেলগে খাই, একে বিছনাতে শুই ডাঙৰ-দীঘল হলা। তেওঁতকৈ কি তোমাৰ স্ত্ৰী বেছি আত্মীয়? মহীধৰ নাৰীৰ প্ৰেমত পৰি হাবাথৰি খাইছা। কেৱল তুমি ইয়াকে জানা, তোমাৰ স্ত্ৰী আছে আৰু তুমি আছা— আৰু কোনো নাই। তোমাৰ স্ত্ৰী আৰু তুমি ভাল, বাকী সকলো অপদাৰ্থ! তুমি ও স্ত্ৰী প্ৰেম কৰিছা; আৰু সংসাৰৰ বাকী-বিলাকে কৰিব নেজানে? এইবিলাক তুমি দেখি লোৱা!

---

# চতুৰ্থ পৰিচ্ছেদ।

## অন্ধকাৰ।

“প্ৰাণে......ৰি”

“নাথ

“পা......নী

তেতিয়া বসন্তীয়ে তাইৰ সৰ্ব্বস্বধন পতি দেৱতাৰ মুখত অলপ অলপ কৈ পানী দিলে। তাৰ অলপ পৰৰ পিছত চকু মেলি মাত লগালে- “বসন্তী আৰু মোৰ সময় নাই। শিৱবিলাক কোচাই নিছে। যদি

মোলৈ অলপো মৰম আছে, তেন্তে মোৰ শেষ বাক্য ৰাখা। লৰা কেইটাক খুজি মেলি হলেও দুমুঠি খোৱাই লালন পালন কৰিবা। মোৰ নিমিত্তে বেজাৰ নকৰিবা। উঃ ৰাম ৰা...ম ৰা”—বুলিয়ে চকু মুদি ইহ-লীলা ত্যাগ কৰি, মৰমৰ জীৱন-সঙ্গিনী ও দেৱকান্তি পুত্ৰ-দ্বয়ক আকুল সাগৰত পেলাই গুছি গল। এনেতে বসন্তীয়ে “নাথ নাথ” বুলি স্বামীৰ কাষতে মূৰ্চ্ছা খাই পৰি গল। হায়! বসন্তী তোমাৰ দেৱতুল্য পুত্ৰ দুটা এই, সময়ত কত তুমি এবাৰো খোজ খবৰ নলৈ স্বামীৰ কাষত শুই আছা কিয়? তোমাৰ সেই অতুলনীয় পুত্ৰ দুটাক দেখোন এখন্তেক নেদেখিলে আকুল হোৱা, আজি কিয় সেই পুত্ৰ দুটাক বিচাৰ নকৰি একান্ত মনে শুই আছা। এইয়ে কি মাকৰ মৰম, এইয়ে কি মাতৃ-স্নেহ? ইয়াকে কি সন্তানপালিনী কৰুণাময়ী বুলি কয়? আহা! যাৰ নিমিত্তে বসন্তীয়ে নিজৰ সৰ্ব্বস্ব বিসৰ্জ্জন দিও স্বামীৰ সুখৰ নিমিত্তে কি নকৰিছিল, যাৰ মুখত সদায় হাহি দেখি বসন্তীৰ সুখৰ সীমা নেথাকিছিল, যাৰ পদ-সেৱা কৰি বসন্তীয়ে নিজক ধন্যা মানিছিল, যাৰ এদিন মুখ গধূৰ দেখিলে গোটেই সংসাৰ অন্ধকাৰ ও অসাৰ বুলি ভাবিছিল যি স্বামীয়ে তেওঁক এদিন বসন্তী বুলি বুকুত সোমাই লৈ কত আদৰ কৰিছিল, যাৰ নিমিত্তে সংসাৰ যাৰ নিমিত্তে পুত্ৰ, সেই স্বামী আজি আকুল সাগৰত পেলাই এৰি গুছি গল। তাৰ লগে লগে তেওঁৰ দয়া, মমতা, প্ৰেম সকলো বিদায় লৈছিল, তেনেহলে আৰু বসন্তীৰ কিটো থাকিল? এনে সময়ত নো কাৰ কোনে বিচাৰ লব পাৰে? সেই সময়ত বসন্তীৰ জ্ঞান, বুদ্ধি, মায়া, দয়া, সকলো লোপ পালে। সেই কাৰণে বসন্তীয়ে পুত্ৰ-দ্বয়ৰ খবৰ লব পৰা নাই। এনে সময়ত বাহিৰৰ পৰা কিৰণ-মইনাই মাত লগালে।

"আইতা, আইতা, পিতা"!!

আহা! কি সুন্দৰ মাত, কি মধুৰ। লৰা দুটাক দেখিলেই কোলাত তুলি লবৰ মন যায়। এই লৰা দুটাৰ মাকে বিচাৰ নোলোৱাকৈ মূৰ্চ্ছা হৈ পৰি আছে। হায়! কিৰণ-মইনা, তোমাৰ পিতৃ-মাতৃৰ যে কি অৱস্থা তাক তোমালোকে জনা নাই। কেৱল তোমালোকে উমলিবা ও খাবা। এই সময়ত যদি তোমালোকে বুজিলা হয়, তেনেহলে কেতিয়াও মাৰা-পিতাৰাক এৰি উমলিব নগলা-হেতেন। চোৰাগৈ তোমাৰ পিতাৰে তোমালোকক এৰি গুছি গল আৰু তোমালোকৰ আইতাইও তোমালোকক আওকান কৰি শুই আছে।

পিতা মাতাৰ একো উত্তৰ নুশুনি দুইটা লৰাই ভিতৰলৈ সুমাই গল। পাঠক আমিও লৰাদুটাৰ লগতে পুনবায় সেই পীড়িতাৰ কুঠৰীলৈ যাওচোন। ভয় নকৰিবা, মৃত্যুৰ দৃশ্য দেখি ভয় নেখাবা; আমাৰো তেনে দিন এটা আছে, কেৱল আগ পিছ। আমাৰো এদিন তেনে দশা হব; মৃত্যুলৈ কিহৰ ভয়? জন্মিছো এবাৰ, মৰিবও লাগিব এবাৰ। কেৱল আমি এই সংসাৰত ভাওনাৰ নিচিনাকৈ এটা মুখা পিন্ধি ভাওনা কৰিছো। ভাওনা অন্ত হলে যেনেকৈ ভাৱনাৰ সাজ-পাৰ এৰি নিজৰ সাজ-পাৰ লয়, তেনেকৈ আমিও নিজৰ কায়া এৰি যৰ পৰা আহিছো তালৈ গুছি যাম। আমি মিছাতে গওপ মাৰি মুখ ওফোন্দাই ধুনপেচ মাৰি ধনী বুলি "মই" এটা পৰি-চয় দিও। কিন্তু মিছা, সেই ধুন পেচ মৰা, গুৱনী কোঠাত গাখীৰ-ফেনৰ নিচিনা বিছনাত শোৱা সকলো মিছা। মৃত্যুত ৰজাৰো সেই ভূ-শয্যা. ভিখাৰীৰো সেই ভূ-শয্যা। তাতকৈ আৰু কোনেও ভাল শয্যা নেপায়। তেনেহলে পাঠক, কিয় ভয় কৰা? জন্ম লৈছো উলঙ্গ হৈ, মৰিবও লাগিব উলঙ্গ হৈ। জন্ম লৈছো অকলে,

যাম অকলে— তেনেহলে পাঠক কিয় ভয় কৰা? চোৱা, লৰা দুটাই মাকক কেনেকৈ "আই আই" বুলি হাতত ধৰি চিঞৰি আছে। মাকে নমতাত লৰা দুটাই কান্দি পেলালে। হায়! বসন্তী তুমি যদি এই সময়ত চকু মেলি লৰা কেটাক চালাহেঁতেন, তোমাৰ পুত্ৰ দুটাই কেনেকৈ "আইতা আইতা" বুলি কান্দিছে!

এনে সময়তে লৰাৰ কান্দোন শুনি ওচৰৰ বুঢ়ী এজনী কি হল বুলি চাবলৈ আহিল। বুঢ়ীয়ে আহি যি দেখিলে তাত বুঢ়ীৰ চেতনা নেথাকিল, হাত ভৰি কপি বুঢ়ী সেই ঠাইতে বহি পৰিল। অৱশেষত লৰা দুটাক হাতত ধৰি বুঢ়ীয়ে বাহিৰলৈ আনিলে আৰু "মহীধৰ, মহীধৰ, তোৰ এই সময়তো মায়া-মমতা জন্মা নাই নে? ককায়েৰ-বোৱেৰৰ কি হল কব পাৰ নে? এতিয়াও সোনকালে আহ" বুলি চিঞৰিব ধৰিলে। অলপ সময়ৰ পাছতে মহীধৰে আহি পালেহি। তেতিয়া যি দেখিলে, মহীধৰে স্তম্ভিত হৈ পৰিল। আগৰ মনান্তৰ পাহৰি "ককাই ককাই" বুলি কান্দিবলৈ ধৰিলে; মহীধৰৰ কান্দোন শুনি বহুত মানুহ গোট খালে। তেতিয়া বুঢ়ীয়ে মাত লগালে, "এতিয়া যি হবৰ হল, বোৱেৰৰ মুখত পানী দিয়া, আৰু এখন বিছনি আনি বিছা'। সেই আদেশ মতে কাম কৰা হল। অলপ পৰৰ পাছত বসন্তীয়ে চকু মেলি "নাথ নাথ" বুলি আকৌ মূৰ্চ্ছা গল, অৱশেষত বসন্তীক অইন এটা খোটালিলৈ আনি শুশ্ৰূষা কৰাত বহু পৰত চেতনা হল। তেতিয়া মইনাই "আই; আই," বুলি মাকৰ ওচৰ পালেগৈ। এনেতে বসন্তীয়ে বহি দুইটা পুতেকক কোলাত লৈ হুকুহুক্ কৈ কান্দিবলৈ ধৰিলে। পুতেক কেইটাও মাকক কন্দা দেখি কান্দি পেলালে। বহুত পৰ কন্দাৰ পাছত শোকৰ অলপ লাঘৱ হল। তেতিয়া বসন্তীয়ে চকু মোহাৰি কবলৈ ধৰিলেঃ— "কিৰণ, মইনা, তহঁতে

কাক আৰু পিতা বুলি মাতিবি! তইতৰ পিতাৰে তইতক এৰি গুছি গল। তইতক আৰু কোনে পোহপাল কৰিব। এই বুলি কৈয়ে আকৌ কান্দিবলৈ ধৰিলে। মাকৰ দুখ বুজি মইনাই মাত লগালে “আই, পিতা কলৈ গল, আকৌ নাহিব নেকি? মই এতিয়া দেখি আহিলো, পিতা শুই আছে”। এই কথা শুনি বসন্তীৰ শোকানল জ্বলিহে উঠিল। আকৌ আউল-বাউল হৈ কান্দিবলৈ ধৰিলে। এনেতে উক্ত বুঢ়ী আহি নানা কথাৰে সান্ত্বনা কৰিবলৈ লাগিল। যি হওক গঙ্গাধৰৰ শৰটো নি দাহ কৰা হল। দিন যাবলৈ ধৰিলে, বসন্তীৰ স্বামী-শোকো কালৰ লগত পাতল হবলৈ ধৰিলে। এইদৰে চাৰি পাচ মাহ শোকে দুখে, বসন্তীয়ে দিন কটাবলৈ ধৰিলে। এদিন বসন্তীৰ অলপ জ্বৰ হল, তেতিয়াৰ পৰা সাতদিন একেৰাহে জ্বৰ ধৰিল, উক্ত বুঢ়ী জনীয়ে মাজে মজে শুশ্রূষা অলপ কৰিব ধৰিলে। কিন্তু ঈশ্বৰে কাকো নেমানিলে; এদিন বসন্তীৰ দেহ-পিঞ্জৰৰ পৰা প্ৰাণ-পক্ষী বহিৰ্গত হৈ গল। মৃত্যুৰ আগ থিনিতে বসন্তীয়ে লৰা-কেইটাক লালন-পালন কৰিবলৈ কাবৌ কাকুতি কৰি বুঢ়ী জনীক কৈছিল। হায়! কাল তোমাৰ চৰণত সহস্ৰবাৰ নমস্কাৰ, তুমি কেতিয়া কাক কি কৰা বুজিব নোৱাৰো। বসন্তীৰ মৃত্যুৰ লগতে গঙ্গাধৰৰ ঘৰ অন্ধকাৰ হল।

---

## পঞ্চম পৰিচ্ছেদ।

### চপলা।

আজি প্ৰায় বাৰ বছৰ, কাল সমুদ্ৰত পৰি মিহলি হৈ গল।

এই বাৰ বছৰৰ ভিতৰত যে পৃথিবীত কিমান পৰিবৰ্ত্তন ঘটিছে, কত ডকাইতি, কত খুন, কত অশান্তি ও দুৰ্ভিক্ষ হৈ গৈছে তাৰ লেখ জোখ নাই। পৃথিবীৰ লগে লগে মহীধৰৰ ঘৰতো যে পৰিবৰ্ত্তন ঘটা নাই এনে কথা কব নোৱাৰি। বাৰ বছৰীয়া ছোৱালী এজনী ও দহ বছৰীয়া লৰা এটাই মহীধৰৰ আৰু চপলাৰ হৃদয়ানন্দ কৰিলে। তাৰ উপৰিও এঘাৰ বছৰীয়া মইনা দদাইয়েকৰ লগতে আছে। আগৰ আধ্যাত কোৱা বুঢ়ীজনী বসন্তীৰ মৃত্যুৰ ছমাহ মানৰ পাছতে মৰিল। বুঢ়ীৰ মৃত্যু হোৱাত মহীধৰে ভতিজা পুতেক দুটাক তেওঁৰ ঘৰলৈ আনে। তেতিয়াৰ পৰা মইনাই দদা-য়েকৰ ঘৰতে আছে আৰু স্কুলত পঢ়িছে। কিন্তু কিৰণ কত? আহা! খুৰীয়েকৰ গালি শপনি ও দদায়েকৰ মাৰ-কিল্ সহিব নোৱাৰি বেছাৰাই নিৰুদ্দেশ হল। তেতিয়াৰ পৰা কিৰণৰ একো খবৰ নাই।

বেলা প্ৰায় আঠটা বাজিছে, সকলো গছগছনি ৰদত পোহৰ পাই চিক্‌মিক্ কৰিব লাগিছে। সূৰ্য্য দেৱতায়ো তেওঁৰ নিজৰ কিমান ক্ষমতা আছে তাক দেখুৱাবৰ নিমিত্তে দোপত-দোপে তপত হৈ উঠিছে। তিৰুতাবিলাকে নৈ-ঘাটৰ পৰা পানী আনিবৰ নিমিত্তে কাষত কলহটি লৈ "আমুকি আমুকি" বুলি বিঙ্গিয়াই নৈৰ ঘাটলৈ লৰ ধৰিছে আৰু নদীৰ ঘাটত গোট খোৱা মাইকীৰ বিৰাট সভাত নিজৰ নিজৰ বক্তৃতা দিছে। কোনোৱে কোনোৱে বৌ ও ভনীয়েকৰ গৃৰত নিজৰ নিজৰ কাম বোজা দি কাষত কলহটি লৈ কামৰ পৰা অৱসৰ পাবৰ নিমিত্তে ঘাটৰ বিৰাট সভাত যোগ দি শোভা-বৰ্দ্ধন কৰিছে গৈ। এনে সময়ত চপলাই কি কৰিছে আহক পাঠক চাই আহোগৈ। চপলা এতিয়াও অন্তঃপুৰৰ পৰা আহি সূৰ্য্য দেৱতাক দৰ্শন দিয়া নাই। এনে সময়ত এটি লৰাই বাহিৰৰ পৰা "খুৰীদেউ উঠা, উঠা; বেলি

হল, ভাত ৰান্ধাগৈ” বুলি কবলৈ ধৰিলে। প্ৰথম বাৰ একো উত্তৰ নেপাই লৰাই আগতকৈ অলপ উচ্চাৰণ ফুটাই ওপৰত কোৱাদি কলে। এই বাৰ চপলাই কালসৰ্পই নেজ জোকাৰি উঠাৰ দৰে উগ্ৰ মূৰ্ত্তি ধৰি কবলৈ ধৰিলে “তোৰ কি হল, মুখপুৰা, মই শুই আছো, তোৰ কি হল।” মইনাই সেই ভয়ঙ্কৰ মূৰ্ত্তি দেখি চাৰি পাচ হাত পিছলৈ আহি পুনৰ কবলৈ ধৰিলে “খুৰীদেউ মই কি খাই স্কুললৈ যাম, বেলা যে প্ৰায় হয় হয়।” তেতিয়া চপলাই কালী-মূৰ্ত্তি ধৰি দুখোজ আগবাঢ়ি কলে “ভোকত বৰ নোৱাৰ যদি মোকে খাই যমৰ তালৈ যা, লৰাটোয়ে গোটেই ৰাতি কান্দি এতিয়া অলপ শুইছে, এই মুখপুৰাই তাকো শুব নিদিয়ে। সকতে মাৰ বাপেৰক খালি, এতিয়া মোক খাই ভোক মাৰ নিয়াৰ।” এই বাৰ মইনাই একো নকৈ মনে মনে ভাবিব ধৰিলে “সচাকৈ কি মই বৰ টান্‌কৈ চিঞৰিলো, যে মোৰ শব্দ শুনি লৰাৰ টোপনি ভাঙ্গিল। কতা, মই দেখোন সিমান টানকৈ কোৱা নাই” এই বুলি নিজক নিজে দোষী ভাবি “ৰ” লাগি থাকিল। এনে সময়ত আকৌ চপলাই কলে আহকতেওঁ, যাৰ খাই ইমান তেজ, সেই তেজ নোহোৱা কৰিছে এৰিম। মইনাই ভাবিলে “ভালকৈ দুই-একাষাৰ শুনাই দিও।” কিন্তু দদায়েকৰ প্ৰহাৰ তাৰ মনত পৰাত কোচ খাই গল। তেতিয়া তাত নেথাকি নিজৰ শোৱা কোঠালৈ আহি মলিন বিছনাত পৰি কান্দিবলৈ ধৰিলে। সচাকৈ বুঢ়ী মৰাৰ পিছৰ পৰা মইনাৰ এনে এটা দিন যোৱা নাই যিদিনা সি দদায়েকৰ মাৰ খোৱা নাই বা খুৰীয়েকৰ গালি-শপনি খোৱা নাই; সকলো মাৰ-কিল্ গালি-শপনি সহ্য কৰি আহিছে। কিন্তু আজিৰ নিচিনা এদিনো শুনা নাই। সেই কাৰণে লৰাই শোক লাঘৱৰ নিমিত্তে নিজৰ

বিছনাত পৰি কান্দিছে। ক্রমান্বয়ে মইনাৰ সৰুৰে পৰা আজি এঘাৰ বছৰৰ কথা মনত পৰিল। যাৰ চকু অলপ চল্‌চল্‌ কৰিলে মাকে কি কৰি মনত ৰং লগাব ভাবি নেপাইছিল, যি এদিন নেখাও বুলি-লেও মাকে নিজৰ হাতেৰে খুৱাইছিল, যি মইনাৰ বেমাৰ দেখিলে মাকৰ মনত অশান্তি হৈছিল, সেই মইনা আজি স্কুললৈ যাবৰ সময়ত ভাত এমুঠি নেপায়। হায়! সেই এদিন আৰু এই এদিন। এই সকলো কথা ভাবি অৱশেষত "আই, আই, তুমি কত, তোমাৰ পুতেৰৰ এবাৰ দুৰ্দ্দশা চোৱা। আইতা আৰু যে সহিব নোৱাৰি" এই বুলি লৰাই বিছনাত লুতি খাই পৰিল। অলপ পৰৰ পাছত চেতনা হোৱাত উঠি চায় যে সাৰে নটা বাজিল। খৰকৈ উঠি গামোছা ও ধুতিখন লৈ চকু মোহাৰি নদীলৈ গল। গা ধুই আহি ধুতিখনি শুকাবৰ নিমিত্তে, ৰদত মেলি দিলে। তাৰ পাছত নিজৰ কিতাপ, পেন্সিল টেবিলত থৈ অলপ বহিল। ভাবিলে বোধ হয় এইবাৰ খুৰীয়েকে অলপ জলপান খাই স্কুলক যাবলৈ আদেশ কৰিব। কিন্তু কতা, এঘণ্টা হল, এতিয়াও খুৰীয়েকে ওলাই মাত একাষাৰ নিদিলে। হায়! মইনা তুমি কিয় মাৰৰ লগতে নমৰিলা। অৱশেষত ফটা মলিন কামিজটো গাত পেলাই কান্দি, কান্দি, ওলাই গল। হায় ঈশ্বৰ! তুমিয়ে জানা এই লৰাৰ ভবিষ্যতলৈ কি হব। তুমি ইমান নৰ-নাৰী, পশু-পতঙ্গক খাবলৈ দিছা, কিন্তু এই পিতৃ-মাতৃহীন মইনাৰ নিমিত্তে তোমাৰ ভৰালত এমুঠিও নাই নে কি? আছে নিশ্চয় আছে; ঈশ্বৰে অৱশ্যে দিব। চপলা তোৰ অন্তৰত দয়া, মমতা নাই নে? এজন পিতৃ-মাতৃহীন বালকক তোৰ উদ্ধাৰ কৰা উচিত নে বিপদত পেলাই দিয়া উচিত? ইয়াকে কি করুণাময়ী নাৰী বুলি কয়? এনে দুৰ্গতিয়েই কি পিতৃ-মাতৃহীন

বালকৰ প্ৰাপ্য? চপলা তই নাৰী নে পিশাচী? স্কুললৈ গৈ পণ্ডিতক মইনাই ছুটী খোজাত পণ্ডিতে কলে "কি মইনা তুমি আজি ভাত খোৱা নাই।" তেতিয়া মইনাই কান্দি কান্দি ঘৰত যি ঘটিছিল সকলো কলে। তেতিয়া পণ্ডিতে মনত দুখ কৰি ইয়াকে কলে "আজি কালি কাইট উলিয়াই দিওতা মানুহ নাই, উলিয়াবলৈ গৈ সুমোৱাই হে পঠিয়ায়।" তেতিয়া পণ্ডিতে মৰম কৰি মইনাক নিজৰ ঘৰতে ভাত-পানী খাবলৈ পঠিয়াই দিলে। আহা মইনা! যাৰ পিতাকে এদিন এহেজাৰ মানুহক খুৱাবলৈ কুণ্ঠিত নহৈছিল, আজি চোৱা কেনেকৈ তাৰ পুতেকে পণ্ডিতৰ ঘৰত ভাত খুজি খালে। নেখালেও নোৱাৰে, পেটৰ পোৰণি বৰ টান। যিমানেই শোক, তাপ, হওক তথাপি সেই চাৰি আঙ্গুল পেটক পুজিবই লাগিব। গধুলি মহীধৰে উক্ত পণ্ডিতৰ ঘৰৰ কাষেদি আহোতে, পণ্ডিতে পাই, ভালকৈ বিচাৰি একাষাৰ শুনাই দিলে। তেতিয়া মহীধৰে কলে, "কতা মই একো কব নোৱাৰো। বাৰু ঘৰত মই শুধি এটা শাস্তি চপলাক দিম।" বাটত আহোতে আহোতে ভাবিলে প্ৰথমতে কি বুলি কথাষাৰ তুলিব। যি হওক বাটতে এটা উপায় উলিয়ালে "খং মনেৰে গাল ওফোন্দাই যাও।" কিন্তু মহীধৰে কোনো দিনা মাই-কীৰ ওপৰত আধিপত্য কৰিব নোৱাৰিছিল। আজিও সেইয়ে হল, যেতিয়া ঘৰৰ নঙলা-মুখ পালেহি তাতে তেওঁ গাল ওফোন্দাই অহা পাহৰি গল। তেওঁক চপলাৰ প্ৰণয়ে গৈ নঙলামুখৰ পৰা খং-সাৰথিক বিদায় দি আগ বঢ়াই আনিলে গৈ। মহীধৰে আহি চকি এখনতে আধা শোৱা আধা বহা ভাবে বহি পৰিল। অলপ পাছতে স্বামী-দেৱতাৰ নিমিত্তে চপলাই কিছুমান সন্দেশ, চিৰা, গুৰ, গাখীৰ, আনি তেওঁৰ সম্মুখত ৰাখিলে। স্বামীয়ে চপলাৰ আদেশ মতে সকলো

খিনি উদ্দৰস্থ কৰি পেলালে। ইটো সিটোৰ পিছত অনেক কথা-বতৰা পাতিলে, কিন্তু মহীধৰে পণ্ডিতে কোৱা কথা কেইটা পাহৰা নাছিল। তথাপি চপলাৰ আগত কব পৰা নাই। এনে স্ত্রৈণ মানুহ।

এনে সময়ত মহীধৰৰ পুতেক কান্তিনাথে কান্দি কান্দি মাক বাপেকৰ আগত ওলালহি। এনেতে মাকে একে লৰে গৈ পুতেকক সাবট মাৰি ধৰি কলে "কি মোৰ সোণ, তোক কোনে মাৰিলে?" বালকে উত্তৰ নিদিয়াত মাকে কলে "সেই মুখপোৰা হতভাগা মইনাই মোৰ লৰাক কন্দুৱাইছে চোৱাছোন, গাল খন ৰঙা পৰি আছে। আহা! মোৰ সোণক চাপৰ মাৰিলে। আহক আজি তাৰ হাৰ কেইদাল লেখি হে এৰিম।" তেতিয়া চপলাই ৰাতিপুৱাৰ কথা তুলিলে। যি হওক মহীধৰে বাচিলে, কেনেকৈ এই কথা উলিয়াব পাৰিম তাকেই ভাবি আছিল, এতিয়া সুবিধা পাই মহীধৰে কলে "এৰা ইয়াৰ নিমিত্তে যতে ততে কথা শুনিব লাগিছো। এতিয়া আহোতে পণ্ডিতে কিছুমান কথা কলে। লৰাটোক হেনো ভাত পানী নিদিয়াকৈ স্কুললৈ পঠিয়াই দিলা। লৰাটোৱে গৈ পণ্ডিতক ভাত খুজি খালে-গৈ। তুমিনো এনে কাম কিয় কৰা?" তেতিয়া চপলাই এনে দৰে বুজাই দিলে যে সেই সকলো মিছা ও সকলো মইনাৰ গাতে দোষ। চপলাই ইয়াকো বুজাই দিলে যে মইনা ঘৰত থাকিলে অনিষ্টৰ বাহিৰে ইষ্ট একো নাই। তেতিয়া মহীধৰে মাত লগালে "চোৱা-ছোন গাওঁৰ সকলো বিলাক মানুহে মোক হে বেয়া বোলে, মোক হে অধৰ্ম্মী বুলি কয়। বাৰু আজি মইনা আহক, তাৰে এদিন বা মোৰে এদিন।" তেতিয়া চপলাই বল পাই সাহ বান্ধি কবলৈ ধৰিলে "চোৱা, মুখপোৰাৰ ইমান বুদ্ধি, নিজে একো কথা কব নোৱাৰি গাওঁৰ মানুহ লগাই গিৰিহতক মাত খুৱায়। গাথীৰ

কল দি কি ইয়াকেহে পুহিঁছিলো।” তেতিয়া কথাষাৰ মহীধৰৰ মনৰ মতে হোৱাত হাহি চপলাৰ হাত ধৰি কবলৈ ধৰিলে ; “প্ৰিয়ে! তুমি মনে মনে থাকা, যি কৰিব লাগে মই কৰিম;” এই বুলি কৈ তাৰ পৰা গুছি গল। অলপ সময়ৰ পাছতে মইনা আহি ঘৰ ওলালহি। তেতিয়া দদায়েক মহীধৰে তাক মাতিলে; “মইনা, মইনা; অ মইনা এইফালে অলপ আহাছোন।” মইনাই এই কথা শুনি আনন্দত নাচি উঠিল। “বোধ হয় ইমান দিনে মোৰ ওপৰত দদাইৰ দয়াৰ সঞ্চাৰ হৈছে। ইমান দিনে ঈশ্বৰে মুখ তুলি চাইছে ” এই ভাবি, “গৈছো দদাই-দেউ” বুলি মাত লগালে। যাওতে ভাবিলে “বোধ হয় দদাইয়ে আজি মোক নতুন ধুতি কাপোৰ দিব,” এই ভাবি দদাইয়েকৰ গুৰি পালেগৈ। তেতিয়া দদাইয়েকে মইনাৰ হাতত ধৰি মেঘ-গৰ্জ্জনে কবলৈ ধৰিলে!

“বদমাইছ্, পাষণ্ড; নৰাধম! যাৰ খাই তোৰ ইমান তেজ তাৰ আজি সকলো শেষ কৰিম।” সেই কথা শুনা মাত্ৰকে মইনাই মৃত-তুল্য হৈ অধোমুখে ঠিয় দি ৰল। কি যে উত্তৰ দিব একো ভাবি নেপালে। এনে সময়ত বাটচৰাত গোলমাল শুনি চপলাই লৰি আহি কি কি কৰে তাকে চাই হাহিবলৈ বিষ্কা এটাইদি চাই আছিল। তেতিয়া আকৌ মহীধৰে কলে “তোৰ আজি কি শাস্তি হব কব পাৰ?।” এই বুলি কৈ টেবিলত থকা কলবাৰি দাল লৈ “তোৰ প্ৰায়চিত ল” বুলি ধম ধম কৈ মাৰি কল ডালৰ নিচিনা পোন কৰি পেলালে। মইনাৰ কান্দোন শুনি চপলাই চিক্ চিক্ কৰি হাহি আছিল। তেতিয়া মহীধৰৰ জীয়েক গুনৱতীয়ে ভায়েক মইনাক কি কৰিছে বুলি চাবলৈ আহি যি দেখিলে, তেতিয়াই চকু-পানী টুকি শোৱা পাটীত পৰি কান্দিব ধৰিলে গৈ।

“ধন্য চপলা! তই নাৰী-জন্ম নলৈ ৰাক্ষসীৰ জন্ম লোৱাহেতেন

থিনি উদ্দৰহ কৰি পেলালে। ইটো সিটোৰ পিছত অনেক কথা-বতৰা পাতিলে, কিন্তু মহীধৰে পণ্ডিতে কোৱা কথা কেইটা পাহৰা নাছিল। তথাপি চপলাৰ আগত কব পৰা নাই। এনে স্ত্ৰৈণ মানুহ।

এনে সময়ত মহীধৰৰ পুতেক কান্তিনাথে কান্দি কান্দি মাক বাপেকৰ আগত ওলালহি। এনেতে মাকে একে লৰে গৈ পুতেকক সাৱট মাৰি ধৰি কলে "কি মোৰ সোণ, তোক কোনে মাৰিলে?" বালকে উত্তৰ নিদিয়াত মাকে কলে "সেই মুখপোৰা হতভাগা মইনাই মোৰ লৰাক কন্দুৱাইছে চোৱাছোন, গাল খন ৰঙা পৰি আছে। আহা! মোৰ সোণক চাপৰ মাৰিলে। আহক আজি তাৰ হাৰ কেইদাল লেখি হে এৰিম।" তেতিয়া চপলাই ৰাতিপুৱাৰ কথা তুলিলে। যি হওক মহীধৰে বাচিলে, কেনেকৈ এই কথা উলিয়াব পাৰিম তাকেই ভাবি আছিল, এতিয়া স্থবিধা পাই মহীধৰে কলে "এৰা ইয়াৰ নিমিত্তে যতে ততে কথা শুনিব লাগিছো। এতিয়া আহোতে পণ্ডিতে কিছুমান কথা কলে। লৰাটোক হেনো ভাত পানী নিদিয়াকৈ স্কুলৈগৈ পঠিয়াই দিলা। লৰাটোয়ে গৈ পণ্ডিতক ভাত খুজি খালে-গৈ। তুমিনো এনে কাম কিয় কৰা?" তেতিয়া চপলাই এনে দৰে বুজাই দিলে যে সেই সকলো মিছা ও সকলো মইনাৰ গাতে দোষ। চপলাই ইয়াকো বুজাই দিলে যে মইনা ঘৰত থাকিলে অনিষ্টৰ বাহিৰে ইষ্ট একো নাই। তেতিয়া মহীধৰে মাত লগালে "চোৱা-ছোন গাওঁৰ সকলো বিলাক মানুহে মোক হে বেয়া বোলে, মোক হে অধৰ্ম্মী বুলি কয়। বাৰু আজি মইনা আহক, তাৰে এদিন বা মোৰে এদিন।" তেতিয়া চপলাই বল পাই সাহ বান্ধি কবলৈ ধৰিলে "চোৱা, মুখপোৰাৰ ইমান বুদ্ধি, নিজে একো কথা কব নোৱাৰি গাওঁৰ মানুহ লগাই গিৰিহতক মাত খুৱায়। গাথীৰ

কল দি কি ইয়াকেহে পুহিছিলো।” তেতিয়া কথাষাৰ মহীধৰৰ মনৰ মতে হোৱাত হাহি চপলাৰ হাত ধৰি কবলৈ ধৰিলে ; “প্ৰিয়ে! তুমি মনে মনে থাকা, যি কৰিব লাগে মই কৰিম;” এই বুলি কৈ তাৰ পৰা গুছি গল। অলপ সময়ৰ পাছতে মইনা আহি ঘৰ ওলালহি। তেতিয়া দদায়েক মহীধৰে তাক মাতিলে; “মইনা, মইনা; অ মইনা এইফালে অলপ আহাছোন।” মইনাই এই কথা শুনি আনন্দত নাচি উঠিল। “বোধ হয় ইমান দিনে মোৰ ওপৰত দদাইৰ দয়াৰ সঞ্চাৰ হৈছে। ইমান দিনে ঈশ্বৰে মুখ তুলি চাইছে ” এই ভাবি, “গৈছো দদাই-দেউ” বুলি মাত লগালে। যাওতে ভাবিলে “বোধ হয় দদাইয়ে আজি মোক নতুন ধুতি কাপোৰ দিব,” এই ভাবি দদাইয়েকৰ গুৰি পালেগৈ। তেতিয়া দদাইয়েকে মইনাৰ হাতত ধৰি মেঘ-গৰ্জ্জনে কবলৈ ধৰিলে!

“বদমাইছ্, পাষণ্ড; নৰাধম! যাৰ খাই তোৰ ইমান তেজ তাৰ আজি সকলো শেষ কৰিম।” সেই কথা শুনা মাত্ৰকে মইনাই মৃত-তুল্য হৈ অধোমুখে ঠিয় দি ৰল। কি যে উত্তৰ দিব একো ভাবি নেপালে। এনে সময়ত বাটচৰাত গোলমাল শুনি চপলাই লৰি আহি কি কি কৰে তাকে চাই হাহিবলৈ বিন্ধা এটাইদি চাই আছিল। তেতিয়া আকৌ মহীধৰে কলে “তোৰ আজি কি শাস্তি হব কব পাৰ?।” এই বুলি কৈ টেবিলত থকা কলবাৰি দাল লৈ “তোৰ প্ৰায়চিত ল” বুলি ধম ধম কৈ মাৰি কল ডালৰ নিচিনা পোন কৰি পেলালে। মইনাৰ কান্দোন শুনি চপলাই চিক্ চিক্ কৰি হাহি আছিল। তেতিয়া মহীধৰৰ জীয়েক গুনৱতীয়ে ভায়েক মইনাক কি কৰিছে বুলি চাবলৈ আহি যি দেখিলে, তেতিয়াই চকু-পানী টুকি শোৱা পাটীত পৰি কান্দিব ধৰিলে গৈ।

“ধন্য চপলা! তই নাৰী-জন্ম নলৈ ৰাক্ষসীৰ জন্ম লোৱাহেতেন

তোৰ জন্ম সাৰ্থক হলহেতেন। এতিয়াও চপলা তই মানবী আকাৰে ৰাক্ষসী। চপলা, তোৰ মনত নো অলপো দয়া মমতা নাইনে? তোৰ পুতেৰ জীয়েৰ যেনেকুৱা মইনাও তেনেকুৱা তোৰ পুত্ৰ হে; নহয়, নহয়, মইনাক কেতিয়াও তোৰ নিচিনা ৰাক্ষসীৰ পুত্ৰ বুলি কলঙ্কিত কৰিব নোৱাৰো। মইনা মানৱ আকাৰে দেৱতা। ৰাক্ষসীয়ে কেতিয়াও তেনে দেৱতুল্য পুত্ৰ লাভ কৰিব নোৱাৰে। চপলা, তই নাৰী নে পিশাচী? তই কেতিয়াও মৰম, দয়া বিলাব নোৱাৰ। আৰু তোৰ নিচিনা নাৰী পিশাচীৰ পৰা মৰম-দয়াৰ কোনেও প্ৰাৰ্থী নহয়। হায় মহীধৰ! তই আজি নৰমাংস ভোজন কৰিবি নেকি? নাৰীভীৰুৱা, কাপুৰুষ, নিষ্ঠুৰ, নিমৰমীয়াল, পাষণ্ড, নৰাধম, পাপাত্মা মহীধৰ! তই কি এই নিৰ্দ্দোষ বালকক এনে শাস্তি দি ৰক্ষা পাম বুলি ভাবিছ কেতিয়াও নাপাৱ। কুলাঙ্গাৰ, পামৰ, ঈশ্বৰে সকলো দেখিছে, অসুৰ, ইয়াৰ প্ৰতিফল সোনকালে ভোগিব পাবি। ধন্য তহঁত স্ত্ৰীপুৰুষ, ধন্য তহঁতৰ নিষ্ঠুৰতা, ধন্য তহতৰ ব্যৱহাৰ, ধন্য তহঁতৰ পিতৃ-মাতৃ-স্নেহ, ধন্য তহঁতৰ নৰজন্ম, ধন্য, শতবাৰ ধন্য। মইনা তুমি এই উপহাৰ লবলৈকে কি আজি নিজক নিজে ধন্য মানিছিলা। এই উপহাৰ লবলৈকে কি "গৈছো দদাইদেউ" বুলি বং-মনেৰে দদাইয়েৰৰ কাষলৈ গৈছিলি? আহা! এনে পিতৃ-মাতৃ হীন বালকৰ এনে দুৰ্দ্দশায়ে হৈ থাকে নেকি?

---

## ষষ্ঠ পৰিচ্ছেদ।

### নিৰুদ্দেশ।

বেলা প্ৰায় সাতটা, সকলো প্ৰাণীয়ে নতুন জীৱ পাই আনন্দত

মগ্ন হৈছে। গোটেই ৰাতি অন্ধকাৰত থাকি এতিয়া পোহৰ পাই চৰায়ে সুললিত সুৰেৰে আনন্দ মনে গান গাব ধৰিছে। ফুলে গছৰ ডালত পাৰে মানে ফুটিছেহে ফুটিছে। কোনোটি ৰঙা, কোনোটি বগা, কোনোটি হালধীয়া, কোনোটি কেচাপতিয়া, কোনোটি নিলবৰণীয়া হৈ ফুটি গোটেই ফুলনি আমোল-মোল কৰিছে। গছৰ পতো সূৰ্য্যৰ কিৰণ পাই চিকৃমিক্ কৰিব লাগিছে, এতিয়াও নিয়ৰৰ পানী সৰি আদায় হোৱা নাই। সেই ফুল-ভৰা ডালত চৰায়ে বহি কত ৰকমৰ খেলা কৰিছে। ভোমোৰাবিলাক আহি জাকে জাকে মধুৰ লোভত চাৰিওফালে গুণ-গুণাই আছে। পখিলাবিলাকো এই সময়ত থাকিব নোৱাৰি ফুলক গৈ চুমা এটি খাই তৃপ্তি লাভ কৰিছেগৈ। ইমানতো ফুলৰ পৰিত্ৰাণ নাই। বায়ু দেৱতায়ো তেওঁৰ ফুল-সখীক এৰিব নোৱাৰি মাজে মাজে চুমা এটি খাইছেগৈ। ফুল-কলিবিলাকে সিহতৰ গোপনীয় প্ৰেম পাৰে মানে লুকাই ৰাখিব খুজিছে, কিন্তু প্ৰেম কি লুকাই থাকে? সেই কাৰণে দিনটোৰ ভিতৰতে ফুল হৈ সকলোৰে আদৰ সন্মান লাভ কৰিছে। ইয়াতো ফুলৰ পৰিত্ৰাণ নাই, কোনো কোনো যুবকে সুন্দৰ ফুল বাচি সাদৰে হাতত তুলি কত যতনে চুমা খাইছে। কোনো কোনো যুবতীয়ে ফুলৰ লগত সখী পাতিবৰ নিমিত্তে খোপাত লগাই লৈ আহিছে। বামুণ ঠাকুৰবিলাকেও কম কৰা নাই, সিহতো দেৱতাৰ সৈতে বিবাহ দিবৰ নিমিত্তে ফুল-যুবতীক নিৰ্দ্দয় ভাবে ডালৰ পৰা বঞ্চিত কৰাই আনিছেগৈ। সকলোৰে মুখত হাহি।

মুখত হাহি নাই কাৰ? যি ধৰুৱা তাৰ আজি সুত বাঢ়িল, আৰু নাই বুঢ়াৰ, তাৰ এদিন আয়ু কমিল, আৰু কাৰ, যাৰ খাবলৈ নাই, সি আজি দিনটোৰ নিমিত্তে কত এমুঠি পাম এই বুলি ভাবি

আছে। আৰু নাই কাৰ, নতুনঘৈণীৰ, কাৰণ - আজি স্বামীয়ে তাইক এৰি ছৰ্কাৰী কামলৈ যাব, আৰু কন্যাৰ মাকৰ; কাৰণ আজি জীয়েকক উলিয়াই দিব। আৰু নাই কাৰ......কাৰ......কাৰ. আমাৰ মইনাৰ।

মনত সুখ হল কাৰ, ফাটেকীয়ালৰ, কাৰণ আজি এদিন কম হল। আৰু কাৰ কেঞা মহাজনৰ, কাৰণ ধৰুৱাবিলাকৰ সুত বঢ়ালে। আৰু কাৰ, নব বিবাহিতাৰ, কাৰণ আজি জীৱন-সঙ্গিনী এদিন পুৰণি হল। আৰু কাৰ, দৰাৰ মাকৰ; কাৰণ আজি নতুন বোৱাৰীয়েকক ঘৰলৈ আনিব। আৰু কাৰ আমোলা মহৰীৰ, কাৰণ আজি দৰমহা পাব। আৰু কাৰ, প্ৰেমিক-প্ৰেমিকাৰ; কাৰণ আজি পুনৰ মুখ-দৰ্শণ পাব। আৰু কাৰ,......কাৰ......কাৰ, আমাৰ মহীধৰ ও ঘৈণীয়েক চপলাৰ, কাৰণ আজি ৰাতি মইনা পলাই গল।

এনে সময়ত নৈৰ ঘাটত চাৰি জনী তিৰুতাই কথা পাতি আছে। তাৰে কিছুমান পাঠক-পাঠিকাসকলক শুনাও।

প্ৰঃ—আজি হেনো মহীধৰে মইনাক খেদাই দিলে।

২য়—এৰা, মইও আমাৰ ৰবটো লৰাৰ মুখে তেনেকৈ শুনিছো।

৩য়—আহা! কুমলীয়া, গাখীৰ খোৱা লৰাটোক এনে কৰিব পায়নে? এতিয়া........এনেতে চতুৰ্থই মাত দি কলে।

৪ৰ্থ—সেই মইনা মাক বাপেক নোহোৱা লৰাটোক। আইঐ দেহি! আজিকালি দেশ তেনেই উলটিল। সেই লৰাটোকনো ইমান ধনী মানুহ হৈ পুহিব নোৱাৰিলে নে? আহা, লৰাটো কেচা সোণ যেন হে, মই যদি যাবৰ সময়ত দেখা পালোহেতেন মোৰ কাষতে থৈ পুত্ৰৰ হেপাহ পলুৱালোহেতেন। দেহি ঐ! এতিয়া লৰাটো বা কত আছেগৈ, খাবলৈ নেপাই কিমান দুখ পাইছে চাগৈ।

৩য়—এতিয়া লৰাটো আমাৰ ঘৰতে আছে। পিচে কেনেবাকৈ যদি চপলাই খবৰ পায়, সেই ভয়তে কাকো কোৱা নাই। গিৰিহতেও কাকো নকবলৈ মোক বাৰে বাৰে কৈছিল। কিন্তু তহঁত মোৰ আপোন, তহঁতৰ আগত কলে একো নহয়। তহঁতেতো লোকক কৈ নিদিয়গৈ? ৰাতিপুৱা আমাৰ তেখেতে শৌচ্ কৰিবলৈ যাওতে বাটতে বহি কান্দি থকা দেখা পালে। তেখেতে শোধাত লৰাই দদাইয়েকে মাৰি তাক খেদাই পঠাইছে বুলি কলে। লৰাটো মাৰ কিলৰ বিষত খোজ কাঢ়িব নোৱাৰি আলিতে বহি কান্দি আছিল। তেখেতে লৰাটোক আদৰ সাদৰ কৰি আনি গাটো মালিছ কৰি দিয়াত এতিয়া বহি লৰাই ভাত এগৰাহ খাইছে। দেহি ঐ! এই হেন লৰাক দুখ দিছে বাৰু ঈশ্বৰে কি দেখা নাই?

পাঠক এতিয়া চোৱাছোন, নাৰীৰ পেটত কিবা লুকাই ৰাখিব পাৰি নে? তাইৰ স্বামীয়ে বাৰে বাৰে নকবলৈ কোৱাতেও কৈ পেলালে। সিহঁতৰ পেটত থাকিবৰা কিয়? আগৰ ধৰ্ম্মপুত্ৰৰ শাপ আছে নহয়? যেতিয়া যুদ্ধত কৰ্ণ মৰে তেতিয়া কুন্তীয়ে "কৰ্ণ তহঁতৰ ককাইয়েৰ" বুলি সকলো কথা ভাঙ্গি কলে। তেতিয়াই যুধিষ্ঠিৰে নাৰীৰ গৰ্ভত একো কথা নেথাকিবলৈ শাপ দিয়ে। সেই কাৰণে সিহঁতক বিশ্বাস কৰি আছল কথা নকবা।

২য়——এৰা, নেদেখিছা নহয় চপলা কেনে বিধৰ মানুহ, সেই কালসৰ্পীয়ে ঘাই, সেইদিনানো কিমান মোৰ লগত কাজিয়া লাগিল। কাৰ লগতনো তাই দন্দ কাজিয়া নকৰাকৈ আছে? কোনেনো ভাল বোলে।

প্ৰঃ——এৰা সেই দিনা খন নো বজাৰ নে গাওঁ কৰই নোৱাৰি। তাইৰ মুখখনি ইমান আঁথৈ ফুটাদি ফুটে এনে মানুহ ... ........।

তেতিয়া তৃতীয় জনীয়ে বাধা দি কলে "সোৰা দেখিছা নহয়, চপলা আহিছে মনে মনে থাকাহক । চপলা নেপাওতেই আমালোকে ইয়াৰ পৰা যাও" এই বুলি চাৰিওজনীয়ে কলহ লৈ পানীলৈ নামি গল। পানী লৈ থাকোতেই চপলা আহি পালেহি। তেতিয়া চপলাই মাত লগালে। "এতিয়া মোক অহা দেখি যাবলৈ ওলাইছ।" তেতিয়া তৃতীয় জনীয়ে মাত লগালে "নহয় আইদেও, এতিয়া মতা মানুহবিলাক ঘাটলৈ অহাৰ সময় হৈছে, সেই কাৰণে যাবলৈ ওলালো।" তেতিয়া চপলাই মাত লগালে, "আহক মতা মানুহ, সেই বুলি সিহতৰ নিমিত্তে ঘাট এৰি দিম নেকি? এনে সময়ত চপলায়ো পানী লৈ পাৰত উঠিল। পাচোজনীয়ে কথা-বতৰা নপতাকৈ ঘৰা ঘৰি গুছি গল।"

পাঠক সকল! বোধ হয় তিৰুতা চাৰিজনীক চিনিব পৰা নাই। চতুৰ্থ জনী আমাৰ পণ্ডিতৰ ঘৈণীয়েক বসুন্ধৰী, তৃতীয় জনী বসুন্ধৰীৰ ভনীয়েক শান্তী। প্ৰথম জনী বসুন্ধৰীৰ সখীয়েক। ২য় জনী বসুন্ধৰীৰ ভায়েকৰ ঘৈনীয়েক।

প্ৰায় চাৰি মাহ মান শান্তিৰ ঘৰতে মইনা আছে। এই কেইমাহ মইনাই যেনে সুখত আছে তেনে সুখ দদাইয়েকৰ ঘৰত এদিনো পোৱা নাছিল। শান্তিয়ে নিজৰ পুতেকৰ নিচিনা লালন-পালন কৰিবলৈ ধৰিলে। শান্তিৰ স্বামী গনেশেও মইনাক বৰ মৰম কৰে। অইন কি এই চাৰি মাহৰ ভিতৰত, শান্তি গণেশে এনে ভাল পাইছিল যে সিহত দুয়ো মইনাক এখন্তক নয়নান্তৰ হব নিদিছিল। কাৰণ শান্তিৰ একমাত্ৰ জীয়েক মালতীৰ বাহিৰে কোনো নাছিল। বোধ হয় সেই কাৰণে পুত্ৰৰ নিচিনাকৈ মালতীক সাৱটি ধৰিছিল। তাৰ বহুত দিন পাছত এদিন নিশা প্ৰায় দুপৰ, এনে সময়ত মইনাই শোৱা কুঠৰীত বহি ভাবিবলৈ ধৰিলে, "মই এই ক্ষুদ্ৰ পৰিয়ালৰ কিয়

গলগ্ৰহ হৈ থাকো; এওঁবিলাকে পিতা-মাতাৰ নিচিনাকৈ লালন-পালন কৰিছে, যিমান পাৰে মোক সুখত ৰাখিবলৈ চেষ্টা কৰিছে। কিন্তু মই অভাগাই তেওঁলোকৰ কি উপকাৰ কৰিছো। বৰং লোকছানৰ ভাগহে বেছি কৰি দিছো। নহয় আৰু এক মূহুৰ্ত্তও গলগ্ৰহ হৈ নেথাকো। সচা, মই গলে শান্তিৰ মনত বেজাৰ লাগিব, কিন্তু সেই বেজাৰ অলপ দিনীয়া মথোন, সোনকালে পাহৰি যাব। এতিয়া মই বেছ খোজ কাঢ়িব পাৰো, হাত ভৰিত একো বিষ নাই। কিন্তু মই মালতীক পাহৰিব নোৱাৰিম, মালতীয়ে মোক কেনেকৈ ককাই বুলি চাহ আনি হাতেৰে তুলি খুৱাই কিমান মৰম কৰিছিল। মোক কন্দা দেখিলে মালতীয়ে কেনেকৈ কান্দি পেলায়। অৱশ্যে মই গলে মালতীয়ে বেজাৰ নেপাব, এনে কথা কব নোৱাৰি। আহা মালতি! মই যে আজি তোমাক এৰি পথৰ ভিখাৰী হম গৈ। হায় মালতি! তুমি ৰাতিপুৱা কাক ককাই বুলি জগাই আনি 'চাহৰ' বাতি দিবা। তুমি এতিয়া মাৰৰ লগত শুই আছা। নহলে মই তোমাৰ ওচৰত শেষ বিদায় ললোহেতেন। নহয় মালতি! কেতিয়াও বিদায় লৈ যাব নোৱাৰিম, সেইটো মই বেছ জানো। তথাপি মালতি! যোৱাৰ সময়ত তোমাৰ নাম ধৰি গৈছো, তুমি মোক ক্ষমা কৰিবা। নহয়, নহয় মোক ক্ষমা নেলাগে, যি নৰাধমে চোৰৰ নিচিনাকৈ পলাই যায় তাৰ আৰু কিহৰ ক্ষমা। তথাপি মালতি! মোৰ নিমিত্তে বেজাৰ নকৰিবা। নহয়, উঃ মালতি! তোমাৰ ঘৰৰ সাজ-কাপোৰ সোলোকাই ইয়াতে থলো। আহিছিলো যেনেকৈ যাও তেনেকৈ” এই বুলি পগলাৰ নিচিনাকৈ ফটা কোট এটা, ধুতি এখন লৈ শোৱা কোঠাৰ পৰা ওলাই আহিল। তাৰ পাছত মালতীয়ে শোৱা কোঠালৈ চাই কিবা ভাবি “মালতি” বুলি মাত লগাই ঘৰৰ পৰা বাহিৰ হৈ ওলাই গল। যাব

কলৈ, কি কাৰণে যাব, তাৰ স্থিৰতা নাই। উদ্দেশ্যবিহীন হৈ আলিয়ে আলিয়ে গৈ থাকিল। হায় মইনা! আশ্রয় পাবাও নাথাকা! যাবৰ সময়ত বিদায় নলৈ চোৰৰ নিচিনা পলাই আহিছা। এইটো কি তুমি ভাল কাম কৰিলা? বোধ হয় যদি দদায়েৰে কেনেবাকৈ শান্তিৰ ঘৰত তুমি থকা বুলি জানে, তেন্তে শান্তিৰ বেয়া হব, নিজৰো বেয়া হব, সেই ভাবিহে সিহঁতৰ বিদায় নোলোৱাকৈ আহিছা। আক বিদায় লৈ তুমি আহিবও নোৱাৰা। কাৰণ তেওঁবিলাকে তোমাক নপঠায়। আমিও তাকে কও, "নিজৰ ফালে যি দুখ হয় হওক, কিন্তু আনক মোৰ নিমিত্তে দুখ লাঞ্ছনা সহিবলৈ নিদিও।" বোধ হয় বহুত দূৰত যত দদায়েৰে তুমি থকাৰ কথা নেজানে তাত আশ্রয় পালে থাকিবা। যোৱা মইনা যোৱা, ঈশ্বৰে তোমাৰ ভাল কৰিব।

আহা মালতি! তোমাৰ বাল্য বন্ধুৰে তোমাক একো নোকোৱাকৈ গুচি গল। নহয় যাওতে "মালতী" বুলি মাত লগাই গৈছে। কিন্তু মালতি! তুমি শুই থকাত একো গম নেপালা। তুমি যদি যোৱাৰ সময়ত তোমাৰ বাল্য-সহচৰ ভাবী স্বামীক দেখা পালাহেতেন তেন্তে বোধ হয় কেতিয়াও যাব নিদিলাহেতেন।

---

## সপ্তম পৰিচ্ছেদ।

### মালতী।

নিশাদেবী সূৰ্য্য-দেৱতাৰ আগমন দেখি দূৰত ওৰণি লৈ পলাবলৈ ধৰিছে। গছৰ টোপাল এতিয়াও টপ টপকৈ পৰিয়েই আছে। পক্ষী-

বিলাকেও নিজৰ বাহতে ৰী-ৰী, ৰা-ৰা, কা-কা, কু-কু কৰিব লাগিছে। ৰাতিপুৱাৰ চেঁচা বতাহ পাই সকলো জীৱ-জন্তুৱে জাগিব ধৰিছে।

এনে সময়ত মালতী কত আছে? কত, শোৱা পাটীত। পাঠক আহকছোন, আমি মালতীৰ খবৰ লৈ আহোগৈ। চাৱক পাঠক, মালতী বহি কি কৰিছে! মনে মনে গুণ গুণ কৰি কি কৈছে। আহক পাঠক, অলপ আগ বাঢ়ি কি কৈছে শুনোগৈ।

মালতী--বোধ হয় মোৰ আজি কিবা ঘটিব, পুৱাৰ সপোন বৰ সম্ভৱ। যেনে কু-সপোন দেখিলো মনত আনিবই নেপায়, এতিয়াও মোৰ বুকু ধপ্ধপাই আছে। চকু-লো এতিয়াও শুকোৱা নাই। বোধ হয় বৰ ডাঙৰকৈ কান্দিছিলো। আহা! মইনাই মই সপোনত কন্দা শুনিলে নেকি? যদি শুনিছে; মোক কি বুলি ভাবিব——এই বুলি আকৌ শুই পৰিল; আকৌ উঠিল, উঠি বহিল, বোধ হয় আৰু মুগুৰে। আহা মালতি! তুমি মইনাই তোমাৰ কান্দোন শুনিছে বুলি ভাবিছা, যোৱা চোৱাগৈ তোমাৰ হৃদয়-ৰত্ন তাত নাই; তোমাক যে এৰি গুছি গল। হায় মালতি! তাক তুমি এতিয়াও জনা নাই।

ক্ৰমান্বয়ে পোহৰ হৈ আহিল। মালতীয়ে মইনাক জগাবৰ নিমিত্তে মইনাৰ শোৱা কুঠৰীৰ ফালে খোজ ললে। মইনাৰ শোৱা কুঠৰী পাইয়েই "ককাইদেউ উঠা" বুলি দুৱাৰত খুন্দিয়াই দিয়া মাত্ৰকে দুৱাৰ খুলি গল। মালতীয়ে ভিতৰলৈ গৈ দেখে যে মইনা নাই; মইনাৰ সকলো ধুতি, কোট, পৰি আছে। মালতীয়ে ভাবিলে "বোধ হয় শৌচ কৰিবৰ নিমিত্তে গল।" কিন্তু কতা, দুই তিনি ঘণ্টা বাটলৈ চাই থাকিও মইনাক নহা দেখি মালতীয়ে মইনাৰ কুঠৰীলৈ গৈ সকলোবিলাক বস্তু ইলুটি-সিলুটি কৰি চালে। অৱশেষত গাৰুৰ তলত এখন চিঠি দেখা পালে।

চিঠি তুলি চাই দেখে যে মালতীৰে চিঠি। তেতিয়া মালতীয়ে চিঠি-খনি পঢ়ি যাওতে বহি পৰিল, এবাৰ, দুবাৰ, তিনিবাৰ পঢ়িলে; পঢ়ি চকুলো টুকিলে। চিঠিৰ মৰ্ম্ম এই।——

শ্ৰীহৰি। কাল ৰাতি ১২টা।

মৰমৰ মালতি—এই অভাগাই আকৌ পথৰ ভিখাৰী হবলৈ ওলালো। তোমালোকৰ অনেক আহাৰ মই শেষ কৰিলো। তোমালোকৰ কেনেকৈ সংসাৰ চলিছে তাক মই বেছ জানো। সেই কাৰণে মালতি! মই আৰু তোমালোকৰ গলগ্ৰহ হৈ থাকিব নোৱাৰো। যদি ঈশ্বৰে অভা-গাৰ ফালে কেতিয়াবা মুখ তুলি চায়, তেতিয়া অৱশ্যে যিমান পাৰো ঋণ পৰিশোধ কৰিবলৈ চেষ্টা কৰিম। সচা, মই অহাত তোমাৰ পিতৃ-মাতৃয়ে মনত বেজাৰ পাব, কাৰণ তেওঁবিলাকে মোক নেদে-খাকৈ একতিলো থাকিব নোৱাৰে; মোক তেওঁবিলাকে পুত্ৰৰ নিচিনা দেখিছিল। আৰু মইও তেওঁলোকৰ নিজৰ পিতৃ-মাতৃৰ নিচিনাকৈ জ্ঞান কৰিছিলো। সেই কাৰণে এই হতভাগাই তেওঁবিলাকৰ উদ্দেশ্যে আন্তৰিক ভক্তিভাৱে সহস্ৰবাৰ প্ৰণাম কৰিছে। যেন তেওঁবিলাকে মই অহাত একো বেজাৰ নেপায়। আৰু মই বিদায় খুজিলেও, তেওঁবিলাকে কেতিয়াও বিদায় দিব নোৱাৰে। সেইটো মই বেছ জানো। সেই কাৰণে মই চোৰৰ নিচিনাকৈ পলাই আহিবলৈ বাধ্য হলো। আৰু এটা কথা ভাবি চোৱা, যদি কেনেবাকৈ দদাইদেৱে মোক তোমালোকৰ ঘৰত থকা বুলি খবৰ পায়, তেতিয়া তেওঁ তোমা-লোকৰো শত্ৰু হব, আৰু মোৰো ৰক্ষা নেথাকিব। সেই কাৰণে মোৰ যি হয় হওক, তথাপি মোৰ নিমিত্তে যেন তোমালোকৰ ভৱিত্যে কাঁইট এডালো নিবিন্ধে, এইহে মোৰ অভিলাষ। মালতি! তোমাক

কি কম, তুমি যে মৰ্ম্মান্তিক বেজাৰ পাবা, তাক মই বেছ জানো; মই তাৰ মূল কাৰণ। মইও যে তোমাৰ বিৰহত বেজাৰ নেপাম সেইটো কেতিয়াও নেভাবিবা। কিন্তু মালতি! মই সকবে পৰা সকলো দুখ বেজাৰ সহ্য কৰি আহিছো। এই তাপকো সহ্য কৰিম। কিন্তু মালতি! তুমি কেতিয়াও দুখ বেজাৰ কাক বোলে বুজি পোৱা নাই। তুমি কেনেকৈ সহ্য কৰিবা? তুমি যিমান মৰম কৰিছিলা সেই সকলোবিলাক এই হতভাগাই অতুলনীয় ধন সম্পত্তিৰ নিচিনাকৈ সাদৰে হৃদয়ত থৈছে। আৰু যেতিয়ালৈকে নমৰো তেতিয়ালৈকে সেই ধন সম্পত্তি অন্যে ভোগ কৰিব নোৱাৰে। মই কত কেনেদৰে থাকিম তাৰ স্থিৰতা নাই। সেই কাৰণে তোমালোকে মোক বিচাৰি হাবাথুৰি নেখাবা। যদি ঈশ্বৰে ভালে ৰাখে তেন্তে অৱশ্যে এদিন নহয় এদিন দেখা পাম। মালতি! ৰাতি পুৱাই আহিছে, আৰু থাকিব নোৱাৰো। মালতি! মোক ক্ষমা কৰিবা নে? তেন্তে বিদায়!! বিদায়!!! ইতি।

তোমাৰ<br>
হতভাগা মইনা।

তাৰ পিছত মালতীয়ে চিঠি খনি ভালকৈ সামৰি নিজৰ আছলত বান্ধি তাৰ পৰা ওলাই আহিল। এনেতে শান্তিয়ে দেখা পাই শুধিলে "কি হৈছে মালতি, তোৰ আজি এনে ভাব কিয়, কিবা অসুখ হৈছে নেকি?" তেতিয়া মালতীয়ে সকলো কথা কৈ অৱশেষত চিঠিৰ আগ ভাগ পঢ়ি শুনালে। তেতিয়া শান্তিয়ে "হা ঈশ্বৰ!" বুলি তাতে বহি পৰিল। এনে সময়ত গণেশ আহি ওলালহি। শান্তিয়ে কন্দা দেখি গণেশে সুধিব নোৱাৰিলে। তেতিয়া মালতীয়ে চিঠিৰ আগ ভাগ পঢ়ি শুনালে। তেতিয়া গণেশে "কি! মইনা গুছি গল" এই বুলি চকি এখনতে বহি পৰিল। যদি সেই সময়ত তাত বজ্-

পাত হলহেতেন, তথাপি ইমান চকু—খাই গলহেতেন নে নগল-হেতেন সন্দেহ। তেতিয়া গণেশে খবৰকৈ কোট্‌তো পিন্ধি মইনাৰ উদ্দেশ্যে ষ্টেছনলৈ গল। ষ্টেচনত গৈ দেখে যে অনেক যাত্রী ৰেলৰ অপেক্ষাত বহি আছে। কিন্তু মইনা নাই। ভাবিলে "বোধ হয় মোক দেখি কোনোবা ফালে যাব পায়" এনে সময়ত ৰেল আহি ষ্টেছন পালেহি, সকলো যাত্রী ৰেলত উঠিল। অলপ সময়তে ৰেল এৰি দিলে। তথাপি গণেশে মইনাক দেখা নেপালে। ভাবি চিন্তি হতাশ মনে ঘৰলৈ উভতি আহিল। এনেতে মালতী আহি "পিতা, তেওঁৰ খবৰ পালা নেকি ?" বুলি সোধাত বাপেকে "নেপালো" বুলি উত্তৰ দিলে। সেই দিনা আৰু সেই পৰিয়ালৰ চকু চোকাত নুঠিল। সকলো কিংকৰ্ত্তব্যবিমূঢ় হৈ বহি থাকিল।

এইদৰে প্রায় দুই সপ্তাহ বিচাৰি নেপাই গণেশ আৰু শান্তিয়ে মই-নাৰ আশা এৰি দিলে। কিন্তু মালতীয়ে কি তাৰ আশা অলপো এৰিব পাৰিছে ? মালতীয়ে কেতিয়াও এৰিব পৰা নাই। যিমান দিন পাৰ হৈ গৈছে সিমান তাইৰ বেজাৰ বাঢ়ি গৈছে। কি কৰিলে আকৌ মইনাক পাব, তাকেহে চিন্তে। যদি মালতীয়ে সৰ্বস্ব দিলেও আকৌ মইনাক পায়, তাতো কুণ্ঠিত নহয়। আজি মালতীয়ে দুই সপ্তাহ আহাৰ কৰা নাই বুলিলেও বৰ মিছা কোৱা নহয়। মালতীৰ নিদ্রা নাই, ভোক নাই, পিয়াহ নাই, একমাত্র মইনাক ভাবিয়েই আকুল। চোৱা পাঠক ! মালতী কেনেকৈ মাটিত শুই আছে। যি মালতী আগেয়ে পালেঙত শুই তৃপ্তি নাপাইছিল, যি মালতীয়ে দুখ বেজাৰ, মনস্তাপ কাক বোলে নেজানিছিল, সেই মালতী আজি শৰ্য্যাত পৰি গোটেই সংসাৰখনত চকু মুদি মইনাক বিচাৰিছে। কতো নেপাই উচপি, উচপি, কান্দিছে। যি চুলিত

এদিন আতৰ ঘহিলেও মন পূৰা নহৈছিল, সেই চুলি আজি আউল, বাউল হৈ মাটিৰ লগত খেলা পাতিছে। এনেতে মালতীয়ে বহি হাত যোৰ কৰি কলে "হা ঈশ্বৰ সৰ্ব্বব্যাপী! তুমিয়েই জানা মইনা কত আছেগৈ। যদি এই অভাগিনীৰ কাকুতি শুনি বেজাৰ লাগিছে, তেন্তে মইনাক আকৌ মোৰ ওচৰলৈ আনি দিয়া। এইবাৰৰ পৰা এনেদৰে বিহাৰ আচলেৰে বান্ধি থম, যাতে কেতিয়াও পলাব নোৱাৰে। তোমাক সকলোৱে করুণাময় বুলি কয়। কতা, মোৰ এই দুখত করুণা প্ৰকাশ কৰিলা? আহা নকৰা; নকৰা, মই হতভাগিনীয়ে আপোনাৰ অন্তঃকৰণ কোমলাব নোৱাৰো। নহয়, ঈশ্বৰ তুমি করুণা-ময় নোহোৱা? তুমি নিষ্ঠুৰ, নিমৰমীয়াল; যদি নিষ্ঠুৰ নহলহেতেন, তেনেহলে তেওঁক চিনাই দিলা কিয়? মই যাক চিনি নেপাও তাক মোক কিয় চিনাই দিলা? চিনালা যদি আকৌ লৈ গলা কিয়? আঁতৰালা যদি পাহৰিব নিদিয়া কিয়? যাক নেপাও তাৰ নিমিত্তে কান্দি কান্দি চকু যাব, এয়েই কি তোমাৰ ইচ্ছা? তেওঁ গল, তেওঁৰ ভাল পোৱা নেযায় কিয়? চিৰদিনৰ নিমিত্তে যাক চকুৰ আতৰ কৰিলা, অন্তৰৰ পৰা আতৰ নকৰা কিয়? যাক মই পাহৰো, পাহৰো বুলি মনত ভাবো, তাক পাহৰিব নোৱাৰো কিয়? এইয়ে তোমাৰ নিয়ম নেকি? এই সকলো তোমাৰ বাহিৰে অন্যেতো কৰা নাই। ইচ্ছা কৰিলেই সকলো কৰিব পাৰা। মোৰ অকলে নহয়, সকলো সংসা-ৰৰে ইমান দুখ কিয়? সুন্দৰ ফুলত বিষাক্ত পোক কেলেই? চন্দ্ৰত কলঙ্ক কিয়? মানুহৰ হৃদয়ত নৈৰাশ কিয়? মানুহৰ গাত ৰোগ-শোক কিয়? প্ৰণয়ত বিৰহ কিয়? আশাত অবিশ্বাস কিয়? মানুহ স্বাৰ্থপৰ কিয়? পৰৰ দুখ পৰে নুবুজে কিয়? দুঃখ-প্ৰকাশৰ ভাষা নাই কিয়? যি বুকুৰ ভিতৰত হু, হু, কৰে, সি মুখত নুফুটে কিয়? পদুম বোকাত

কিয়? মুকুতা গেলা শামুকৰ পেটত কিয়? অমৃতত বিহ কিয়? মানুহে যাক চায় তাক নেপায় কিয়? যাক চায়ও ভাল পায়, তাক হেৰুয়ায় কিয়? হেৰায় যদি সেই দিনাই সিও নমৰে কিয়? সেই কাৰণে কোনোবা যদি ঈশ্বৰ আছ, তেন্তে সি বৰ নিষ্ঠুৰ। যি লোকৰ দুখ নুবুজে, যি লোকৰ মুখ নেচায় তাৰ ভৰিত পৰি কান্দিলে নুশুনে—সি বৰ নিৰ্দ্দয়।" এইবিলাক কিবা কিবি পাগলীৰ নিচিনা বকি তাৰ পৰা উঠি গল।

---

## অষ্টম পৰিচ্ছেদ।

### মইনা।

মইনাই গণেশৰ ঘৰৰ পৰা ওলাই আহি ক্ৰমান্বয়ে দক্ষিণ পথ ধৰি যাবলৈ ধৰিলে। বহুত দূৰ গৈ ভাগৱত লৰাই গছৰ তলতে বহিল। বহি ভাবিলে "এতিয়া কলৈ যাও, ভোক লাগিছে, আৰু খোজ কাঢ়িবও নোৱাৰি, ভৰি কেইটা পুৰিছে— এই নদীখনতে অলপ পানী খাই ভাগৰ গুছাও" এই বুলি গছতলৰ পৰা পানী খাবৰ মনেৰে পানীলৈ নামিল। যিমান পিয়া, দৰকাৰ সিমান পান কৰি আকৌ ঈশ্বৰক ভাবি এক মনে যাবলৈ ধৰিলে। এনেকৈ দহ যাৰ মাইল গৈ আৰু যাব নোৱাৰি আকৌ গছৰ ছাঁত বহি পৰিল। অলপমান পিছত "হা ঈশ্বৰ! তুমিয়েই জানা মই আৰু কিমান দুখ সহ্য কৰিব লাগিব—আজি প্ৰায় তিনি দিন খোৱা নাই, নেখাই মৰিলেই কি তোমাৰ মনোবাঞ্ছা পূৰ্ণ হয়, তুমি ইমান নৰ-

১৫২৮/অ:

নাৰীক ও পশু-পতঙ্গক খাবলৈ আহাৰ ও থাকিবলৈ ঠাই দিছা, কিন্তু মোৰ নিমিত্তে এই বিশ্ব-সংসাৰত তেনে ঠাই এডোখৰ নাই। হা ঈশ্বৰ! মোৰ যি হয় হওক, কিন্তু মোৰ নিমিত্তে যেন সেই...... হায়, কি বুলি কম, সেই দেবীক কোনো বেজাৰৰ অধীন হব নিদিয়া, এই হে মোৰ প্ৰাৰ্থনা। হায়! মালতীয়ে যেন মই অহাত গোটেই সংসাৰ অন্ধকাৰময় দেখিছে। যোৱা ঈশ্বৰ,, মোৰ যি হয় হওক, সেই করুণ-হৃদয়া দেবীৰ অন্তৰত শান্তি দিয়া হৈ। হায় মালতী!" এই বুলি মইনা ঢাল খাই পৰিল। বহুত পৰৰ মূৰত চেতন পাই দেখে যে প্ৰায় চাৰিটা বাজিছে। তেতিয়া মইনাই উঠিবলৈ চেষ্টা কৰিলে। কিন্তু দুই দিন অনাহাৰ ও মনৰ অশান্তিত দুৰ্ব্বল গতিকে বল দিও খোজ এটা দিব নোৱাৰিলে। সেই ৰাতিও হতভাগা মইনা গছৰ তলতে পৰি থাকিল। ৰাতিপুৱা যেতিয়া চকু মেলি চায়, তেতিয়া তাক পেটৰ পোৰণি ও পিয়াহে একেবাৰে দুৰ্ব্বল কৰি পেলাইছে। এনে সময়ত দূৰৰ পৰা "হৰি বোল, হৰি বোল" ধ্বনি মইনাৰ কাণত পৰিল। ক্ৰমান্বয়ে "হৰি বোল" শব্দ ওচৰ চাপিল, তেতিয়া মইনাই দেখা পালে যে, এজাক ফকিৰ ভিক্ষাৰ উদ্দেশ্যে "হৰি বোল, হৰি বোল" কৰি হৈছে। মইনাৰ মন হল যেন সিহতৰ লগতে যোগ দি ভিক্ষাৰ্থে গমন কৰে। কিন্তু লাজ আহি সকলো খিনি দমাই থলে। এনে সময়ত আৰু কিছুমান ফকিৰ অহা দেখা পাই মইনাই গাত যিমান বল আছিল, সকলো খিনি লগ লগাই থিয় হল। তেতিয়া সেই ফকিৰ কেটাৰ লগত যোগ দি মইনায়ো ভিক্ষাৰ উদ্দেশ্যে গল। ক্ৰমান্বয়ে ফকিৰবিলাক ইঘৰ-সিঘৰ কৰি ভিক্ষাৰ কাৰণে নিজৰ নিজৰ পথ অৱলম্বন কৰিলে। কিন্তু মইনাই এঘৰতো ভিক্ষা খুজি লব নোৱাৰিলে। অৱশেষত এঘৰ ধনী মানুহৰ ঘৰত সোমাই "উঃ ৰাম হৰি, আইতা

মোক এগাল ভিক্ষা দিয়ক ; অনেক দিন অনাহাৰে আছোঁ” বুলি কান্দি পেলালে। তেতিয়া ঘৰৰ গৃহিণী আহি মাত লগালে “বোপাই তুমি কত থাকা, কৰ পৰা আহিছা, তুমি দেখোন কান্দিছা? তোমাক দেখি ভাল ঘৰৰ লৰা বুলি বোধ হয়। যদি বেয়া নোপোৱা সকলো পৰিচয় দিয়া।” এই বুলি গৃহিণী দুখ মনেৰে বৈ থাকিল।

মইনা——আইদেউ! এই দাসৰ জীৱন-কাহিনী আপুনি শুনিব নেলাগে। এনেকুৱা দুৰ্ভগীয়া লৰাৰ যি হব লাগে সেইয়ে হৈছে।

গৃহিণী——তুমি সকলো কথা ভাঙি কোৱা। তাত মই একো বেজাৰ নেপাও। আৰু মোৰ পৰা লাজ-অপমান একো নোপোৱা। মই যিমান পাৰো তোমাক সহায় কৰিবলৈ চেষ্টা কৰিম।

মইনা——আইদেউ! যদি আপোনাৰ একান্ত শুনিবৰ মন হৈছে, তেন্তে শুনক। সৰুতে মোৰ পিতা-মাতাৰ মৃত্যু হয়। ময়ে তেওঁবিলাকৰ মৰমৰ আছিলো। মোতকৈ ডাঙৰ এজন আছিল। পিতা-মাতাৰ, ককাইদেও আৰু মোৰ বাহিৰে অন্য সন্তান নাছিল। পিতাৰ মৃত্যু হোৱাৰ ছ মাহ মানৰ পাছতে আইতাৰ মৃত্যু হয়। তেতিয়া মই একেবাৰে সৰু, অলপ অলপ মনত পৰে। যেতিয়া পিতা-মাতাৰ মৃত্যু হয়, তেতিয়া ওচৰত থকা বুঢ়ী এজনীয়ে আমাক দুই-য়োকো লালন-পালন কৰে। যেতিয়া সেই বুঢ়ীৰ মৃত্যু হল, তেতিয়া মোৰ বয়স চাৰি বছৰ, তেতিয়া দদাইদেৱে আমাৰ দুইৰো ভাৰ লয়। আগেয়ে পিতা ও দদাইদেৱৰ ভিতৰত দন্দ লাগি দুইয়ো বেলেগ হৈছিল। খুৰীদেও বৰ কালসৰ্পী। তেওঁৰ আদেশ মতে দদাইদেৱে চলে। কিছুমান দিনৰ পাছৰ পৰা আমি দুইকো গালি-সপনি আন কি মাৰ-কিল সোধাবলৈ ধৰিলে। সিহতৰ লৰা কেটাই আমাৰ আগতে অনেক ভাল ভাল বস্তু খায়। আমি কত পাম,

যাব সংসাৰত আই নাই, সি তেনে ভাল বস্তু খাব নেপায় বুলি মনে মনে থাকো। তাতো আমাৰ ৰক্ষা নেথাকে। যেতিয়া খুৰীৰ লৰা কেটাৰ পেট অসুখ কৰিব, তেতিয়া আমাৰ মুখ লাগিল (চকু পুৰিল) বুলি আমাক কত ঢকা, চপৰা মাৰে। তেতিয়াৰ পৰা আমি থকাত লৰা কেটাক খাব নিদিয়ে। যদি সিহঁতে খাই থকা সময়ত সেই ফাললৈ যাও, খুৰীয়ে কয়, “ৰাক্ষস কেটা আহিছে, সিহত নৌ পাওতেই খাই থ।” ইত্যাদি শুনি ককাইদেও পলাই গল। এদিন স্কুললৈ যাবৰ সময়ত খুৰীদেউক ভাত খোজাত খং কৰি দদাইদেৱৰ হতুৱাই আধামৰাকৈ মৰাই মোক উলিয়াই দিলে। তেতিয়া এজন গাওঁৰ মানুহে মোক নি কিছুমান দিন বৰ আদৰ-সাদৰ কৰি ৰাখিছিল। মই ভাবিলো সিহতৰ আয় বৰ কম, তেনে অৱস্থাত সিহতৰ গলগ্ৰহ হৈ থাকিবলৈ ইচ্ছা নগল। ভাবিলো, দদাইদেৱে যদি কেনেবাকৈ মই থকাৰ খবৰ পায়, তেন্তে সিহতৰো বেয়া হব, ও মোৰো ৰক্ষা নেথাকিব। তেতিয়া মই মনে মনে কাকো নোকোৱাকৈ পলাই আহিলো। আজি তিনি দিন হল, একো আহাৰ কৰা নাই। এতিয়া ফকিৰ এজাক দেখি সিহতৰ লগতে ভিক্ষাৰ্থে আহিলো। কিন্তু মই কতো ভিক্ষা খুজিব নোৱাৰি, এই আপোনাৰ ঘৰত সোমাইছো। আই! আজি মোক এমুঠি খাব দিয়া” বুলি মইনাই কান্দিবলৈ ধৰিলে। গৃহিণীয়ে তাৰ জীৱন-কাহিনী শুনি কান্দি পেলালে। তেতিয়া গৃহিণীয়ে কলে “আজিৰ পৰা তুমি ভিক্ষা কৰি খাব নেলাগে, তোমাক মই পুত্ৰৰ নিচিনাকৈ লালন-পালন কৰিম। তোমাৰ একো ভয় নাই। আহা মোৰ লগে লগে” বুলি মইনাৰ হাতত ধৰি লৈ গল। মইনায়ো নিজক নিজে ধন্যবাদ দি চকু মোহাৰি যাবলৈ ধৰিলে। তেনেকৈ প্ৰায় তাত ভালকৈ কিছুদিন থাকি লেখা-পঢ়া শিকি ললে।

আমাৰ তিৰুতাবিলাকে ভাবে যে, যিম.ন সৰহকৈ সন্তানক খুৱাব পৰা যায়, তিমান সোনকালে বলী, শকত, ও ডাঙৰ হয়। আন কি সন্তানে নেখাও বুলি আতৰাই থোৱা সান্দহ খিনিকো মাকে সিচুকি-পিতুকি লবাৰ পেটত সুমাই দিয়ে। মাকে দিনটোৰ ভিতৰত যিমান ভাল বস্তু পায়, তিমান লৰাই খাবই লাগিব। এইটো হৈছে আমাৰ সন্তান-পালিনী মাকৰ ব্যৱহাৰ। লৰা মানুহ কিমান সহ্য কৰিব, অৱশেষত পেটত অজীর্ণ হয়, তেতিয়া মাকে ভাবে কি "আমুকাই চাই আছিল, তাৰে মুখ লাগিল।"

এই খিনিতে অলপ উল্লেখ কৰা গৃহিণীৰ পৰিচয় দিও। গৃহস্থৰ নাম জীৱন, ও গৃহিণীৰ নাম কুসুম। গৃহস্থৰ বয়স প্ৰায় চল্লিছ বছৰ ও গৃহিনীৰ বয়স ত্ৰিশ বছৰ। জীৱন কাৰবাৰী মানুহ; কাৰবাৰত যি টকা পায়, তাৰ পৰা তেওঁৰ সহধৰ্ম্মিণী ও একমাত্ৰ শিশু কন্যাক প্ৰতি-পালন কৰি সুন্দৰ আয় কৰে। জীৱন, গম্ভীৰ শান্ত, মৰমীয়াল ও দয়ালু মানুহ।

---

## নৱম পৰিচ্ছেদ।

### তিনি বন্ধু।

গধুলি পাঁচটা মান বজাত জীৱনৰ বাট-চৰাত তিনি জন বন্ধু সন্মুখা-সন্মুখি হৈ বহি কথা-বতৰা পাতি আছে। জীৱনৰ কোলাত শিশু কন্যা এটীয়ে খেলা কৰিছে, ও মাজে মাজে ইটো-সিটো সুধি পিতাকক

আমনি কৰিছে। এনেতে জীৱনে "লৈ যোৱা বোপা, নৱাজনীয়ে আমনি কৰি আছে, মাকক দি অহা গৈ" বুলি মইনাক কলে। মইনাই লৰা-লৰিকৈ গৈ লৰাটো মাকক দি, অলপ সময়ৰ পাছতে ঘূৰি আহিল। ইয়াতে উল্লিখিত মানুহ কেজনৰ অলপ পৰিচয় দিও। এজনতো আমাৰ পূৰ্ব্ব-পৰিচিত জীৱন, তেওঁৰ সো-হাতৰ ফালে থকা জন গোবিন্দ আৰু বাও হাতে থকা জন হৰিদাস। গোবিন্দ বাবু কিছুমান দিন কোম্পানীৰ কাজ কৰি, বৰ্ত্তমানত ঠিকাদাৰী কৰিছে। তেওঁ বিদেশী মানুহ, তাতে ঘৰ বান্ধি আছে। গোবিন্দৰ অনেক টকা পয়ছা হোৱাত তেওঁৰ ঘৰটো পকা কৰি লৈছিল। গোবিন্দ জীৱনৰ সুখ দুখৰ বন্ধু। দুইয়ো এদাল জৰীৰে যেন মেৰ খাই থকা। সৰুতে হৰিদাসৰ মাক-বাপেকৰ মৃত্যু হোৱাত বায়েকে পোহ-পাল কৰিছিল। ডাঙৰ হলত বায়েকৰ লগত দন্দ লাগি দূৰ দেশলৈ গুছি যায়। বহুত দিন তেনেকৈ অনাই বনাই থকাৰ পাছত এই ঠাইত আহি গোবিন্দৰ লগত চিনাকি হয়। গোবিন্দৰ সহায়ত হৰিদাসে শিক্ষা বিভাগত কাম পায়। হৰিদাস এজন ধনী, জ্ঞানী, বিদ্বান মানুহ। হৰিদাসো জীৱনৰ এজন প্ৰধান বন্ধু আছিল। জীৱনে নিজে নিজে কাৰবাৰ কৰি অনেক টকা উপাৰ্জ্জন কৰিছিল। তেওঁ দুখীয়া নিচলা ও নিঃসহায় মানুহক দুপয়ছা দি সহায় কৰে। নিজৰ জীৱনক সঙ্কট অৱস্থাত পেলায়ো লোকৰ হিত-সাধনাৰ নিমিত্তে সৰ্ব্বদা চেষ্টা কৰে। সেই কাৰণে কোনো কোনো মানুহে কয় "জীৱন এজন দীন-দুখীয়াৰ ৰক্ষক।" সেই কাৰণে মানুহে তেওঁক অন্তৰৰে সৈতে ভক্তি ও ভয় কৰে; তেওঁ মহত্ব গুণত চহকী। মানুহে কয় "অন্যৰ খোলা তৰোৱাল দেখিলে যিমান ভয় নেলাগে, 'জীৱনৰ' হাতৰ লাঠি ডাল দেখিলেই প্ৰাণত তাতকৈ বেছি ভয়ৰ সঞ্চাৰ হয়।"

আমিও কওঁ বাহ্যিক ধন সম্পত্তিৰে চহকী হোৱাতকৈ মহৎ চৰিত্ৰ গুণেৰে চহকী হবলৈ চাব লাগে। হাতত অস্ত্ৰ-শস্ত্ৰ লৈ বীৰ বলোৱাতকৈ নিজৰ কু-প্ৰবৃত্তি ও উত্তেজিত মনক দমাই ৰাখি বীৰ বোলা-বলৈ চেষ্টা কৰা শ্ৰেয়। হাতত এটা বন্দুক বা হিলৈ লৈ মই এটা বীৰ বুলি কব পাৰো। আৰু যদি আমি কাম, ক্ৰোধ, লোভ, মোহৰ তলতীয়া হৈ ফুৰো, তেন্তে হাতত বন্দুক থাকিলেও বীৰ বোলাব নোৱাৰো। যি মানুহে কাম, ক্ৰোধ, লোভ, মোহক দমন কৰি ৰাখিব পাৰে, তেওঁকহে আছলতে বীৰ পুৰুষ বুলি কব পাৰি। কেতিয়াবা হয়তো কিছুমান টকা বা এজনী দিপ্লিপ্ গাভৰুৰ ফালে মনটো যায়, তেতিয়া যদি তোমাৰ মনটোক দমাই ৰাখিব পাৰা, তেতিয়াহে তোমাৰ বীৰত্ব প্ৰকাশ পাব। আজিকালি বহুতে সমাজক ভয় কৰে, কিন্তু ধৰ্ম্মক নকৰে। মই এটা পাপ কাম কৰিলো, ধৰ্ম্মে জানক, কিন্তু সমাজে নেজানিলেই ৰক্ষা। হয়তো কৰবাত এজন মানুহে তাৰ বহুমূলীয়া বস্তু এটা পাহৰি এৰি গৈছে, মই সেইটোক লম ; লবৰ আগয়ে মই কি চাম,— অন্য মানুহ আছেনে নাই? কিন্তু ধৰ্ম্মে দেখিছেনে দেখা নাই, সেইটো চাবলৈ নেযাও। সমাজ-ভয়তকৈ ধৰ্ম্মলৈ ভয় ৰখা উচিত। বাস্তবিকে ধনৰ বলত ধনী মানুহক বাহ্যিক ভয় কৰে, কিন্তু অন্তৰৰে সৈতে ঘৃণা কৰে। কাৰণ সি লোকৰ দুখ নুবুজে। সি ধনী ; দুখ যে কেনে তাক বুজি পোৱা নাই। তাৰ ভৰিত পৰি কান্দিলেও মুখৰ মাত নিদিয়ে, কাৰণ সি সৰুৰে পৰা ধনী ; সি এদিন দুখত কান্দি পোৱা নাই। সি কান্দোনৰ মূল্য নুবুজে। কিন্তু যি মানুহে মহৎ চৰিত্ৰ-গুণেৰে চহকী, তেওঁ লোকৰ ভালৰ বাহিৰে অহিত নিচিন্তে। পৰৰ মঙ্গল হলেই তেওঁৰ মঙ্গল। সেই মানুহক মানুহে বাহ্যিক যে ভয় কৰেই অন্তৰৰে সৈতেও ভক্তি কৰে। সেই কাৰণে

টকাৰে চহকী হোৱাতকৈ চৰিত্ৰ-গুণেৰে চহকী হবলৈ চাব লাগে!

এনে সময়ত জীৱনে মাত লগালেঃ— "সভাপতি কাক পতা হব"?

হৰিদাস—কিয়, আপুনি হব।

গোবিন্দ—সভাপতি আৰু কাক পাতিব লাগিছে, আপুনিয়েই সভাপতিৰ আসন গ্ৰহণ কৰিব।

জীৱন—ভাল, সভাপতি বাৰু ময়ে হলো; সহকাৰী সভাপতি আৰু সম্পাদক হয় কোনে?

গোবিন্দ—সেইবিলাক সভাত মীমাংসা কৰা হব।

হৰিদাস—বৰ ভাল।

গোবিন্দ—প্ৰথমে কিহৰ মীমাংসা কৰা হব।

হৰিদাস—কিয় প্ৰথমে অৱনতি ধৰি শেষত শিক্ষা-বিভাগৰ উল্লেখ।

জীৱন—বেছ তেনেকৈয়ে হব। তেনেহলে গোবিন্দ বাবু! আপোনাৰ ওপৰত ভদ্ৰ-মহোদয় সকলৰ নিমন্ত্ৰণৰ ভাৰ থাকিল। আৰু হৰিদাস বাবুৰ ওপৰত ভদ্ৰ-মহোদয় সকলৰ অভ্যৰ্থনাৰ ভাৰ থাকিল। এই বুলি কৈ তিনিয়ো জনে নিজৰ নিজৰ আসন এৰি ঘৰা-ঘৰি গল।

---

# দশম পৰিচ্ছেদ।

## সভা-ঘৰ।

প্ৰায় বাৰটা মান বজাৰ পৰা তিনটামান বজালৈকে যে কিমান মানুহ অহা-যোৱা কৰিছে, কিমান ভাল ভাল সাজ পিন্ধা মানুহ

চাবা! প্ৰায় সকলো মানুহৰ ভৰিত ভাল বাৰ্নিশ কৰা জোতা, গাত নানান ৰঙ বেৰঙৰ ছোলা, বুকৰ জেপত চেন লগোৱা ঘৰি। অহায়ে আহিছে, যোৱায়ে গৈছে, তাৰ লেখ-জোখাই নাই। সকলোৱে আজি সভাত কোনেকি কয় তাকে শুনিবলৈ ও নিজৰ সাজ-পোষাকেৰে বাহাৰ দেখুৱাই সভাৰ শোভা বৰ্দ্ধন কৰিবৰ নিমিত্তে জীৱনৰ ঘৰৰ ওচৰত থকা হৰিমন্দিৰৰ ফালে ঢাল খাইছে। এইদৰে প্ৰায় একমান বাজিল। আমাৰ হৰিদাস বাবুয়ে ভদ্ৰসকলৰ অভ্যৰ্থনা কৰোতে উশাহ এটা লবৰ অৱসৰ পোৱা নাই। এনে সময়ত জীৱন বাবু আহি সভামণ্ডলত যোগ দিলেহি। সকলো ভদ্ৰলোকে তেওঁক সভাপতি কৰিলে।

অলপ পৰৰ পাছতে গোবিন্দ বাবুক সহকাৰী সভাপতি ও অন্যান্য দুজন মানুহক সম্পাদক নিযুক্ত কৰিলে। এইখিনিতে কৈ থও আমাৰ পিতৃ-মাতৃ-হীন অভাগা মইনাও জীৱন বাবুৰ লগতে সভালৈ আহিছিল। তেতিয়া মইনাই দদায়েক মহীধৰক চিনি পাই ভাবিলে "কিজানি সভাত ধৰি আকৌ মাৰে"। সেই কাৰণে যাতে দদায়েকে ভালকৈ দেখা নেপায় এনে ঠাইত বহি পৰিল। কিন্তু মহীধৰে কেবা বাৰো চিনো, চিনো কৰি চিনিব নোৱাৰিলে। এনেতে সভাপতিয়ে থিয় হৈ কবলৈ ধৰিলে।

"ভদ্ৰ মহোদয় সকল, কি উদ্দেশ্যে এই ক্ষুদ্ৰ সভা খন পতা হৈছে, বোধ হয় সকলোৱে জানিছে। আপোনালোকে হয়তো এতিয়া কিমান সুখেৰে বিছনাত জিৰাই থাকিলেহেতেন, নাইবা নিজৰ কামকে কৰিলেহেতেন; কিন্তু অধীনে নিমন্ত্ৰণ পত্ৰ দি সেই সুখৰ পৰা বঞ্চিত কৰি আনিছো। ইয়াত মোৰ কোনো অপৰাধ হব পাৰে, নিজ নিজ গুণে ক্ষমা কৰিব। বোধ হয় ক্ষমা পাবৰ নিমিত্তে সাহ কৰিব পাৰো। কাৰণ এইটো মোৰ নিজৰ স্বাৰ্থৰ নিমিত্তে

নহয়, গোটেই ৰাইজৰ নিমিত্তে। (আছলতে আমাৰ অধোগতি ও অশিক্ষিত হোৱাটো কিছু পাতল কৰিবলৈ এই ক্ষুদ্র সভা)। ভাবি চাওক আমাৰ জাতিৰ ভিতৰত জ্ঞানী, বিদ্বান, মানুহ কত? তেনে এখন ভাল কিতাপ কত? তেনে উন্নতিয়েইবা কত? কেৱল আমি অসভ্যৰ নিচিনা অজ্ঞান আন্ধাৰত পৰি আছো। কতই আমাৰ আগতে চকুত ধূলি ছটিয়াই দোপত দোপে উন্নতি কৰিব লাগিছে। আমি নিজৰ চকুৰে দেখিও, তেনে উন্নতিৰ পথ অৱলম্বন নকৰি, চুকত সোমাই থকা ভেকুলীৰ নিচিনাকৈ সোমাই আছো। সঁচা, আগতকৈ অলপ উন্নতিৰ চিন দেখা গৈছে কিন্তু এই উন্নতিয়ে নিজৰ স্বাৰ্থৰ বাহিৰে, আমাৰ জাতিৰ উন্নতিৰ কামনা কৰা নাই। কোনো দিন যি মানুহে জিলা দেখি পোৱা নাই, তেওঁ যদি এদিন কেনেবাকৈ জিলা দেখা পায়, তেতিয়া তেওঁ ভাবে যে গোটেই পৃথিবী খনকে দেখা পালে। তেনেকৈ আমিও অলপ উন্নতিৰ চিন পাইছো তাতেই আমালোকে যেন বহুত উন্নতি কৰিলো বুলি ভাবিছো। যেনেকৈ জিলা দেখা মানুহ জনে আৰু যে কিমান সুন্দৰ সুন্দৰ দেশ, নগৰ, দেখিবলৈ বাকী আছে, তেনেকৈ আমাৰো অনেক উন্নতিৰ পথ দেখিবলৈ বাকী আছে। কিন্তু আমি চেষ্টা কৰিলেই সকলো কৰিব পাৰো। বৰ্ত্তমানত আমালোকে উন্নতিৰ গুটিহে কইছো, তাৰ গজালি ওলাই পাত গজি গছ হৈ ফুল ফুটি তাৰ গোন্ধ ওলাবলৈ অনেক পলম। যদি আমি কোনোমতে তেনে গছ এজোপা তুলি, তাৰ গুটিবোৰ আকৌ কই থৈ যাও, আমাৰ পিছত সেই গুটিৰ পৰা গজালি মেলি গছহৈ অনেক ফুল ফুটি গোটেই সংসাৰ মলমলাই থাকিব। আৰু নেথাকি নোৱাৰিবও। ইয়াৰ আছল বস্তু হৈছে সাৰ, যিমান সাৰ দিব পৰা যায় সিমান

চাবা! প্ৰায় সকলো মানুহৰ ভৰিত ভাল বাৰ্নিশ কৰা জোতা, গাত নানান ৰঙ বেৰঙৰ ছোলা, বুকৰ জেপত চেন লগোৱা ঘৰি। অহায়ে আহিছে, যোৱায়ে গৈছে, তাৰ লেখ-জোখাই নাই। সকলোৱে আজি সভাত কোনেকি কয় তাকে শুনিবলৈ ও নিজৰ সাজ-পোষাকেৰে বাহাৰ দেখুৱাই সভাৰ শোভা বৰ্দ্ধন কৰিবৰ নিমিত্তে জীৱনৰ ঘৰৰ ওচৰত থকা হৰিমন্দিৰৰ ফালে ঢাল খাইছে। এইদৰে প্ৰায় একমান বাজিল। আমাৰ হৰিদাস বাবুৱে ভদ্ৰসকলৰ অভ্যৰ্থনা কৰোতে উশাহ এটা লবৰ অৱসৰ পোৱা নাই। এনে সময়ত জীৱন বাবু আহি সভামণ্ডলত যোগ দিলেহি। সকলো ভদ্ৰলোকে তেওঁক সভাপতি কৰিলে।

অলপ পৰৰ পাছতে গোবিন্দ বাবুক সহকাৰী সভাপতি ও অন্যান্য দুজন মানুহক সম্পাদক নিযুক্ত কৰিলে। এইখিনিতে কৈ থও আমাৰ পিতৃ-মাতৃ-হীন অভাগা মইনাও জীৱন বাবুৰ লগতে সভালৈ আহিছিল। তেতিয়া মইনাই দদায়েক মহীধৰক চিনি পাই ভাবিলে "কিজানি সভাত ধৰি আকৌ মাৰে"। সেই কাৰণে যাতে দদায়েকে ভালকৈ দেখা নেপায় এনে ঠাইত ৰহি পৰিল। কিন্তু মহীধৰে কেবা বাৰো চিনো, চিনো কৰি চিনিব নোৱাৰিলে। এনেতে সভাপতিয়ে থিয় হৈ কবলৈ ধৰিলে।

"ভদ্ৰ মহোদয় সকল, কি উদ্দেশ্যে এই ক্ষুদ্ৰ সভা থন পতা হৈছে, বোধ হয় সকলোৱে জানিছে। আপোনালোকে হয়তো এতিয়া কিমান সুখেৰে বিছনাত জিৰাই থাকিলেহেতেন, নাইবা নিজৰ কামকে কৰিলেহেতেন; কিন্তু অধীনে নিমন্ত্ৰণ পত্ৰ দি সেই সুখৰ পৰা বঞ্চিত কৰি আনিছো। ইয়াত মোৰ কোনো অপৰাধ হব পাৰে, নিজ নিজ গুণে ক্ষমা কৰিব। বোধ হয় ক্ষমা পাবৰ নিমিত্তে সাহ কৰিব পাৰো। কাৰণ এইটো মোৰ নিজৰ স্বাৰ্থৰ নিমিত্তে

নহয়, গোটেই ৰাইজৰ নিমিত্তে। (আছলতে আমাৰ অধোগতি ও অশিক্ষিত হোৱাটো কিছু পাতল কৰিবলৈ এই ক্ষুদ্র সভা)। ভাবি চাওক আমাৰ জাতিৰ ভিতৰত জ্ঞানী, বিদ্বান, মানুহ কত? তেনে এখন ভাল কিতাপ কত? তেনে উন্নতিয়েইবা কত? কেৱল আমি অসভ্যৰ নিচিনা অজ্ঞান আন্ধাৰত পৰি আছো। কতই আমাৰ আগতে চকুত ধূলি ছটিয়াই দোপত দোপে উন্নতি কৰিব লাগিছে। আমি নিজৰ চকুৰে দেখিও, তেনে উন্নতিৰ পথ অৱলম্বন নকৰি, চুকত সোমাই থকা ভেকুলীৰ নিচিনাকৈ সোমাই আছো। সঁচা, আগতকৈ অলপ উন্নতিৰ চিন দেখা গৈছে কিন্তু এই উন্নতিয়ে নিজৰ স্বাৰ্থৰ বাহিৰে, আমাৰ জাতিৰ উন্নতিৰ কামনা কৰা নাই। কোনো দিন যি মানুহে জিলা দেখি পোৱা নাই, তেওঁ যদি এদিন কেনেবাকৈ জিলা দেখা পায়, তেতিয়া তেওঁ ভাবে যে গোটেই পৃথিবী খনকে দেখা পালে। তেনেকৈ আমিও অলপ উন্নতিৰ চিন পাইছো তাতেই আমালোকে যেন বহুত উন্নতি কৰিলো বুলি ভাবিছো। যেনেকৈ জিলা দেখা মানুহ জনে আৰু যে কিমান সুন্দৰ সুন্দৰ দেশ, নগৰ, দেখিবলৈ বাকী আছে, তেনেকৈ আমাৰো অনেক উন্নতিৰ পথ দেখিবলৈ বাকী আছে। কিন্তু আমি চেষ্টা কৰিলেই সকলো কৰিব পাৰো। বৰ্ত্তমানত আমালোকে উন্নতিৰ গুটিহে কইছো, তাৰ গজালি ওলাই পাত গজি গছ হৈ ফুল ফুটি তাৰ গোন্ধ ওলাবলৈ অনেক পলম। যদি আমি কোনোমতে তেনে গছ এজোপা তুলি, তাৰ গুটিবোৰ আকৌ কই থৈ যাও, আমাৰ পিছত সেই গুটিৰ পৰা গজালি মেলি গছহৈ অনেক ফুল ফুটি গোটেই সংসাৰ মলমলাই থাকিব। আৰু নেথাকি নোৱাৰিবও। ইয়াৰ আছল বস্তু হৈছে সাৰ, যিমান সাৰ দিব পৰা যায় সিমান

গছ দোপত-দোপে, ডাঙৰ ও শকত হৈ উঠিব। তেনেকৈ আমাৰ উন্নতিৰ গুটিত খুব সাৰ দিয়া উচিত। সেই সাৰ হৈছে আমাৰ একতা, ধন, ও উৎসাহ। তাৰ মীমাংসা কৰিবৰ নিমিত্তে এই সভা।” এনেতে চাৰিও ফালৰ পৰা “কেৰাপ, কেৰাপ” কৰি চাপৰি বাজি উঠিল। সকলোৱে এক বাক্যে “সঁচা, সঁচা, সভাপতিয়ে যি কথা কৈছে, ঠিক”— এই বুলি কবলৈ ধৰিলে। এনেতে সভাপতিয়ে পুনৰ কলে,—“সেই কাৰণে কাৰ কেনে মত প্ৰকাশ কৰক।” সভাপতিয়ে আসন গ্ৰহণ কৰাত শ্ৰীযুক্ত মহীধৰ ডাঙৰীয়াই ককাল পোনাই উঠি কবলৈ ধৰিলে।—

“সঁচা, সভাপতি ডাঙৰীয়াই যি কথা কৈছে সকলো সঁচা। কিন্তু আজিকালি তেনে মৰমীয়াল মানুহ কত? তেনে উৎসাহ প্ৰদান কৰি নিজৰ শক্তি প্ৰয়োগ কৰা মানুহ কত। কিন্তু এই সভাতে সকলোৱে সভাপতিৰ কথা কেযাৰকে দৈৱ-বাণী বুলি ধৰি লওক। আৰু যি পাৰে দুই এপয়ছা আমাৰ উন্নতি কামনাৰ অৰ্থে খৰছ কৰিবলৈ সভাপতিক দিয়ক। সকলোৱে একেটা বান্ধেৰে বান্ধ খাই থাকক। নহলে সভাপতি ডাঙৰীয়াৰ কথা কেযাৰ বৃথা হব, আৰু তেওঁ বৰ লাজ পাব। এনে ভাবে বান্ধ খাই থাকক যে, দুই, তিনি ছয় যেনে সত্য, তেনে সত্যেৰে বান্ধ খাই থাকক। আৰু মই কি গোহাৰি কৰিম”—বুলি মহীধৰ বাবু বহি পৰিল। এনেতে জীৱন বাবুৰ বন্ধু সহকাৰী সভাপতি গোবিন্দ বাবুৱে থিয় দি কবলৈ ধৰিলে।

“ভদ্ৰমহোদয় সকল, বোধ হয় অলপ ভাবি চালেই শ্ৰীযুক্ত মহীধৰ বাবুৰ কথা কেটা কেনে ধৰণৰ হৈছে, তাক বুজিব পাৰিব। তেওঁ যে, সভাপতিয়ে লাজ পাব বুলি কৈছে, মোৰ মনেৰে তেওঁ অকলে নেপায়। এইটো তেওঁৰ স্বাৰ্থৰ নিমিত্তে

নহয়, সকলো সমাজৰ নিমিত্তে; কাৰণ এখন বিলত ডাঙৰ মাছটোৰ নিমিত্তে বিহ দিলে কেবল ডাঙৰ মাছটো নমৰে, তাৰ লগত বিলত যিমান মাছ আছে সকলো মৰিব। তেনেকৈ আমাৰ সমাজ-বিলতো সকলোৱে লাজ পাব। কাৰণ এটা কামত হস্তক্ষেপ কৰি পিছ হুহকিলে, বা সভা খনিৰ দ্বাৰা একো ফল সাধিব নোৱাৰিলে আমাৰ আৰু লাজৰ সীমা নেথাকিব। কাৰণ সকলোৱে কব ইমান সভা-সমিতি কৰিলে তথাপিও একো ফল নহল। তেনেহলে ভদ্ৰ মহোদয়সকল! আজিৰ পৰা আগৰ কুসংস্কাৰ এৰি সকলোৱে নিজৰ ও জাতিৰ উন্নতি কৰক। ভাবি চাওক, আগেয়ে আমালোকেই, মাহ, সৰিয়হ, ধান, কুহিয়াৰ, মৰাপাট আদিৰ খেতি কৰি, আৰু এৰি পুহি, তাৰ দুই এসেৰ বেচিও পয়ছা সাচিব পাৰিছিলো। এতিয়া সেইবিলাক চকুৰ আগতে লোপ হৈ যাব ধৰিছে, কাৰণ আমি বিলাসী হৈ অকামিলা হৈ পৰিছো। আমাৰ আগৰ খেতি লোপ পাই যোৱা দেখিও আমি তাৰ উন্নতিৰ বাবে একো কাৰবাৰ কৰা নাই, বৰং লোপ কৰিবৰ হে চেষ্টা কৰা হৈছে। যদি আমি এতিয়া জানি বুজিও সেইবিলাক লোপ পোৱাত বাধা নিদিও তেন্তে আমি কাপুৰুষ নহম নে? আমাৰ ভাৰতত এনে কথা কব নোৱাৰি যে গুটি এটি ৰুলে তাৰ অঙ্কুৰ নহয়; যদি নহয়, বা অঙ্কুৰ হোৱাৰ পাছতে মৰি গল, তেন্তে জানিব লাগিব যে সেইটো আমালোকৰ অসাৱধানতাৰ হে ফল। এইবিলাক মীমাংসা কৰিবলৈও খেতিৰ সঁজুলি আদি তৈয়াৰ কৰি দেখুৱাবৰ নিমিত্তে কিছুমান মিস্ত্ৰী ও এটি ঘৰ লাগে। সেই ঘৰটীত সকলো থাকিব, যেনে— কিতাপ, সঁজুলি, তৈয়াৰ কৰা যন্ত্ৰ ইত্যাদি। আমাৰ গাৱঁৰ ডেকা লৰাবিলাকে গধূলি এনেই বহি থাকে। যদি ডেকা লৰাবিলাকে, বহি নেথাকি

সেই ঘৰতে গোট খায়, তেন্তে সিহতৰ খেমালি কৰাও হয়। ইফালে তাতে, যাৰে যেনে ইচ্ছা পাচি, খৰাহী, চালনী, ডলা, নেওঠনী, যঁতৰ, আদি বস্তু বহুত তৈয়াৰ কৰিব পাৰে। যিটো মই নেজানো, তেওঁ জানে; তেওঁ নজনাটো মই জানো; তেওঁৰ চাই মই জানিলো মোৰ চাই তেওঁ জানিলে। নাইবা মাজে মাজে কিতাপ পঢ়ি গল্প কৰিলে তাতো এটা শিক্ষা হয়। তেনেকৈ আমাৰ ডেকা লৰা কেটাই যদি সদায় গধূলি গৈ এঘণ্টাকৈ তেনে কামত যোগ দিয়ে, তেন্তে সেই সঁজুলিৰ পৰা ৰাইজৰ কিমান উপকাৰ হয়, আন কি অতিৰিক্ত বস্তু বেচি দুই পয়ছা পাবও। তাৰ উপৰি আৰু এটা মহৎ গুণ লাভ হব, সেইটো হৈছে একতা; কাৰণ সদায় একেলগে থাকিলে মিলা-প্ৰীতি জন্মে; তেওঁৰ এদিন বেমাৰ হল, মনতে ভাবিলো তেওঁৰ লগত সদায় বং খেমালি কৰো, এবাৰ চাই আহোগৈ। ইয়াৰ প্ৰমাণ:— যেতিয়া একেটা বোৰ্ডিঙত থাকি একেটা স্কুলত পঢ়ো তেতিয়া মোৰ চাউল নাই, তেওঁৰ আনিলো, তেওঁৰ নাই মোৰ নিলে; তেওঁৰ খৰছ নাই, মোৰ এটকা আছে তাৰেই তেওঁৰো খৰছ চলাই দিলো। নিজৰ স্কুলত সদায় “বল” খেলোতে সদায় হৰা-জিকা হয়। সেই বুলি আমি দুই পক্ষে দন্দ কৰিবলৈ নেযাওঁ। যদি অইন স্কুলৰ লগত খেলো তেতিয়া দন্দ-কাজিয়া অনেক হৈ যায়। তাৰ পিছত যেতিয়া স্কুল এৰি এটা এটা হও, তেতিয়া আমাৰ সেই একতা নেথাকে, কাৰণ পৃথক হৈ আহিলো। সেই কাৰণে যিমানেই একেলগে ফুৰা-চকা, খোৱা-লোৱা কৰি থকা যায়, তিমানেই একতা বাঢ়ে। যিমানেই পৃথক হৈ থকা যায়, তিমানেই একতা নাইকিয়া হৈ পৰে। ভাবি চাওক—একেবাৰে ক্ষুদ্ৰ জন্তু পৰুৱা, কিন্তু সিহতৰ একতা গুণত সিহঁতে বলে নোৱাৰা কাম নাই। তেনেকৈ সেইটো এটা বোৰ্ডিং হব।

এনে এটা কাম এজনে কৰিব নোৱাৰে, তাত ৰাইজৰ সহায় লাগে। ভাবি চাওক, এখন হাতেৰে চাপৰি নেবাজে, ও এটা আঙ্গুলিয়ে মুঠি নেবান্ধে। যদিও পাঁচো আঙ্গুলি সমান নহয়, তথাপি পাঁচো আঙ্গুলি গোট খুৱাই ধৰিলেহে মুঠি বান্ধ খায়। সঁচা, যটা আঙ্গুলিটোৱে যিমান কাম দিব, কিনা আঙ্গুলিটোৱে তিমান কাম দিব নোৱাৰে, সেই বুলি কিনা আঙ্গুলিটোক কাটি পেলাই দিব নোৱাৰি। কাৰণ তাৰ পৰাও অনেক সহায় পোৱা যায়। তেনেকৈ আমাৰ সমাজৰ ভিতৰতো অনেক ডাঙৰ, সৰু, সুখী-দুখী ধনী-জ্ঞানী আছে; সকলোৰে পৰা সমান কাম বিচাৰিলে কেনেকৈ হব। যাৰ যেনে শক্তি তেনেকৈ সহায় কৰিলেও পাচ আঙ্গুলিৰ কাম কৰা হয়। আমাৰ সমাজৰ ভিতৰত বোধ হয় সমাজৰ নিমিত্তে প্ৰাণ দিব পৰা অনেক মানুহো আছে, কিন্তু তেওঁবিলাকে সহায় নোপোৱাত তেনে কামত হাত দিব পৰা নাই। আৰু আমাৰ সমাজৰ ভিতৰত ধনী মানুহো আছে, কিন্তু তেওঁবিলাকে সেই ধন মাটিত পুতিয়ে নিজক সাৰ্থক ভাবিছে, আমাৰ ভিতৰৰ কৃপণবিলাকে জাৰত গোটেই ৰাতি জুই-শালৰ ওচৰত পৰি ৰাতি কটাব, কিন্তু কাপোৰ এখন কিনি নলয়। অথচ তেওঁবিলাকৰ সন্তান-সন্ততি নাই, তেনে মানুহবিলাকে প্ৰায়ে কৈ থাকে “আমালোকৰ পো-জীয়েই নাই, আমালোকে সমাজৰ বা স্কুলৰ নিমিত্তে পয়ছা দিলে কি হব।” কিন্তু ভাবি নেচায়, তেওঁবিলাক মৰাৰ পিছত সেই ধন কোনে ভোগ কৰিব। তেনে মানুহবিলাকে দেখোন সমাজলৈ কিছু দি সমাজৰ উন্নতি সাধি তেওঁবিলাকৰ নাম চিৰস্মৰণীয় কৰি ৰাখিব পাৰে। আৰু এনে মানুহো আছে, যিবিলাকে তেজক পানী কৰি ধন ঘটি পৃথিবীৰ গৰ্ভত ভৰাই ৰাখিছে; আকস্মিক দুৰ্ঘটনাৰ পৰা সেই ধন নষ্ট হলে মৃত্যুতুল্য শোক ভোগ

কৰে। আমাৰ মানুহবিলাকে কাম কৰিবলৈ বৰ লাজ পায়, বিদেশৰ পৰা ঘৰলৈ আহিলে কান্ধত ভাৰ খন লবলৈ লাজ কৰে ও অলপ টান কামকো কৰিব নোখোজে। বাবু মানুহে এদিন "মুনিবৰ" টান কথা শুনি কামৰ পৰা অবসৰ ললে, তাৰ জীবিকাৰ পথ কিবা আছে জানো? তেতিয়া যদি কান্ধত ভাৰ খন লব নোৱাৰা, তেন্তে কেনেকৈ সংসাৰ-যাত্ৰা নিৰ্ব্বাহ কৰিবা? বাবু কামত থাকিলে টান কাম কৰিব নোৱাৰা; অথচ সেই বাবু কামৰ পৰা এদিন ওলাই আহিবই লাগিব; তেনে বাবু কাম নকৰাই শ্ৰেয়ঃ। বাস্তবিকে বাবুকেটা নজৰ-বন্দী, সেই চক্-চকীয়া টকা কেটা আগত থৈ দেখাইছে, আমি সেই টকাতে মোহ গৈ আছো। আমাক গছত লগা পয়ছা নেলাগে, হায় আমাৰ সমাজ! যদি সেই কেটা পয়ছাৰ মোল বুজিব পাৰিলো হেতেন তেতিয়া আমাৰ ইমান অৱনতি নহল হেতেন। আমি জানো কেৱল বিদ্যা শিক্ষা কৰা হয়, বাবু কামৰ নিমিত্তে—খেতিৰ নিমিত্তে নহয়। আৰু বাবু কামত হয়তো দহ বছৰ থাকিলা, "মুনিবে তোমাক বৰ ভাল পায়। কিন্তু নেজানা মুছলমানৰ মুৰ্গীলৈ কিমান মৰম? তোমাৰ প্ৰতি তোমাৰ মুনিবৰ মৰম। দহ বছৰ চাকৰী কৰিলা, সেই দহ বছৰত তুমি ঘৰত টান কাম কৰিবলৈ নেপাই গা কুমলীয়া হল, বেছি দৌৰিব নোৱাৰা ও সামান্য ভাৰ এখন কান্ধত লৈ যাব নোৱাৰা হলা! তাৰ লগে লগে বৰ ডাঙৰ লম্বা এটা আৰ্জি ললা— তুমি বাবু, তুমি ভাৰ লবা কিয়? তোমাৰ যে চাকৰ আছে। যেতিয়া এদিন সেই বাবু কামৰ পৰা "মুনিবে" 'মুগী ৰ মৰম' দেখুৱাই খেদাই দিব—তেতিয়া কুমলীয়া গা টান কাম কৰিব নোৱাৰা, তুমি ঘৰত ওলাইছা আৰু সোমাইছা, কামৰ আগ-গুৰি নেজানা। সেইদৰে কিছু-মান দিন খাবা অৱশেষত সাঁচতীয়া পয়ছা কেটা খৰছ কৰি পথৰ

ভিক্ষাৰী হ'বা, বাবু নামৰ এই উপহাৰ! হয়টো কোনোৱে কব পাৰা "পয়ছা দি অন্যৰ দ্বাৰা কাম কৰাই লম।" কিন্তু যদি তুমি টান কাম কৰিব পাৰিলা হেতেন, তেন্তে সেই পয়ছা কেটা অন্যৰ হাতলৈ যায় কিয়? আমালোকৰ অৱনতি আমালোকেই; কাৰণ আমালোকৰ বলী, শকত, তেজী যুৱক কেইজনে কি কৰিছো? "মুনিবৰ" তলত কাম কৰি সিহতৰ লাখ টকা উপাৰ্জ্জন কৰি দিছো। আৰু আমাৰ অধঃপতনৰ নিমিত্তে কি কৰিছো,—লৰা, বুঢ়া, দুৰ্ব্বল মানুহ কেইজনক খেতি কৰিবৰ নিমিত্তে থৈছো। কাৰণ আমাৰ আৰু অলপমান অধঃপতন হওক। এদিন বৰষুণ দিলে বা জাৰ লাগিলে ঘৰত থাকিব নোৱাৰা, কাৰণ "মুনিবে" গালি দিব। এদিন তিৰুতাৰ বা পিতা-মাতৰ বেমাৰ হোৱা দেখিও এৰি আহিছা, কাৰণ "মুনিবৰ" পৰা ছুটি লোৱা নাই। "মুনিবক" দিনটোত যিমান পাৰা প্ৰণাম কৰা, নমস্কাৰ কৰা, ছেলাম দিয়া। কিন্তু কেইদিন তেনেকৈ নিজৰ জন্ম-দাতা পিতৃ-মাতৃক প্ৰণাম কৰে? নকৰে, কাৰণ আৰু অলপ পাপত মগ্ন হও। বোধ হয় "মুনিব" কেইজন পিতৃ-মাতৃতকৈ বেছি পূজনীয়। এইবিলাক নজৰবন্দীৰ লক্ষণ নহয় নে? আমি খোৱা লোৱা, ফুৰা-চকা সকলোতে ইংৰাজ। আন কি আধা-আধি কথাও ইংৰাজী; কিন্তু অন্তঃকৰণত বিদ্যা বুদ্ধি ও একতাত কেই জন ইংৰাজ? সেই বুলি চাকৰী নকৰিবলৈ কোৱা নাই, চাকৰী কৰা। কিন্তু চাকৰীত থাকোতেই ভবিষ্যতলৈ সাৱধান হোৱা। অৰ্থাৎ বাবু হৈ বহি নেথাকি, যি এফেৰি সময় পোৱা, তাতেই গধূলি অলপ কোৰ মাৰিবা, গা শকত হব, অলপ পৰিশ্ৰম কৰাত আহাৰও হজম হব। আৰু নিজৰ ঘৰলৈ গলে, ধান, মৰাপাট, কঠিয়া আদি কান্ধত লৈ কান্ধ টান কৰিবা, ও গিৰিহতৰ লগতে সকলো সাংসাৰিক নিয়মাদি শিক্ষা

কৰিবা গৈ। ঘৰলৈ এদিন গৈছো বুলি আৰু তাৰ ঘৰত আলহী হৈ লগৰীয়াৰ লগত খেলি দিন নকটাবা। প্ৰবাসী বাবু সকলক দেখি গাঁৱত থকা মানুহ কেজনো আধা আধি বাবুৱেই হৈ পৰিছে। কাৰণ হাবিৰ ঢেকীয়া, মেচাকি, মেজেঙ্গা, টেঙ্গা আদি বেচিবলৈ লাজ কৰে, আন কি কিছুমানে ঘৰত হোৱা, বেঙ্গেনা, কচু, লাও, কোমোৰা, আদি বেচিবলৈও লাজ কৰে! কিন্তু অইন প্ৰদেশী মানুহে তেনে শাক, পাছলি, টেঙা আদি বেচিয়েই কত টকা উপাৰ্জ্জন কৰি ও কত ৰকমৰ সুন্দৰ সুন্দৰ ঘৰ সাজি সুখেৰে থাইছে। মাৰোৱাৰীবিলাক প্ৰায়ে প্ৰথমে নিঃসম্বল হৈ আসামলৈ আহে, কিন্তু দুদিনমানৰ পাছতে, সিহঁতে কিছুমান শাক, পাছলি ভোল, জিকা, বিক্ৰী কৰি অৱশেষত লোণ, দালি, কাপোৰৰ দোকান পাতি মহাজন বাবু হৈ পৰিছে, তেনে পথ আমাৰ চকুৰ আগতে; কণাৰ নিচিনা হৈ আছো, তেনে জ্ঞান আজিও আমাৰ হোৱা নাই। আমাৰ বৰ্ত্তমান ৰজা ইংৰাজবিলাকেও প্ৰথমে ভাৰতত কোনো কোনো ঠাইত সামান্য বেপাৰ হে কৰিছিল, কিন্তু বুধি থকাৰ গুণে তেওঁলোকে বেপাৰীৰ পৰা ৰজা হল। আজি ভাৰতবৰ্ষ ইংৰাজৰে তলত। আমিও মানুহ, ইংৰাজো মানুহ, কিন্তু কি কাৰণে তেওঁলোক আমাতকৈ সুখী। তেওঁবিলাকৰ নিচিনা আমাৰ সমাজৰো দুই চাৰি জনৰ টকা আছে, কিন্তু বুধি আৰু একতাৰ অভাব। সেই অভাব দূৰ কৰিবলৈ হলে আমি উন্নত জাতিৰ পথ অৱলম্বন কৰিলেই আমাৰ উন্নতি হব। তেওঁবিলাকো হয়তো দহ বছৰ আগতে আজিৰ দৰে নাচিল, নিজৰ অভাৱ নিজে দূৰ কৰি হে উন্নতিৰ গুৰি উলিয়াই লব পাৰিছে। এনে বুদ্ধি জানি শুনিও চুকত সোমাই থকা ভেকুলীৰ নিচিনাকৈ আমি চুকত সোমাই আছো আৰু আজিলৈকে সেই পথ চিনি লব পৰা নাই, ইয়াৰ কাৰণ হৈছে

আমাৰ একতা বিশ্বাস, ও উৎসাহ নাই। আমাৰ ভিতৰৰ অনেক বুদ্ধিমান লৰাক মাক-বাপেকে অৰ্থৰ অভাৱত পঢ়াবলৈ একুৰায়। তেনে তেনে লৰাক যদি আমাৰ সমাজ "ফণ্ডৰ" পৰা সহায় কৰা যায়, তেন্তে সমাজৰো নাম, লৰাৰো উন্নতি হয়। যদি এতিয়াৰ পৰা আমালোকে লগ লাগি উন্নতিৰ পথত আগুৱাব পাৰো, তেন্তে আমালোকৰ পিছৰ বিলাকো আমাৰ আদেশ পাই আমাতকৈও বেছি উন্নতি সাধিবলৈ যত্নবান হব। আপোনালোকৰো যদি এনে ভাবৰ উদয় হৈছে, তেন্তে সেই ভাব কেৱল মানুহক দেখুৱাবলৈ নথৈ অন্তৰত ঠাই দিয়ক, লাজ ভয় জলাঞ্জলি দিয়ক। সমাজৰ এজনে বিপদত পৰিলে দহ জনে তেওঁক সহায় কৰক।

আজিৰ পৰা সকলোৱে লাজ দলিয়াই পেলাওক, লোকৰ অপকাৰ নকৰাকৈ পয়ছা আৰ্জ্জিব পৰা পন্থক বেয়া বুলি ঘৃণা কৰিবলৈ এৰক। বাবু সকলেও অলপ টান কাম কৰিবলৈ চেষ্টা কৰক। যদি আপোনা-লোকে সমাজৰ কাৰণে দান কৰিব খোজে তেন্তে এই বহি খনতে চহি কৰক আপোনালোকেই ভৰাল মনোনীত কৰক তেওঁ টকা জমা ৰাখিব। সকলো দুখীয়া, আতুৰ, আশ্ৰয়-হীন প্ৰভৃতিয়ে তেওঁৰ পৰা সহায় পাব।" ইয়াতেই বক্তব্য শেষ কৰি গোবিন্দ বাবুৱে হৰিদাস বাবুৰ হাতত বহি এখন দিলে। এনেতে চাৰিও ফালৰ পৰা অসংখ্য চাপৰি উঠিল। আৰু সকলোৱে এক বাক্যে "দিম দিম" বুলি কৈ উঠিল। কিন্তু আমাৰ মহিধৰ ডাঙৰীয়া নিমাত হৈ আছিল।

এনেকৈ আৰু বহুত বক্তাই বক্তৃতা দিলে, কিন্তু সেইবিলাক এই সামান্য গ্ৰন্থত লেখি কাগজ খৰছ কৰিবলৈ ইচ্ছা নহল। সেই কাৰণে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থী। প্ৰায় বহুত ভদ্ৰলোকে অনেক অনেক টকাৰ চহি কৰি দান কৰিলে। কিছুমানে দুই চাৰি পয়ছা

পাণ চুৰট আদিত ধ্বংস কৰিবলৈ ৰাখিলে। এনে সময়ত মহিধৰৰ নিচিনা গণ্য মান্য মানুহ এজনে নিদিলে ই কি ভাল দেখায়? সেই কাৰণে মহিধৰেও দুই টকাৰ বাকী চহি কৰি লৈহে তত পালে। প্ৰায় হিচাব পত্ৰ কৰি থাকোতেই পাঁচটা বাজিল। তেতিয়া সভাপতিয়ে পুনৰ নিৰ্দ্দিষ্ট দিন ধাৰ্য্য কৰি সভা ভঙ্গ কৰিলে। সকলো সভাসদ ঘৰাঘৰি গ'ল, আৰু কিছুমানে বন্ধু-বান্ধৱৰ খাতনি পেলাব নোৱাৰি নিমন্ত্ৰণ ৰক্ষা কৰিলে। কিন্তু তিনি জন মানুহৰ ঘৰ অনেক দূৰত, কোনোমতে ৰাতি বাৰটা বজাৰ কমে নেপায়গৈ। তেওঁবিলাকে একো উপায় নেপাই সভাপতিক কোৱাত গোবিন্দ বাবুৰ ঘৰত এজন, হৰিদাস বাবুৰ ঘৰত এজন, আৰু সভাপতিয়ে এজন লৈ বিদায় হল। হৰিদাসৰ ঘৰত মহিধৰ, গোবিন্দ বাবুৰ ঘৰত গণেশ, আলহী সোমাল। গণেশে কেৰাবাৰো মইনাৰ ফালে চাই চিনিব নোৱাৰিলে।

---

# একাদশ পৰিচ্ছেদ।

## গুণৱতী।

প্ৰায় আজি ফাগুণৰ ন দিন গল। দহ তাৰিখে গুণৱতীৰ বিবাহ। বিবাহৰ দুই দিন আগেয়ে অৰ্থাৎ আঠ তাৰিখে আগৰ আধ্যাত কৈ অহা পুনৰ সভা হৈ গল; কিন্তু মহিধৰে বিবাহৰ কাৰণেই হওক বা টকা দুটা অপব্যয় নকৰো বুলিয়েই হওক সভালৈ নগল। কাৰণ সভালৈ গলেই আগৰ চহি কৰা পয়ছা কেইটা দিবই লাগিব। বোধ হয় দ্বিতীয়টোৱেই তেওঁৰ ভাব। ঠিক উল্লিখিত তাৰিখে মহিধৰৰ সৈতে গুণৱতীৰ সমাৰোহে বিবাহ হৈ গল। দৰা দেখিবলৈ

সুন্দৰ, জ্ঞানী ও সৰল স্বভাৱৰ ! মাক-বাপেকৰ এজনী জীয়েক বুলি গুণৱতী বাল্যকালৰে পৰা অতিশয় আদৰ পাই আহিছে। যেতিয়া তাইৰ যি অভাৱ ও অভিলাস হয়, মাক-বাপেকে যি কোনো মতেই তাইৰ মন পূৰণ কৰিছিল। গুণৱতীয়ে কোনো অন্যায় কাম কৰিলেও তাত বাধা বা দোষাৰোপ নিদিছিল বা নকৰিছিল। মাক-বাপেকে ভাবিছিল, যে বিবাহ হৈ গলে এই বিলাক দোষ এৰি যাব। কিন্তু লৰা কালত যদি বেয়াৰ ছাঁ এবাৰ পৰে, তেন্তে সেই ছাঁ সোণকালে এৰি নেযায়। কোনো বেয়া অভ্যাস এবাৰ হৈ গলে সেই বিলাক জীৱনৰ লগৰীয়া হৈ উঠে। দুখৰ বিষয়, অনেক মাক-বাপেকে সন্তানক অধিক স্নেহ কৰাত সেই কালে চকু ফুৰাই নেচায়। তাৰ ফল যে পিছত কিমান গুৰুতৰ হয় তাক ভাবি নেচায়। যেতিয়া সিহঁতে বুজিব পাৰে, তেতিয়া তাৰ প্ৰতিকাৰৰ কোনো উপায় নেথাকে।

আমাৰ গুণৱতীয়ে মাক-বাপেকৰ বৰ আদৰ পাই আহিছে, সেই কাৰণে সৰুৰে পৰা অলপ চঞ্চল ভাৱৰ, লজ্জাহীনা আৰু বিলাসিনী হৈ উঠিছিল। নিজৰ বেশ-ভূষা, চাবোন, এছেন্স ইত্যাদি লৈহে দিন কটায়। সহিষ্ণুতা কাক বোলে নেজানে। গুণৱতীয়ে যি কৰে মাক-বাপেকৰ মনত তাকে ভাল লাগিছিল। যি কয়, মাকৰ মনত সেয়ে মধু বৰ্ষণ কৰে। পিতাকে কিবা এটা কলেও গুণৱতীয়ে কান্দে, বা গাল ওফোন্দাই বহি থাকে। তেনে দৃশ্য স্নেহময়ী মাকৰ মনত ভাল নেলাগিছিল আৰু জীয়েকৰ ফলীয়া হৈ গিৰিয়েকৰ সৈতে দন্দ কৰে। সেই কাৰণে গুণৱতীয়ে সৰুৰে পৰা, সহিষ্ণুতাৰ শিক্ষা পোৱা নাই।

গুণৱতী এতিয়া বেছ গাভৰু। সৰুৰে পৰা আলাসত থাই এতিয়া অনেক সুখ ভোগৰ বাসনা জ্বলি উঠিল। জোৱাঁইদেৱে কান্তি বাগানত কাম কৰে। শহুৰেকৰ ঘৰলৈ গৈ গুণৱতী বৰ বিপদত পৰিল,

উৰি ফুৰা চৰাই সজাত সোমাই পৰিল। বাপেকৰ ঘৰত থাকোতে গুণৱতীৰ একো কাজ কামৰ শিক্ষা নহল। সেই কাৰণে গুণৱতীয়ে শাহুৱেকৰ ঘৰতো সংসাৰৰ কাম কৰি, শহুৰ-শাহুৱেকক একো সুখ দিব নোৱাৰিলে অইন কি এই বিলাক দাসীৰ কামবুলি ভাবি নকৰিছিল বুলি কলেও সৰহ কোৱা নহয়। সৰু কালৰে পৰা কতো বাধা পোৱা নাই, যেনে ইচ্ছা তেনেকৈ ফুৰিব, কৰিব পাৰিছিল; এতিয়া শহুৰেকৰ ঘৰ পাই বাধা পালে। মহা দুখত কাল যাপন কৰিব ধৰিলে। আচল কথা তাইৰ শাহুৱেকৰ ঘৰ একেবাৰে ভাল নেলাগিছিল।

দেৱকান্তিয়ে যি বিছাৰিৰিলে তাক নেপালে, সি মনে মনে ভবিষ্যত প্ৰণয়িনীৰ যি চিত্ৰ আঁকি ইমান দিন মনে মনে কি বুলি আদৰ কৰিম, কি বুলি মই তাইৰ প্ৰাণৰ লগত মিহলি হৈ থাকিম বুলি ভাবি নেপাইছিল, এতিয়া এই নতুন পত্নীক যি ভাৱে পালে, তাই যে কেতিয়াও মনোমত নহয় তাক বুজিবলৈ বাকী নেথাকিল। সেই কাৰণে দেৱকান্তিৰ মনটো প্ৰথমৰ পৰা কিবা ইচ্ছানোহোৱা হৈ পৰিল। তথাপি নতুন প্ৰণয়িনীৰ মনোৰঞ্জন কৰিবৰ নিমিত্তে সাধ্যমত চেষ্টা কৰিছিল। তাইৰ এটা হাঁহি দেখিবৰ নিমিত্তে, তাইৰ মুখলৈ সতৃষ্ণ চকুৰে চাই থাকে। কিন্তু দেৱকান্তিয়ে পাইছিল, কি —খং, নিন্দা, ও মায়াহীন ভাব। তেনেকৈ প্ৰায় দুমাহ থাকি আকৌ গুণৱতীয়ে বাপেকৰ ঘৰলৈ আহিলে। গুণৱতীক আনিবলৈ যোৱা মানুহৰ আগত শাহুৱেকে কৈ পঠিয়ালে যে ভালকৈ বোৱাৰীক কিছুমান সংসাৰৰ কাজ কাম শিকাই পঠাব।

কিন্তু চপলাই যেতিয়াই এই কথা শুনিলে, তেতিয়াই কলে সিহতৰ নিচিনা দুখীয়া ঘৰলৈ মোৰ লৰাক দি দুখহে দিছো, লৰা সৰুৰে পৰা গাখীৰ কল খাই ডাঙৰ হৈছে, যদি সিহতৰ চকুত ভাল

নেলাগে. তেন্তে ঘূৰাই দিলে হয়”। তাৰ পাছত গুণৱতীয়ে দীঘল তালিকা দি মাকক কলে—“সিহত বৰ খেংখেঙ্গীয়া মানুহ, মই আৰু তালৈ নেযাওঁ”। মাকে হাঁহি হাঁহি কলে—“যদি আকৌ তোক এনেকৈ দুখ দিয়ে তেন্তে আৰু নপঠাও।”

গুণৱতীয়ে ইয়াকো মিছা মাত্তি কলে যে শাহুৱেকৰ ঘৰত পইতা ভাত দিয়ে, ও গোটাই দিনটো মোকে কাম কৰিবলৈ দিয়ে”। তাৰ উপৰিও গিৰিয়েকৰ মাৰকিল্ খাব লাগে ইত্যাদি। বোধ হয় ঈশ্বৰে জানি বুজিহে মাক যেনে জীয়েকো তেনে দিছে। আমি আগেয়ে কৈ থৈ আহিছো নহয়, তেনে নাৰী-প্ৰেতৰ ঔৰসত ভাল সন্তান হব নোৱাৰে। বোধ হয় গুণৱতীয়ে মাকক কি বুলি কম গৈ বুলি ভাবি আহিছিল।

পাঠক, নাৰীৰ যদি সংসাৰত আচল সখীয়েক আছে, তেন্তে জানিবা যে মাকহে জীয়েকৰ আচল সখীয়েক। কাৰণ যি কোনো কথা হলেও মাকক জনাব, অইন কি জোৱাঁয়েকে ভাল পায়নে নেপায়, সুখত ৰাখিছে নে ৰখা নাই সেইবিলাক পৰ্য্যন্ত মাকক কব। আৰু মাকেও জোৱাঁয়েক কেনে, ভাল পায় নে ? তোক মৰম কৰে নে ? ইত্যাদি ইত্যাদি সোধে। অইন কি তুমি যদি বিবাহ কৰি প্ৰমাণৰ নিমিত্তে দুমাহ মান গৃহবাস নকৰা, তেতিয়াই সেই কথাও মাকক কবলৈ লাজ নকৰে। কিন্তু সেই কথা তাইৰ সহস্ৰ সখীয়েক থাকিলেও নকয়। মাকে যদি কয়, “তোমাক অমুকৰ লগত বিবাহৰ বন্দবস্ত কৰা হৈছে” তেতিয়া জীয়েকে এই কথাকো কব যে “মই তাক ভাল নেপাও অমুকালৈহে যাম” ইত্যাদি ইত্যাদি। আৰু মাকে যদি কয় “আমুকি হেলো আমুকালৈ যাব খুজিছে” তেতিয়া জীয়েকে কব—“ইহ্ মই নেজানো আকৌ তই জান, কেনেই তালৈ যাব, আমুকাহে, আমি

একেলগে ফুৰা মানুহ আমি নেজানো তহতে জান”। কিন্তু বাপেক পুতেকৰ ভিতৰত তেনে কথা হব পাৰে নে? জীৱন গলেও “মই আমুকীক ভাল পাও, তাইক হে লাগে” বুলি কব নোৱাৰে। জীয়েকে হলে মাকক, জোৱায়েকৰ লগত আজি ৰাতি কি দন্দ লাগিল তাকো কবলৈ সঙ্কোচ নকৰে। পুতেকে তেনেকৈ তিৰোতাৰ লগত কি দন্দ লাগিছিল পিতাকক কব নে? সেই কাৰণে নাৰীৰ যদি আচল সখী-য়েক আছে তেন্তে মাক।

বহাগৰ বিহুত জোৱাঁয়েক দেৱকান্তিক নিমন্ত্রণ পত্র দি মহিধৰে মাতি পঠিয়ালে। জোৱাঁয়েকে কত হেপাহ, কত আনন্দ, কত আশা লৈ শহুৰেকৰ ঘৰ পালেহি। মনত ভাবিছিল এইবাৰ তেওঁৰ পত্নী গুণৱতীয়ে তেওঁক আদৰ কৰিব—হাঁহি প্রাণ খুলি কথা কব। সেই-বাৰ হয়তো লাজতে মুখ খুলি কথা কব নোৱাৰিলে—এইবাৰ হয়তো তেনে লাজ নেথাকিব। কিন্তু আহি কি পালে? সেই আগৰ নিচিনা অভিমানীনী—তেনেকুৱাই দাম্ভিকা ও মিছলীয়া। তাৰ উপৰিও শাহুৱেকে ভাল ৰকমৰ শিক্ষা দিলে। প্রতিজ্ঞা কৰিলে “এনে পত্নী আৰু শাহুৰ লগত কথাকে নকওঁ।”

এইবাৰ আকৌ গুণৱতী শহুৰৰ ঘৰলৈ আহিল। তথাপি আগৰ স্বভাৱ এৰিব পৰা নাই, বৰং মাকৰ সাহ পাই অলপ চৰিহে গল। দেৱকান্তিৰ প্রতিজ্ঞা পিছলৈ নেথাকিল। শেষত বাধ্য হৈ নিজে কথা কব লগীয়াত পৰিছিল। তাইৰ প্রেম, তাইৰ মৰম, তেওঁৰ ভাল নেলাগিছিল। তেওঁ যিমান হেপাহৰে তাইৰ ওচৰ চাপিছিল, তাই সিমান আঁতৰি গৈছিল। তেওঁ যিমানেই তেওঁৰ জীৱনটোক তাইৰ চৰণৰ তলত পেলাই দিব খোজে, তাই সিমান কটাক্ষ নয়নে চাইছিল। আচল কথা বিবাহ হোৱা দিনাৰ পৰা দেৱকান্তীয়ে গুণৱতীৰ পৰা ভাল ব্যৱহাৰ পোৱা নাই।

দেৱকান্তি সু-পুৰুষ নহলেও খঙাল নহয়। তেওঁ সঁচা কথা কয়, প্ৰেমময়, সচ্চৰিত্ৰবান ; তথাপি গুণৱতীৰ ভাল নেলাগিছিল। কেলেই যে ভাল নেলাগিছিল, নিজেও কব নোৱাৰিছিল। যদি অন্য তিৰুতাই এনেকুৱা স্বামী পালেহেতেন তেন্তে আপোনাক ধন্য মানিলেহেতেন কিন্তু গুণৱতীয়ে নিজক দুৰ্ভাগিনী বুলি সদায় কেনেকুৱা এটা গুপ্ত বেদনাত জ্বলি মৰিছিল। এনেকৈ কিছুমান দিন থাকি আকৌ বাপেকৰ ঘৰ ললে গৈ। এইবাৰ আৰু বাপেকৰ ঘৰত আহি আকৌ শহুৰেকৰ ঘৰলৈ নগৈ এদিন মনে মনে পলাই গল। ঘৰত ইমান বিচাৰ কৰিও নেপালে। অৱশেষত জনা গল যে গাৱঁৰ ডেকা লৰা এটাও তাৰ মাকৰ হাত বাকছৰ পৰা তিনি শ টকা লৈ পলাই গল। তেতিয়া আৰু কাৰো জানিবলৈ বাকী নেথাকিল। তেতিয়া মহিধৰে কৈছিল—"মাকে লৰাক অতি মৰম দি সৰ্ব্বনাশ কৰিলে, আৰু সেই ছোৱালীৰ নামকে নকৰোঁ।" কিন্তু চপলা আইদেও তেনে বিধৰ মানুহ নহয়, তেওঁ যদিও দুই তিনি দিন ভাত পানী এৰিছিল, কিন্তু অৱশেষত দোষ দিলে জোৱাঁয়েকক। কাৰণ "লৰাজনীক মাৰে, দুখ দিয়ে, পঁইতা ভাত খুৱায়, সেই কাৰণে লৰাই সুখ বিচাৰি গল।" তাৰ পাছ দিনাই বিয়েয়েকৰ চিঠি এখন পালে। তাত লেখা আছিল যে "সেই বোৱাৰীয়েকক আৰু তেওঁৰ ঘৰলৈ নিনিয়ে, পুতেকৰ নিমিত্তে অন্য ঠাইত বিবাহৰ বন্দবস্ত কৰা হৈছে।"

তেনেকৈ কান্তিও সৰুৰে পৰা দুৰন্ত, বদ্‌মাইচ্ আৰু মিছলীয়া। লেখা পঢ়াত তাৰ মনেই নাছিল, কেতিয়াবা যদি মহিধৰে পুতেকক কিবা এটা কবলৈ যায়, স্নেহময়ী মাকে কান্দি খণ্ড-প্ৰলয়ৰ সৃষ্টি কৰে। সেই কাৰণে লৰাৰ (কান্তিৰ) বিদ্যা-শিক্ষা বা চৰিত্ৰ-গঠন হোৱা নাই। সেইকাৰণে শ্ৰীমান কান্তিয়ে গাৱঁৰ স্কুলৰ তৃতীয় শ্ৰেণীলৈ পঢ়ি সৰ-

স্বতীৰ ওচৰত পঢ়া ইস্তফা দি, বাট-চৰাত আহিঁ বহি পৰিল। এই সময়ত দুষ্ট হলে, আৰু মাক-বাপেকৰ বেছি আদৰ পালে লৰাৰ যি যি ঘটে, তাৰ এটাও কান্তিৰ নঘটাকৈ নেথাকিল। চপলাই কৈছিল "সাতোটা নহয় এটা লৰা, যি ধন সম্পত্তি আছে সেইয়ে তাক নমৰা কাললৈ আঁতিব। কান্তিয়ে প্ৰথমে মদ, ভাং আদি খোৱা বিদ্যাত পাৰ্গত হৈ এতিয়া গান-বাজনাৰ বিদ্যাত লাগি পৰিল। বোধ হয় গান-বাজনাকো দাহ নকৰি নেৰে।

যদি এইবিলাক কথা কোনোবাই কোৱা শুনিলে, হিতৈষিণী মাকে কৈছিল, "গান-বাজনা কৰা এটা ভদ্ৰলোকৰ কাম, যাৰ মাক বাপেকৰ পয়ছা নাই সেইবিলাক লৰাৰ "ফুৰ্ত্তি" কি? লৰাই ঘৰত বহি অলপ গান বাজনা কৰিব—তাতো লোকৰ হিংসা। মদ, ভাং আজিকালিৰ কোনো বাবু মানুহে নোখোৱা নাই, সেইবিলাক বস্তু ডাঙৰ মানুহৰ এটা লগৰীয়া, সেইবিলাক যি নেজানে সি আমাক হিংসা কৰি মৰে।"

এদিন ৰাতি মাকৰ বাকছৰ পৰা কিছুমান টকা লৈ, নীচ জাতিৰ গাভৰু এজনীৰ লগত কান্তিৰাম পলাল। মহিধৰে পুত্ৰৰ অসদ্ব্যৱহাৰ দেখি মনত বৰ বেজাৰ পালে। সেই দিনাও মহিধৰে কৈছিল যে "তোমাৰ মৰম পাইয়ে লৰাটো তেনে হল।" কিন্তু চপলাই মনে মনে ভাবিছিল "সেইটোও এটা বাবু লোকৰ ফুৰ্ত্তি।"

চপলাই ভাবে যে তাই বৰ ধনী মানুহ। মদ খোৱা, ধপাত খোৱা, ভাং খোৱা, এইবিলাক ভদ্ৰ মানুহৰ লক্ষণ। সেই নিমিত্তে তাইৰ পুতেকে যদি এইবিলাক বিষয় আৰ্জি নলয়, তেন্তে দুখীয়া মানুহৰ লগত সিহঁতৰ প্ৰভেদ থাকিল কত? সেই কাৰণে পুতেকক কোনো কুকামতে বাধা দিয়া নাছিল। যদি কোনোবাই সেই বিষয়ে কিবা কয়, তেতিয়া চপলাৰ সহ্য নহৈছিল—ভালকৈ দুই একাষাৰ কথা শুনাই দিলেহে ক্ষান্ত।

বহুত দিনৰ মূৰত এদিন খবৰ আহিল যে শ্ৰীমান কান্তিৰাম কোনো এটা অপৰাধত বৰ্ত্তমান কাটেকত আছে। এই কথা শুনি কোনো কোনোৱে দুখ প্ৰকাশ কৰিলে, কোনো কোনোৱে ঠাট্টা কৰি কলে "সেইটোও এটা ডাঙৰ মানুহৰ লক্ষণ।"

---

## দ্বাদশ পৰিচ্ছেদ।

### কামিনী।

আগত কৈ অহা হৈছে যে মহিধৰ ধনী, তেওঁৰ কোনো কালে অভাৱ নাছিল; কিন্তু ধনী মানুহৰ কেতিয়াবা দুৰাকাঙ্খা ভাব গুচে নে? মহিধৰৰ বা গুচিব কিয়? তেওঁ যাৰ নিমিত্তে ধৰ্ম্মা ধৰ্ম্মৰ ফালে নেচাই, যাৰ মুখৰ নিমিত্তে পইঁতা ভাত খায়ো সেই সাজৰ পয়ছা জমা ৰাখিছিলে, যাৰ সুখৰ নিমিত্তে তেজক পানী কৰি, লাজক লাজ নুবুলি ধন ঘটিছিল, আৰু মিছা কথা কোৱা পাপ বুলি জানিও মিছা কথা কৈ কত মানুহক ঠগাইছিল; সেই ঘৰৰ একমাত্ৰ পুত্ৰ কান্তিৰ যেতিয়া এই খবৰ পালে, তেতিয়া মহিধৰে সাত পতাল ভাবিবলৈ ধৰিলে! যতে ততে পুতেকৰ সু-নাম হলে পিতাকৰ আনন্দ, জীয়েকৰ ভাল নাম হলে মাকৰ প্ৰাপ্য। সেই কাৰণে সেই হেন শোকৰ খবৰ পাই বাপেকে নিজক নিজে ৰাখিব নোৱাৰি মুৰ্চ্ছিত হৈ পৰিছিল। কিন্তু মাকে হলে "মোৰ আইকন, তই কলৈ গলি" বুলি চিঞৰি ডিডি কান্দিলে। পুতেকৰ বাবে সিমান নাই, কাৰণ পুতেকে "ফুৰ্ত্তি কৰিব লৈগ।"

এনে সময়ত এজনী মলিন কাপোৰ পিন্ধা নাৰী উপস্থিত হল গৈ। তাইক দেখিলে সেই ঘৰৰ চাকৰণী যেন হে লাগে; চাকৰণী বুলি কলেও সিমান কম কোৱা নহয়। তাই দুই বেলা দুমুঠি ভাত পায় আৰু গোটেই দিনটো খাটে। আৰু যেতিয়ালৈকে পিন্ধা কাপোৰ খনি ফটা এশ গাঠি দেখুৱাব নোৱাৰে, তেতিয়ালৈকে চপলাই আৰু এখন কাপোৰ নিদিয়ে। তেনে মানুহক চাকৰণীৰ বাহিৰে কিবা কব পাৰে নে? বোধ হয় চাকৰণীও ইয়াতকৈ সুখত থাকে; বোধ হয় পাঠক পাঠিকাৰ স্মৰণ আছে, সেই জনী মহিধৰৰ ভণীয়েক কামিনী। আজি দুদিন কামিনীৰ] কপালত আহাৰ লেখা নাই। কামিনীৰ একোৰে অভাব নাছিল। তাইৰ চকচকীয়া, জকজকীয়া, ভকভকীয়া, পকা থেকেৰা স্বামী। স্বামীয়ে যি উপাৰ্জ্জন কৰে তাৰ পৰাই খাই পিন্ধি বেছ দুই পয়ছা আয় হয়। কিন্তু ঈশ্বৰে এই সংসাৰত কাকো গোটেই সুখৰ অধিকাৰ নিদিয়ে। যাৰ ধন, মান, যশ আছে, তাৰ সন্তান নাই, যাৰ আছে সিও বদমাইচ, নপঢ়ে। যাৰ খাবলৈ নাই, তাৰ হয়তো এপাল মান সন্তান; কিন্তু টকাৰ অভাৱত লৰাক মানুহৰ মাজত গণ্য কৰাবলৈ পৰা নাই। এইয়ে হৈছে সংসাৰৰ নিয়ম। এই সংসাৰ এনে বিপৰীত হৈয়ে গঢ়া। আজি যি হাহিছিল, কালিলৈ বা সেই জনেই ক্ষন্তেকতে কান্দিব। হয়তো আজি অতুল ধন সম্পত্তিৰ গৰাকী, কালি লৈ পথৰ ভিক্ষাৰী, আজি হয়তো পথৰ ভিক্ষাৰী, কালিলৈ অতুল ধন সম্পত্তিৰ গৰাকী! তেনেকৈ অমৃতত বিহ, প্ৰণয়ত বিৰহ, গোলাপত বিযাক্ত ৰেণু, অন্ধকাৰত জোনাক, পুণ্যত পাপ, দিনৰ পাছত ৰাতি, এনে বিপৰীত হৈয়েই সংসাৰ সৃষ্টি। তেনেহলে কামিনীৰ বা বিপৰীত নহব কিয়? নিয়তীয়ে যেই ফালে নিয়ে সেই ফালে চলিবই লাগিব। যদি কোনোবাই নিয়তীৰ নিয়ম খণ্ডন কৰিব পাৰিব, তেন্তে জানিব

লাগিব যে ব্ৰহ্মাৰ হাতত এতিয়াও তেনে জীৱৰ উৎপত্তি হোৱা নাই। কামিনীৰো সেই গতি, ইমান ধন, সোণ, মাল, থাকিও আজি এমুঠি ভাতৰ নিমিত্তে ভিক্ষাৰিণী।

তাইৰ স্বামী কোনো দূৰ দেশত তাইক লৈ চাকৰি কৰিছিল। তেওঁৰ ইহ সংসাৰত আপোন বুলিবলৈ স্ত্ৰীৰ বাহিৰে কোনো নাছিল। সৰুতে মাক বাপেক মৰে, তেওঁৱেই মাক বাপেকৰ একমাত্ৰ আদৰৰ সন্তান। তেওঁৰ যেতিয়া বাৰ বছৰ, তেওঁৰ মাক বাপেক এটা ডাঙৰ ৰোগত পৰি ইহ সংসাৰৰ লীলা-খেলাৰ সামৰণি মাৰি গুছি গল। তেওঁ তেতিয়া বেছ দুই শ্ৰেণী পঢ়িছে, বাপেকৰ যি টকা পইছা আছিল, তাৰে তেওঁ আৰু চাৰি বছৰ পঢ়ি, চাকৰি এটা বন্দবস্ত কৰি লৈছিল। এনে সময়তে তেওঁৰ লগত কামিনীৰ বিবাহ হয়। বিবাহৰ প্ৰায় দহ বছৰ পাছতে এদিন জ্বৰ হৈ শোৱা পাতি দখল কৰি পেলালে, আৰু সেইয়ে হল তেওঁৰ সৰ্ব্বস্ব। অৱশেষত সাত দিন জ্বৰ পৰি, অকালত তেওঁৰ ভাৰ্য্যা, নয়নৰ মণি, অন্ধকাৰৰ চাকি, পিয়াহৰ পানী, ভাগৰৰ জিৰণি, একমাত্ৰ কামিনীক থৈ এই ভৱ-সংসাৰৰ পৰা বিদায় ললে। তেতিয়া কামিনীয়ে কৰে কি? ভাবি একো ঠিক কৰিব নোৱাৰি তাইৰ স্বামীৰ আৰ্জ্জিত ধন সম্পত্তি লৈ আহি ককায়েকৰ লগতে থাকিলেহি। যি সম্পত্তি আছিল, সেই সম্পত্তিৰ দ্বাৰাই তাইৰ জীৱন কাটিল হেতেন কিন্তু কি কৰিব, ইফালে তাইৰ গৰ্ভত সন্তান। যথা সময়ত তাইৰ এটি সুন্দৰ বালক প্ৰসৱ হল। "যাৰ কপাল ভাঙ্গিছে তাইৰ আকৌ সুন্দৰ বালক।" কিন্তু সুখে দুখে এই দুই বছৰ ককায়েকৰ লগতে আছে; আৰু যি ধন সম্পত্তি আছিল, সকলোবিলাক বৌৱে-কৰ হাতত সঁপি দিলে। এতিয়া তাই বৌৱেকৰ চাকৰ; যেতিয়া তাই এদিনা আহি বৌৱেকৰ আগত কলে "বৌ দেও মোৰ লৰাটোৰ মুখ

খনি চোৰাছোন, আজি বাতিপুৱাৰ পৰা খাবলৈ নেপাই কেনেকৈ শুকাই গৈছে। মোৰ কপালত যি আছিল সকলো ঘটিছে; মই দুদিন নেখায়ো থাকিব পাৰো, মই নমৰিও মৰা, তেওঁ যেতিয়া ঢুকাল, তেতিয়াই মোৰ আত্মাও তেওঁৰ লগতে গল; কিন্তু মোৰ সোণামুৱাৰ দুখ যে চাব নোৱাৰো, বৌদেও এমুঠি ভাত দিয়া, লৰাটোক এগৰাহ খুৱাওঁ।” তেতিয়া চপলাই মাত লগালে—“তোৰ লৰাক যদি ইমান খুৱাবৰ মন থাকে, তেন্তে অইন এটাৰ লগত পুনৰ বিবাহ কৰি যিমান ইচ্ছা সিমান খুৱা, যদি নোৱাৰ তেন্তে লঘোনে থাক; মোৰ ঘৰত এনে ধনী মানুহৰ ভাত নাই, তই কুলক্ষণী আহিলতহে মোৰ ঘৰত এনেখন হৈছে। তই নিজৰ কপাল পুৰিলিয়েই আৰু অন্যৰ কপালও ভাঙিবলৈ ধৰিছ এনে হিংসাকুৰিয়া মানুহ মোৰ ঘৰৰ পৰা ওলাই গলেই ৰক্ষা!” যেতিয়া এই কথা কামিনীয়ে শুনিলে তেতিয়া কান্দি পেলালে। “হাঁয় ঈশ্বৰ! মোকো কেলেই তেওঁৰ লগতে নিনিলা? তেওঁ গল, কিন্তু তেওঁৰ ভাল পোৱা নেযায় কিয়? তেওঁৰ স্মৃতি মনৰ পৰা মুগুচে কেলেই? হাঁয় পুত্ৰে! তই কিয় মোৰ নিচিনা হত-ভাগিনীৰ গৰ্ভত জন্ম ললি? তই কিয় পাঁচ মাহতে গৰ্ভত মৰি নগলি?” এনে সময়ত তাইৰ দুবছৰীয়া পুত্ৰ আহি মাকক কলে “আই—মোৰ ভোক লাগিছে, খাব দে, মোৰো ভোক লাগিছে”, মাকে পুতেকক পাই সাবতি ধৰি বুকুত সুমাই কবলৈ ধৰিলে;—“সোণ! তোৰ কোন আছে, পিতাৰ থকা হলে তই কি ভাত খুজিব লাগিল হেতেন? মোৰ সৰ্ব্বস্ব, সোণ! তইয়ে ইমান দিন মোক জীয়াই ৰাখিছ, তোৰ মুখ দেখিয়ে মোৰ সকলো তাপ গুচিছে।” এনেকৈ বহুত পৰ কন্দাৰ মূৰত সাহ কৰি আকৌ মাত লগালে, “চোৱা বৌ দেও কেনেকৈ মোৰ সোণে খাবলৈ ভাত খুজিছে, তোমাৰ নো অলপো দয়া মমতা নাই নে?

মোক একো নেলাগে, মই গোটেই দিনটো খাটিম, কিন্তু মোৰ সোণক এগৰাহ ভাত দিয়া।” এনেতে চপলাই মাত লগালে—“গুচ্ তই ইয়াৰ পৰা, কেৱল কান্দি কান্দি মোৰ ঘোৰ অনিষ্ট কৰিছ, ইমান যদি তোৰ বাক্সৰ ভোক লাগিছে, তেন্তে নিজে বিক্ৰী যা। দুখীয়া মানুহবিলাক ইমান জাকে জাকে লৰা পুহিছে কেনেকৈ?” এই কথা শুনি কামিনীয়ে মৰ্ম্মান্তিক বেজাৰ পাই কলে, “দুখীয়া মানুহবিলাকে সিহতৰ লৰা-ছোৱালীবিলাকক মাটি খুৱাই জীয়ায়।” এই কথা শুনি চপলাই কলে “সেইবিলাক দেখোন অনেক মাটি আছে, তইও তোৰ বাক্সক খাবলৈ দে। বাক্সক আৰু কি ভাত লাগিছে?”

এনে সময়ত সেই ঠাইত এজন জুতা-মোজা পিন্ধা বাবু উপস্থিত হল, তেওঁ মহিধৰৰ বৰঙণিৰ পয়ছা দুই টকা নিবলৈ বা মহিধৰৰ কুশল-সংবাদ লবলৈ তেওঁৰ ঘৰলৈ আহিছিল, কিন্তু এই কাণ্ড দেখি তেওঁৰ লগত আৰু দেখা সাক্ষাত নহল। তেওঁ কি কি ঘটিছে জানিবৰ নিমিত্তে বাহিৰত থিয় দি শুনি আছিল। যেতিয়া সকলো কথা শুনিলে, তেতিয়া তেওঁৰ সহ্য নহল। আগ পিছ নুগুণি খৰ কৰি আহি কামিনীৰ কোলাৰ পৰা লৰাটো নি, কামিনীক বাৰে বাৰে তেওঁৰ পাছত আহিবলৈ কোৱাত, কামিনীয়ে যাবলৈ অস্বীকাৰ কৰিলে। “আপুনি কোন, মই নেজানো মই আপোনাৰ লগত যাব নোৱাৰো। যদি মৰম লাগিছে তেন্তে মোৰ লৰাক এগৰাহ খুৱাই আনক গৈ।” তেতিয়া বাবু জনে মাত লগালে—“মই আপোনাৰ এজন হিতৈষী, আপুনি মোৰ লগত আহিবলৈ কুণ্ঠিত হৈছে কিয়? মোৰ পৰা আপোনাৰ ইষ্টৰ বাহিৰে একো অনিষ্ট নহয়। মোক বিশ্বাস কৰক। আপুনি এই বাক্সীৰ ঘৰত থাকি ধ্বংস পাব খুজিছেনে কি? মই আপোনাক আজিৰ পৰা পালনৰ ভাৰ ললোঁ। মোক পিছত চিনি পাব। উঠক, উঠক, খৰ কৰক।” এনেতে চপ-

লাই ঠাট্টা কৰি কবলৈ ধৰিলে—"বেছ স্থন্দৰ পুৰুষ, ভাল হৈছে।" তেতিয়া কামিনীয়ে ভাবিলে, "এই ৰাক্ষসীৰ লগত থাকি ধ্বংস পোৱা—তকৈ, তেওঁৰ লগত যোৱা হে শ্ৰেয়ঃ। তেওঁ অৱশ্যে মোৰ কোনোবা আপোন মানুহ, নহলে ইমান মানুহ থাকিও এদিনো বিপদত সহায় কৰা নাই, তেওঁ যেতিয়া কোনো বিপদৰ শঙ্কা কৰিব দিয়া নাই, তেন্তে মোৰ একো বিপদ নহয়, বিপদ হলেই বা কি? কিন্তু এই বিপদতকৈ আৰু কঠিন বিপদ নাই। যি হওক ইয়াৰ লগতে যাওঁ।" তেতিয়া কামিনীয়ে মাত লগালে "চাওক, যেতিয়া আপুনি মোক ইমান সহায় কৰিবলৈ গাত লৈছে, তেতিয়া আৰু মোক কোনো বিপদত পেলালে আপোনাৰ ঘোৰতৰ পাপ হব, চন্দ্ৰ-সূৰ্য্য আছে. ব'লক এতিয়া এই বুলি কৈ বাবু জনক অনুসৰণ কৰিলে। হাঁয়! পতি-হীনা তিৰোতাৰ এনে দশাই হৈ থাকে নে কি? হা ঈশ্বৰ!

তোমাক নাই বুলি কোনে কয়, তুমি আছা বুলিয়েই ইমান পাপী, তাপী, দীন, দুখী, মানুহ তৰিছে। তুমি যেতিয়াই জীৱৰ সৃষ্টি কৰিছা, তেতিয়াই তাৰ আহাৰৰ নিমিত্তে বন্দৱস্ত কৰিছা, নোহোৱা হেতেন কি এই হত-ভাগিনী কামিনীয়ে সাগৰৰ মাজত পৰিও পাৰ পায়? দয়াময়! যেন এইদৰে আপুনি দীন দুখীৰ ফালে মুখ তুলি চাই পৰিত্ৰাণ কৰে। আমি নৰ, আপোনাৰ মহিমা কেনেকৈ বুজিম, দেৱ-গণে যেতিয়া আপোনাৰ মহিমা বুজিব নোৱাৰিলে, তেতিয়া আমি কোন চাৰ? ধন্য পৰমেশ্বৰ, ধন্য আপোনাৰ দয়া। ধন্য কামিনী! বোধ হয় ইমান দিনে তোমাৰ ওপৰত ঈশ্বৰৰ কৃপা-দৃষ্টি পৰিছে।" পাঠক বুজিব ও চিনিব পাৰিছে নে? সেই জন আমাৰ পূৰ্ব্বৰ চিনাকি গোবিন্দ বাবু। তেওঁৰ সেইটো জাল নাম, কাৰণ মহিধৰে কেনে-বাকৈ জানে বুলি তেওঁ নাম বদলি কৰিবলৈ বাধ্য হৈছিল।

তেওঁ গঙ্গাধৰৰ বৰ পুতেক "কিৰণ।" তেওঁ সেই দিনা দদায়েকলৈ মনত পৰি চাবলৈ গৈছিল। তেওঁ দদায়েকৰ ঘৰ পাই যি দেখিলে, তেওঁৰ আৰু বুজিবৰ বাকী নেথাকিল। ইয়াকো বেছ বুজিলে যে মহিধৰ ঘৈণীয়েকৰ হাতত পুতলা হল। যেতিয়া কামিনী আহি কিৰণৰ ঘৰত মইনাক দেখিলে, তেতিয়া মইনাক সাবত মাৰি ধৰি কলে, "বোপাই তইনো মৰিলিনে জীয়াই আছ, তাৰো খবৰ নেপাওঁ, তিনি বছৰৰ আগেয়ে এদিন দেখাৰ পৰা আৰু দেখা পোৱা নাই। তই ইয়াত কি কৰিছ, তই দেখোন বৰ এটা হলি; মোৰ ছুৰ্দ্দশা চাছোন, সেই ৰাক্ষসীয়ে তহতক যি কৰিলে মোকো তাৰ সুদে-মূলে দিলে, এইজন পৰোপকাৰীয়ে মোৰ দুৰ্দ্দশা দেখিব নোৱাৰি, তেওঁৰ লগতে লৈ আহিল। মই তেওঁতকৈ বয়সত অনেক ডাঙৰ. সেই কাৰণে মই আশীৰ্ব্বাদ কৰিছোঁ, তেওঁ যেন দীৰ্ঘজীৱী হৈ এইদৰে দীন দুখীক অভয় দান দিয়ে।" এনেতে কিৰণে মাত লগালে "এতিয়া থাকক সেইবিলাক কথা, আপুনি কাপোৰ-কানি সলনি কৰি লক, আৰু দুগৰাহ খাই যিমান পাৰে সিমান কথা বতৰা পাতিব।' কামিনীৰ অনিচ্ছা সত্বেও মইনাৰ অনুৰোধত তাইৰ ফটা মলিন কাপোৰ সলনি কৰি, সুন্দৰ মুগাৰ মেখেলা পিন্ধি ললে আৰু তাইৰ লৰাটোক লৈ ৰান্ধনি ঘৰলৈ গৈ ভাত দুমুঠি খালে। তেতিয়া কামিনীয়ে মইনাক শুধিলে "ভাত কোনে ৰান্ধে?" মইনাই কলে "কিয় মই ৰান্ধো।" "সেই বাবু জন কি হয়? তইবা কিয় ইয়াত আছ? বোধ হয় তোকো মোৰ নিচিনাকৈ দুখত পৰা দেখি তেওঁ আশ্ৰয় দিছে; তেওঁ বৰ দয়ালু মানুহ, তেওঁৰ অন্তৰত যেন দিনে ৰাতিয়ে পৰৰ উপকাৰৰ নিমিত্তে চিন্তা, কথাই প্ৰতি যেন অমৃত ভৰা।"

মইনা—মই ইয়াত আহি জীৱন সভাপতিৰ লগতে আছিলো। এদিন এওঁ মাতি আনি কলে, মোৰ ঘৰতে থাকা, মোৰ কোনো নাই,

মোক দুবেলা দুমুঠি বান্ধি দিবা অরু তুমিও খাবা। তোমাৰ খোৱা পিন্ধাৰ নিমিত্তে একো দুখ নহব। এই কথা শুনি মোৰ জীৱ আহিল, যি এদিন মই, হাঁয় ভাত, ভাত, কৰি এগৰাহ ভাত নেপাইছিলো, পিন্ধিবলৈ কাপোৰ বুলিবৰ কাপোৰ এডোখৰ নাছিল, তেতিয়া এনে সুখ পালে এবো কেনেই। তেওঁৰ কথাকে মানি আজিলৈকে ভয়-ভীত নোহোৱাকৈ খাই আছো। আৰু তেওঁৰ চেষ্টাত মোৰ কাৰবাৰও হল, এতিয়া কাৰবাৰ কৰি বেছ দুপয়ছা আৰ্জ্জন কৰো! তেওঁ যদি মোক সাৰতি নধৰিলে হেতেন, তেন্তে মোৰ মৃত্যু ভিন্ন একো উপায় নাছিল।" তেনেকৈ মইনাই তাৰ সকু জীৱন-কাহিনী পেহীয়েকৰ আগত কৈ পেলালে। এনে সময়ত কিৰণ পাক্ ঘৰত ওলাল হৈগ। তেতিয়া কিৰণে মাত লগালে, "মইনা তই তোৰ উপন্যাসটো পেহীদেওৰ আগত কৈছ হব পায় নহলে ইমান দেৰি কিয়?" তেতিয়া মইনাই মাত লগালে, "হয় ককাই দেও, পেহীদেওৰে এতিয়ালৈকে আপোনাৰ কথাকে কৈ আছিল। পেহীদেও! এওঁ মোৰ ককাই কিৰণ।" তেতিয়া কামিনীয়ে থৰ হৈ কিৰণৰ মুখৰ ফালে চাই থাকিল। কিৰণে ধপ্ কৰি পৰি পেহীয়েকৰ পদধূলী মূৰত ললে। পেহীয়েকে মৰমতে কিৰণৰ হাতত ধৰি মাটিৰ পৰা তুলি ঘণে ঘণে চুমা খাবলৈ ধৰিলে, তাইৰ চকু-পানীয়ে গোটেই কিৰণৰ গাল তিতাই পেলালে। তেতিয়া কামিনীয়ে মাত লগালে, "বোপাইহঁত তহত ইয়াত থকা জানিলে কি মই সেই ৰাক্ষসীৰ ঘৰলৈ যাওঁ. মোৰ নিজৰ ককাই, একে তেজৰ; একে গৰ্ভতে জন্ম, তথাপি তেওঁ মোক এদিন ভনী বুলি আদৰ নকৰিলে। মোৰ যিমান সম্পত্তি আছিলে, সিবিলাক সকলো ৰাক্ষস-ৰাক্ষসীৰ হাতত পৰি ধ্বংস পালে। বোপাইহঁত! তহঁত দীৰ্ঘজীৱী হৈ এইদৰে যেন পৰৰ উপকাৰ সাধিবলৈ ঈশ্বৰে বল দিয়ে।"

"আহা! সেই মিলন কেনে সুখৰ মিলন! সেইটো ৰজাৰ অতুল সম্পত্তিৰ সুখ নহয়। কিম্বা ৰণজয়ী-বীৰৰ সুখ নহয়, বা পতি-পত্নীৰ প্ৰেমৰ সুখ নহয়। এই প্ৰেম—এই সুখ, এই মিলনত পাপ, তাপ নাই। এই প্ৰেম নিৰ্ম্মল। এই সুখৰ তুলনা নাই। এই প্ৰেম দেৱতাৰো দুৰ্লভ।"

সেই দিনৰ পৰা পেহীয়েকেই সেই ঘৰৰ গৃহিণী। ভাত-পানী আদি কৰি সকলো খিনিকে এতিয়া কামিনীয়ে কৰে। যেতিয়া কামিনী মহিধৰৰ ঘৰৰ পৰা ওলাই আহে, সেই দিনাৰ পৰা চপলাই হুমুনীয়া কাঢ়ি বাচিলে। আৰু ইয়াকো কৈ ৰাইজৰ মনত বিশ্বাস কৰাই দিলে যে কামিনীয়ে মনে মনে এজনক ৰবিছিল। আজি মোৰ ঘৰৰ পৰা লৈ গল।"

---

# ত্ৰয়োদশ পৰিচ্ছেদ।

## আলহীৰ ব্যৱহাৰ।

কিৰণ আহি ৰাতি দহটা মান বজাত তেওঁৰ জন্ম -ভূমি পালেহি। কিন্তু পোনে পোনে দদায়েকৰ তালৈ নগৈ গাৱঁৰ এজনৰ ঘৰত সোমাল। তেওঁ পূৰ্ব্বে সেই মানুহ জনক বেছ চিনে। তেওঁ যেতিয়া দদায়েকৰ ঘৰৰ পৰা পলাই যায়, তেতিয়া সেই মানুহ জন ডেকা, কিন্তু নিচেই সৰল স্বভাৱৰ আছিল। এতিয়া সেই মানুহ জনে কিৰণক চিনি নেপালে। মানুহ জন বৰ সৰল চিত্তৰ। কিন্তু ঘৈণীয়েক তেনে বিধৰ নাছিল, তাই বেছ মুখৰ কথা ফট্‌ফট্ কৈ কব পাৰিছিল। লাজ যে এটা কি তইা সেইটো একেবাৰেই মনত নানিছিল। মুখত য়িহকে আহে তাকে কৈছিল। অইন কি কথাকে ভালকৈ কব

নেজানে। আলহীক কেনেকৈ ব্যৱহাৰ কৰিব লাগে, তাক ঈশ্বৰে তাইৰ সোৱঁৰণীত লেখা নাছিল। তাই অতি কৃপণ আছিল। সেই মানুহ জনৰ লগত কিৰণৰ বাটত যেতিয় দেখা দেখি হয় তেতিয়া কিৰণে আজি ৰাতিটো ক'ত থাকিব বুলি সোধাত মানুহ জনে বৰ আদৰ কৰি নিজৰ ঘৰলৈ আনি বাটচৰাত বহিবলৈ কৈ ঘৈণীয়েকক আলহীৰ খবৰ কবলৈ গৈ কি শুনিলে তাৰে কিছুমান পাঠক-পাঠিকাক শুনাওঁ।

গিৰিয়েক——হঁয়, আলহী এজন আহিছে, তেওঁৰ নিমিত্তে খাবৰ বন্দবস্ত কৰ।

ঘৈণীয়েক ——কোন? মানুহ নে বঙালী?

গিৰি——অসমীয়া মানুহ।

আহা! মানুহ নে বঙালী! বোধ হয় সিহঁতৰ অসমীয়া কেইটাই কেৱল মানুহ। বাকী বিলাক মানুহ নহয়। এনে মূর্খ মানুহ, সেই ফেৰা কথাকো শুধৰাই কব নোৱাৰে। কব লাগিছিল, অসমীয়া নে বঙালী? কিন্তু হলগৈ কি—মানুহ নে বঙালী। বাস্তবিকতে গাৱঁত প্রায় তিকতাই এনেকুৱাই।

ঘৈণী——ইমান ৰাতি বা কিয় লৈ আহিছে? কোনে ভাত ৰান্ধি দিব। এতিয়া মই শোঁগৈ। তই কি কৰ কৰ।

গিৰি——নহয় ভাতএগাল সিজা। আলহীক উপবাস দিব পায় নে? হঁয় 'চিগাৰেট্" তেমাটো ক'ত।

ঘৈণী——সেই মোনা জেপতে।

"হায়, নেহাঁহি নোৱাৰি। চিগাৰেট্ ক'ত, মোণা জেপত; এনেহে কথা। মোনাটো হল কি? বা জেপটো হল কি? হব লাগিছিল চোলাৰ জেপত, বা সেই মোনাত। সেইটো নহৈ হল কি? মোনা জেপট। কিন্তু গিৰিয়েকে বুজি পালে, কাৰণ আগৰ পৰা তেনেকৈ

চলি আহিছে, বুজি নাপাববতো একো কাৰণ নাই। গিৰিয়েকে চিগা-ৰেট আনি কিৰণৰ হাতত দিছিল, কিন্তু কিৰণে অভ্যাস নাই বোলাত নিদিলে। এনেতে ঘৈনিয়েকে বান্ধণিঘৰৰ পৰা মাত লগালে— শুনিছানে ? নিমখ তেল নাই নহয়। যোৱা অন্তৰ খুজি আনাগৈ। মই নেযাও"। এই কথা কিৰণৰ কাণত পৰা মাত্ৰকে কলা পৰি গল ! ভাবিলে "মই আহি সিহঁতক দিকৃদাৰ কৰিছো। মই অহা দেখিহে নিমখ তেল নাই বুলি চিঞৰিছে"। তেতিয়া কিৰণে ফুটাই কলে "ডাঙৰীয়া আপুনি ভাত খোৱা নাই জানো" ?

গিৰিহঁত——নহয় আমি খালো। আপোনাৰ নিমিত্তে।

কিৰণ——ক্ষেমা কৰিব ডাঙৰীয়া, মই ভাত খাই আহিছো। মই ভাত নেখাওঁ।

বাস্তবিকত কিৰণে খাই অহা নাই। এনে কথা কেতিয়াবা আল-হীৰ কাণত পৰিলে খাবৰ মন যায় নে ? তেতিয়া গিৰিহঁতে গৈ ঘৈণীয়েকক চুলিত ধৰি পাকৃঘৰৰ পৰা উলিয়াই আনি ভালকৈ চাপৰ দিয়েক উৰালে। "মই আলহীক আনিছো। তই- নোৱাৰ, মই বান্ধিম, নিমখ তেল নাই মনে মনে কব নোৱাৰ। চিঞৰি কলেহে কোৱা" ?

ঘৈণী——মই নিসিজাও বুলিছিলো নহয়, তই হে লগত লৈ আহিছ। নিথম তেল নাই বুলি কলো লাজ পালি।

এই কথা শুনি কিৰণে মৰ্ম্মান্তিক বেজাৰ পালে। তেতিয়া কিৰণে— "ভাল ডাঙৰীয়া মই আহিলো" বুলি সেই ঠাইৰ পৰা ওলাই আহিল। বাস্তবিকতে এনেকুৱা কিছুমান তিকতা আছে, সিহঁতে আলহী যোৱা দেখিলে প্ৰায় গাল ওফোন্দায়, নহলে লৰা ছোৱালীকে চকা মাৰি কন্দুৱায়, নহলে গিৰিহঁতৰ লগত দন্দকে লাগিব, নহলে নিমথ, তেল

নাই বুলি কব। তেনেবিলাক কথা শুনিলে, কোন আলহীৰ মনত ভাল লাগে। তেওঁ মাতি অনাত বা ইচ্ছা কৰিয়েই চিনা জনা বুলি আলহী সোমাল; এনে স্থলত আলহীক আদৰ সাদৰ কৰি খুৱাব লাগে নে আৰু কিছুমান আলহীৰ মনত বেজাৰ দিব লাগে? অইন দিন যদি পইতা ভাত খোৱা, সেই বুলি আলহীক পইতা ভাত দিবা নে? অইন দিন নিজে যিহকে খোৱা, তেল নিমখ নোহোৱাকৈ খোৱা, কিন্তু আলহীক সেই বুলি তেল নিমখ নোহোৱাকৈ খাবলৈ দিবা নে? তেল নাই, নিমখ নাই, মনে মনে গিৰিহঁতক মাতি আনি কোৱা, গিৰিহঁতে যেনেকৈ হওক এটা উপায় উলিয়াব। যদি সদায় লৰা ছোৱালীৰ দন কাজিয়া লাগি থাকে, সেই দিনা লৰা ছোৱালীক খেলিবলৈ পঠিয়াই দিয়া। অইন দিনা মুখত যি আহে তাকে ব্যৱহাৰ কৰা, সেই দিনা অলপ সাৱধান হৈ কৰা যাতে বেয়া কথা মুখত নোলায়। তাকে নকৰি ওলাওতে গম্ গম্ সোমাওতে মেখেলাৰ ফেৰ, আমুক নাই তামুক নাই ইত্যাদি কৰা বৰ বেয়া। তুমি এদিন অইন ঘৰলৈ গৈ তেনে ব্যৱহাৰ পালে সিহঁতক ভাল বুলিবা নে? যদি তুমিয়েই ভাল নোপোৱা, তেন্তে অন্যক তেনে ব্যৱহাৰ কৰা কিয়? এই বিলাক বৰ ভুল। এই বিলাক স্বামীয়ে নিজ নিজ ভাৰ্য্যাক সাৱধান কৰি দিয়া উচিত। আলহীৰ ভাত ভাল লাগে নে, মাত ভাল লাগে? খোৱা লোৱাত যিমান ভালকৈ খুউৱা, বচনত তিতা পালে হাজাৰ ভালকৈ খুৱালেও একো গুণ নেসাধে। আৰু এটা কথা, গাৱঁলীয়া প্ৰায় মানুহে অসমীয়া কথাকে ভালকৈ কব নেজানে, প্ৰায় অশুদ্ধ। যদি সেই বিলাক শুধৰাব লাগে, তেন্তে মাকহঁতে ব্যাকৰণ পুথি পঢ়ক। যদি মাকহঁতে পঢ়িব নেজানে তেন্তে জীয়েক হঁতক স্কুলত দিয়ক। কাৰণ

মাক হৈছে শিক্ষাৰ আচল গুৰি। সন্তান জন্মহৈ, ডাঙৰ হৈ অহাৰ লগে লগে মাকৰ ব্যৱহাৰ শিক্ষা পাই আহে। মাকে যি আচাৰ-ব্যৱহাৰ ও চাল-চলন কৰে সন্তানেও ঠিক তেনে শিক্ষা পাই উঠে মাকে যি কথা কয়, সন্তানেও সেই কথাকে কয়। মাকে যদি অশুদ্ধ কথা আদি ব্যৱহাৰ কৰে, তেন্তে সন্তানে বা কিয় সেইবিলাক কথা শিক্ষা নেপাব? সন্তানে সদায় তেনে কথাকে শুনিলে, সেই কথা শিক্ষা নেপাই শুদ্ধ কথা শিকিব কব পৰা। অতএব মাকেহে ব্যাকৰণ পঢ়া উচিত। যদি মাকহঁতে পঢ়িব নেজানে, জীয়েকহঁতক স্কুলত দিয়ক। যেতিয়া সিহঁতৰ সন্তান হব, তেতিয়া সিহঁতে সন্তানক বেছ শুদ্ধ কথা শিকাব পাৰিব। আৰু ঘৰতে থাকি থাকি সন্তানক পঢ়াব পাৰিব। আটাই ফালে মঙ্গল। কিন্তু এনে কথা শুনে কেইজনে। হয়টো এই কেই শাৰী পঢ়ি কব যে "আমাৰ মাইকী ছোৱালীক পঢ়াই কি শিং গজিব, ক'ত বাবু কাম কৰিব গৈ, এনেকৈ সাত পুৰুষ গল, এতিয়া মাইকী ছোৱালী স্কুলত পঢ়াম"। কিন্তু ভাবি নেচায়, যে সাত পুৰুষে দিয়াচলাইৰ পৰিবৰ্ত্তে "টিঙ্গিৰি" ব্যৱহাৰ কৰি গল। তেন্তে তুমি দিয়াচলাই ব্যৱহাৰ কৰিছা কিয়? আগে বহুত দূৰ বাট হলেও খোজ কাঢ়ি গৈছিল, এতিয়া "ৰেলত" উঠি যোৱা কিয়? আগে এখন এৰিয়া কাপোৰেই দিন কটাইছিল, এতিয়া কোট, কামিজ, বনিয়ন ব্যৱহাৰ কৰা কিয়? আগে নিজে নিজে দা-কুঠাৰ আদি তৈয়াৰ কৰি লৈছিল, এতিয়া তাৰ পৰিবৰ্ত্তে অন্যৰ পৰা কিনা কিয়? আজি কালি কোনেও কব নোৱাৰে যে আগৰ ধৰণেই আছে। মাইকী ছোৱালী পঢ়ালে অৱশ্যে শিং নগজি নোৱাৰে। শিং নাই বুলিহে আমি কাকো খুচিব পৰা নাই। জাকৰ মাজত শিং নাইকিয়া জন্তুটো যেনে হাৰোৱা, ঠিক তেনেকৈ আমিও শিঙৰ

অভ্যন্তত সকলোতকৈ হাবোৱা। আমাৰ মানুহ কেইটাই কেৱল জানে যে, বিদ্যা শিক্ষা কৰা হয় বাবু কামৰ নিমিত্তে।

সেই ঠাইৰ পৰা কিৰণ ওলাই আহি পণ্ডিতৰ ঘৰত ৰাতিটো থাকিলে। তাৰ পাছদিনা মহিধৰৰ ঘৰলৈ আহি যি ঘটিলে, পাঠকৰ বেছ মনত আছে।

---

## চতুৰ্দ্দশ পৰিচ্ছেদ।

### কিৰণ আৰু মইনা।

কিৰণে যেতিয়া এদিন মইনাক জীৱনৰ ঘৰত দেখা পাই চিনি পালে, তাৰ পাছ দিনাই কিৰণে মাতি আনি সোধাত, মই মইনা বুলি পৰিচয় দিলে। তেতিয়া কিৰণেও মই কিৰণ বুলি পৰিচয় দি আলিঙ্গন কৰি বহুত দিনৰ ভ্ৰাতৃ-বিচ্ছেদ শোক লাঘৱ কৰিলে। আৰু সেই দিনাৰ পৰাই ককায়েকে মইনাক নিজৰ ঘৰত আনি ললে। আৰু নিজে যি কাৰবাৰ কৰিছিলে, সেই কাৰবাৰত ভায়েকক ভৰ্ত্তি কৰি দুই ভায়ে বেছ সুকলমে কাৰবাৰ কৰি দুপয়ছা উপাৰ্জ্জন কৰিছিল।

এতিয়া মইনাই আহাৰৰ নিমিত্তে গুণিব নেলাগে, কাপোৰ যেনে ইচ্ছা তেনে লব পাৰে। এতিয়া মইনাই অন্যক দুপয়ছা দি সহায় কৰিব পাৰে। যি মানুহে কোনো ঘটনাত পৰা নাই, সি কেতিয়াও ঘটনাত পৰা মানুহ জনৰ নিচিনাকৈ বুজিব নোৱাৰে। সেই কাৰণে মইনাই বেছ দুখীয়াৰ মোল বুজে। কাৰণ আগেয়ে সুন্দৰৰূপে দুখত পৰি এপালি পাই আহিছে। এতিয়া মইনাই যতে মগনীয়া দেখা পায়, ত'ৰে পৰা নিজৰ ঘৰলৈ আনি দান কৰে। দুখীয়া নিচলা মানুহক

দেখিলে মইনাই খাবলৈ লোৱা ভাত কেইটাকেই নি দিয়ে। এই-বিলাক দেখি শুনি বহুত দুখীয়া নিচলা মানুহ কিৰণৰ ঘৰৰ পৰা নুগুচিছিল, আৰু সেই বাবে দীন-দুখী মানুহবিলাকে সিহঁতৰ মাক বাপেক যেন বুলি মানিছিল। কিৰণে এতিয়াও বিবাহ কৰা নাই। অইন কি বিবাহ নকৰাও বুলি মনে মনে "ভীষ্ম" হৈ পৰিছিল। কিন্তু তেওঁৰ "ভীষ্মত্ব" বেছি দিন থাকিবলৈ নেপালে। তেওঁৰ বন্ধু-বান্ধৱ ও পেহী-য়েকৰ অনুৰোধত পৰি, বেহ দীপলীপ গাভৰু এজনী বিয়া কৰাই পেলালে। যেতিয়া নতুন বোৱাৰীয়েকক ঘৰলৈ আনিলে সেই দিনা পেহীয়েকৰ আনন্দ নধৰাত পৰিছিল। মইনাও প্ৰায় আধা-আধি নাচি পেলালেই বুলি ধৰক। মইনাই নিজৰ "ফুৰ্ত্তি" ৰাখিব নোৱাৰি, চিঠিৰ দ্বাৰাই অনেক বন্ধুক সেই "ফুৰ্ত্তিৰ" ভাগী কৰালে। এদিন মইনাই ককায়েকৰ মনটো অন্য ৰকমৰ দেখি, ওচৰতে বহি সুধিলে।

মইনা—ককাইদেও, আপোনাৰ মুখ খনি কিয় শুকান শুকান দেখো? আপোনাৰ কিবা অসুখ হৈছেনে কি? বেজ মাতিম নে?

কিৰণ—গুচ্ পগলা! মোৰ মুখ খন কি হৈছে? একো হোৱা নাই, কিবা দেখিবলৈ পাইছ নে কি?

মইনা—সেই বিবাহৰ দিনৰ পৰা আপোনাক অন্য মনস্ক দেখিছো, খেল ফুৰ্ত্তি নাই, মুখত হাঁহি নাই, খোৱাত ৰুচি নাই, ই কি! আপুনি ইমান কলা পৰি গল কিয়? বিবাহৰ কথা কোৱা দেখি!

কিৰণ—মইনা শুন, মই তোক মোৰ সকলো কথা কওঁ, মোৰ আৰু এজনী প্ৰণয়িনী আছিল। তাইক মই প্ৰায় চাৰি বছৰ মানৰ পৰা প্ৰতিপালন কৰিছো। তাই নিচেই দুখুনী, মই তাইক অন্তৰে যিমান ভাল পাওঁ, বৰ্ত্তমান বৌৱেৰক সিমানদূৰ নেপাওঁ। অইন কি, বৌৱেৰৰ লগত আগৰ পৰিচয় নাই, কথা বতৰা নাই, সেই বৌৱেৰক

যে সোনকালে ভাল পাম সেইটো অসম্ভৱ। আগৰ জনীহে মোৰ ধ্ৰুৱ তৰা আছিল। তাইহে পিয়াহৰ পানী, ভাগৰৰ জিৰণি, হৃদয়ৰ দেবী। আৰু মোৰ এই মৰু হৃদয়ত কিবা প্ৰেম উৎপন্ন হব পাৰে নে? মৰুভূমিত গুটি কলে কেতিয়াবা আঙুৰৰ আশা কৰা যায় নে? মই যিমান পাৰো সকলোকে বুজালো, পুৰা সমাজ, মোক সেই ছোৱালীৰ দোষ গুণ কই, তাইৰ লগত বিবাহ কৰিব নিদিলে। অইন কি, "তাইৰ মাক-বাপেক নাই, বংশ কাক বোলে ছোৱালীয়ে কব নোৱাৰে, ভাই ককাই হীন, আগ পিছ চাওঁতা মানুহ নাই, আৰু ৰূপ বুলিবৰ অলপো নাই, লোকৰ ঘৰত থাকে, লোকৰ চাকৰণী; সেই চাকৰণীক যদি তই বিবাহ কৰ, তেন্তে আমালোকে (সমাজ) আপোনাৰ লগত সম্পৰ্ক নেৰাখো"—— ইত্যাদি কলে। সেই দিনৰ পৰা মই হতাশ হলো, কিন্তু ভাই! প্ৰেমিকে কেতিয়াবা দোষ-গুণ বিচাৰে নে? এজন কবিয়ে কৈছিল "সমাজে যিমানেই মোৰ প্ৰণয়িনীৰ দোষ গুণ কওক, তাত মোৰ একো লাভ লোকচান নাই, মই জানো, তাই মোক ভক্তি কৰে, স্বামী দেৱতা বুলি মানে, তাই মোৰ হৃদয়ৰ দেবী, মই তাইক ভাল পাওঁ, মই তাইৰ দোষ গুণ বিচাৰিবলৈ নেযাও। সেই দিনাৰ পৰা মই পলাই তাইৰ লগত প্ৰণয় ঘটালো। যেতিয়া তাই বৌয়েৰৰ লগত বিবাহৰ সম্বন্ধ কৰা শুনে তেতিয়া তাই অনেক মিনতি কৰি কৈছিল "মোক নেৰিব; মই আপোনাৰ দাসী হৈ আপোনাৰ চৰণ ধূলী মূৰত লৈ নাৰী জন্ম সাৰ্থক কৰিম। কিন্তু সেই বুলি বিবাহ ভাঙ্গিবলৈ নকও। পুৰুষে ভাল পায়েই হওক বা মাক বাপেকৰ জ্ঞাতি কুটুম্বৰ মন ৰাখিবলৈ হওক, অনেক নাৰী বিবাহ কৰিব পাৰে। অতএব আপুনি সমাজৰ মান ৰাখি সেই বিবাহ কৰক। নহলে মই বৰ বেজাৰ পাম।

মই ই জন্মত আপোনাক স্বামী বুলি সুখেৰে থাব নেপালো। যদি মোৰ নাৰীৰ নাৰীত্ব আছে, তেন্তে সিপুৰিত পুনৰ মিলন হব। মই আজিৰ পৰা এনে আৰাধনা কৰিম, যাতে আপোনাক স্বামী ভাৱে একালত পাও। আৰু মোক ইহ সংসাৰত স্ত্রী বুলি সম্বোধন নকৰিব”—এই কথা কৈয়ে কলৈ গল কব নোৱাৰিলো। সেই সময়ত মই স্বৰ্গত নে মৰ্ত্ত্যতে কব নোৱাৰো; মোৰ চকুপানীয়ে গোটেই সংসাৰ অন্ধকাৰ কৰি পেলালে। যেতিয়া চকু মোহাৰি চাও, তেতিয়া মই দেখা নেপাই পগলাৰ নিচিনাকৈ চিঞৰিব ধৰিলো। কিন্তু কোনেও মাত এষাৰি নলগালে। ভাই! সেই নাৰী মূৰ্ত্তিৰ স্মৃতি মোৰ হৃদয়ত বিৰাজ কৰিছে, সেই শেষ বিদায়ৰ কথা কেইষাৰ এতিয়াও মোৰ হৃদয়ত শক্তিশেলৰ নিচিনা বাজিছে।

মইনা——ককাই দেও, সেই কথা ইমান দিনে কিয় মোক কোৱা নাই? আহা, সেই নাৰীকে যদি এদিনো বৌদেও বুলি সম্বোধন কৰিব পালো হেঁতেন তেন্তে মোৰ নৰ-জন্ম সাৰ্থক হল হেঁতেন! যদিও মই তেওঁক দেখা নেপালো তথাপি মই তেওঁৰ উদ্দেশ্যে সহস্ৰ বাৰ প্ৰণিপাত কৰিছো। তেওঁ নাৰী কুলৰ ৰত্নী। হাঁয় আমাৰ আত্মীয় ও সমাজ! ছোৱালী মাক-বাপেক হীন, সেইটো ছোৱালীৰ দোষ নে? ছোৱালীয়ে কি তাইৰ মাক বাপেকক ইচ্ছা কৰি মাৰি থৈছে? ছোৱালীৰ ৰূপ নাই, সেইটো তাইৰ দোষ নে? তাই কি ইচ্ছা কৰি কুৰূপা হৈছে? সমাজ ও আত্মীয়সকল! তহতৰ ৰূপলৈ ইমান ভক্তি কিয়? ইমান স্বাৰ্থপৰতা কিয়? ৰূপৰ দ্বাৰা কিবা উপকাৰ আছে নে? সেই ছোৱালীৰ ৰূপ নাই, দুখীয়া, আত্মীয় কুটুম্ব নাই, সেই বুলি অইন ধনী ৰূপহী ছোৱালী বিবাহ কৰাই যৌতুক কিছুমানৰ আশা কৰে কিয়? হাঁয় স্বাৰ্থপৰ সমাজ! তাইৰ সম্পত্তি

যে সোনকালে ভাল পাম সেইটো অসম্ভৱ। আগৰ জনীহে মোৰ ধ্ৰুব তৰা আছিল। তাইহে পিয়াহৰ পানী, ভাগৰৰ জিৰণি, হৃদয়ৰ দেবী। আৰু মোৰ এই মৰু হৃদয়ত কিবা প্ৰেম উৎপন্ন হব পাৰে নে? মৰুভূমিত গুটি কলে কেতিয়াবা আঙুৰৰ আশা কৰা যায় নে? মই যিমান পাৰো সকলোকে বুজালো, পুৰা সমাজ, মোক সেই ছোৱালীৰ দোষ গুণ কই, তাইৰ লগত বিবাহ কৰিব নিদিলে। অইন কি, "তাইৰ মাক-বাপেক নাই, বংশ কাক বোলে ছোৱালীয়ে কব নোৱাৰে, ভাই ককাই হীন, আগ পিছ চাওঁতা মানুহ নাই, আৰু ৰূপ বুলিবৰ অলপো নাই, লোকৰ ঘৰত থাকে, লোকৰ চাকৰণী; সেই চাকৰণীক যদি তই বিবাহ কৰ, তেন্তে আমালোকে (সমাজ) আপোনাৰ লগত সম্পৰ্ক নেৰাখো"—— ইত্যাদি কলে। সেই দিনৰ পৰা মই হতাশ হলো, কিন্তু ভাই! প্ৰেমিকে কেতিয়াবা দোষ-গুণ বিচাৰে নে? এজন কবিয়ে কৈছিল "সমাজে যিমানেই মোৰ প্ৰণয়িনীৰ দোষ গুণ কওক, তাত মোৰ একো লাভ লোকচান নাই, মই জানো, তাই মোক ভক্তি কৰে, স্বামী দেৱতা বুলি মানে, তাই মোৰ হৃদয়ৰ দেবী, মই তাইক ভাল পাওঁ, মই তাইৰ দোষ গুণ বিচাৰিবলৈ নেযাও। সেই দিনাৰ পৰা মই পলাই তাইৰ লগত প্ৰণয় ঘটালো। যেতিয়া তাই বৌৱেৰৰ লগত বিবাহৰ সম্বন্ধ কৰা শুনে তেতিয়া তাই অনেক মিনতি কৰি কৈছিল "মোক নেৰিব; মই আপোনাৰ দাসী হৈ আপোনাৰ চৰণ ধূলী মূৰত লৈ নাৰী জন্ম সাৰ্থক কৰিম। কিন্তু সেই বুলি বিবাহ ভাঙ্গিবলৈ নকও। পুৰুষে ভাল পায়েই হওক বা মাক বাপেকৰ জ্ঞাতি কুটুম্বৰ মন ৰাখিবলৈ হওক, অনেক নাৰী বিবাহ কৰিব পাৰে। অতএব আপুনি সমাজৰ মান ৰাখি সেই বিবাহ কৰক। নহলে মই বৰ বেজাৰ পাম।

মই ই জন্মত আপোনাক স্বামী বুলি সুখেৰে থাব নেপালো। যদি মোৰ নাৰীৰ নাৰীত্ব আছে, তেন্তে সিপুৰিত পুনৰ মিলন হব। মই আজিৰ পৰা এনে আৰাধনা কৰিম, যাতে আপোনাক স্বামী ভাৱে একালত পাও। আৰু মোক ইহ সংসাৰত স্ত্ৰী বুলি সম্বোধন নকৰিব”—এই কথা কৈয়ে কলৈ গল কব নোৱাৰিলো। সেই সময়ত মই স্বৰ্গত নে মৰ্ত্যতে কব নোৱাৰো; মোৰ চকুপানীয়ে গোটেই সংসাৰ অন্ধকাৰ কৰি পেলালে। যেতিয়া চকু মোহাৰি চাও, তেতিয়া মই দেখা নেপাই পগলাৰ নিচিনাকৈ চিঞৰিব ধৰিলো। কিন্তু কোনেও মাত এষাৰি নলগালে। ভাই! সেই নাৰী মূৰ্ত্তিৰ স্মৃতি মোৰ হৃদয়ত বিৰাজ কৰিছে, সেই শেষ বিদায়ৰ কথা কেইষাৰ এতিয়াও মোৰ হৃদয়ত শক্তিশেলৰ নিচিনা বাজিছে।

মইনা——ককাই দেও, সেই কথা ইমান দিনে কিয় মোক কোৱা নাই? আহা, সেই নাৰীকে যদি এদিনো বৌদেও বুলি সম্বোধন কৰিব পালো হেঁতেন তেন্তে মোৰ নব-জন্ম সাৰ্থক হল হেঁতেন! যদিও মই তেওঁক দেখা নেপালো তথাপি মই তেওঁৰ উদ্দেশ্যে সহস্ৰ বাৰ প্ৰণিপাত কৰিছো। তেওঁ নাৰী কুলৰ বন্তী। হাঁয় আমাৰ আত্মীয় ও সমাজ! ছোৱালী মাক-বাপেক হীন, সেইটো ছোৱালীৰ দোষ নে? ছোৱালীয়ে কি তাইৰ মাক বাপেকক ইচ্ছা কৰি মাৰি থৈছে? ছোৱালীৰ ৰূপ নাই, সেইটো তাইৰ দোষ নে? তাই কি ইচ্ছা কৰি কুৰূপা হৈছে? সমাজ ও আত্মীয়সকল! তহতৰ ৰূপলৈ ইমান ভক্তি কিয়? ইমান স্বাৰ্থপৰতা কিয়? ৰূপৰ দ্বাৰা কিবা উপকাৰ আছে নে? সেই ছোৱালীৰ ৰূপ নাই, দুখীয়া, আত্মীয় কুটুম্ব নাই, সেই বুলি অইন ধনী ৰূপহী ছোৱালী বিবাহ কৰাই যৌতুক কিছুমানৰ আশা কৰে কিয়? হাঁয় স্বাৰ্থপৰ সমাজ! তাইৰ সম্পত্তি

নাই, ৰূপ নাই, আত্মীয় নাই ; সেই বুলি কি তাইক বিবাহ কৰাব নেপায় ? হাঁয় আমাৰ আত্মীয় ও সমাজ, তাইক দুখুনী বুলি বিপদৰ পৰা মুক্ত কৰিব লাগেনে, আৰু অলপ বিপদত পেলাই দিব লাগে ? তাইক যদি বিবাহ কৰাই দিলাহেতেন, ইকুল সিকুল দুয়োকুল ৰক্ষা পায়, ছোৱালীয়েও মুক্তি পায়, দৰাইও আনন্দ পায়। তাকে নকৰি পিতা-মাতাহীন, ৰূপ, আত্মীয় একো নথকা তাইক বিবাহ কৰা অনুচিত, এইয়ে হৈছে সমাজৰ নিয়ম। হঁায় আত্মীয়সকল! ভাবি নোচোৱা কিয়। যদি লৰাই ছোৱালীক নেপাই, আৰু ছোৱালীয়ে লৰাক নেপায়, সিহঁতে আত্ম-হত্যা কৰে, তেতিয়া আত্মীয় কুটুম্ব ও সমাজ আদিৰ লাভ হল কি ? এইবিলাক ভাবি নেচাই কেৱল তুমি ধনীৰ সন্তান, তোমাৰ ৰূপ গুণ আছে, তেনে ছোৱালী বিবাহ কৰা তোমাৰ নিতান্ত মন্দ ; ধনী মানুহে ধনী ঘৰৰ ছোৱালী বিবাহ কৰাব লাগে —এই হে তেওঁ-বিলাকৰ শাস্ত্ৰ। ককাইদেও, মই তাই ক'ত আছে বিচাৰি উলিয়াই আপোনাৰ সৈতে বিবাহ দিম। আপুনি একো চিন্তা নকৰিব।

কিৰণ—ভাই! তুমি মিছা বকিছা, তাইক তুমি বিচাৰি আনিব নেলাগে। মোক আৰু নেলাগেও। বৃথা চেষ্টা নকৰিবা, যদি আত্মীয় বিলাক প্ৰথমে সন্মত হল হেঁতেন, তেন্তে কথাই নাছিল। তোমাৰ নিচিনাকৈ ভাবি চাবলৈ মগজ ও সময় সমাজৰ নাই। হঁায়! আত্মীয় ও সমাজ, তাইৰ নাৰীৰ নাৰীত্ব যদি বুজিলা হেঁতেন, তেন্তে মোক বাধা নিদিলাহেঁতেন। যদি মানুহে গঙ্গাৰ পৰিবৰ্ত্তে অন্য এটোপা পানীতে গঙ্গাৰ নাম ধৰি স্নান কৰি গঙ্গাত স্নান কৰাৰ সমান পুণ্য পায়, তেন্তে মইও যদি সেই নাৰীক ধ্ৰুবতৰা বুলি মানিছিলোঁ, মই বা কিয় সংসাৰ যাত্ৰা নিৰ্ব্বাহ কৰিব নোৱাৰিম ? যদি কোৱা কুৰূপা, তেন্তে কিয় গেলা শামুকৰ পেটত মুক্তা পোৱা যায় ? তেন্তে পদুমৰ কিয়

দুৰ্গন্ধময় বোকাত জন্ম? কিয়বা দুৰ্গন্ধময় অন্ধকাৰ খনিত হীৰা আদি মূল্যবান বস্তু পোৱা যায়; যদি তেনে দুৰ্গন্ধময় ঠাইতেহে মূল্যবান বস্তুৰ উৎপত্তি, তেন্তে সেই কুৰূপা ছোৱালীৰ অন্তৰ খনিত বা কিয় তেনে মূল্যবান প্ৰেমৰ উৎপত্তি নহব? যদি কোৱা কাজ কাম নেজানে, তেন্তে জানিব লাগিব যে মাতৃ-গৰ্ভতে সকলোৱে শিক্ষা পাই আহো। তাইৰ মাক-বাপেক, আত্মীয়-কুটুম্ব নাই, তাইক কোনে ভাল শিক্ষা দিব। কিন্তু ভাবি চোৱা, মাক-বাপেক থকা আৰু ধনী ছোৱালীতকৈ মাক-বাপেক হীন দুখুনী ছোৱালী নম্ৰ, ধীৰ, অহঙ্কাৰ-হীন হয়নে নহয়?'—এই বুলি কৈয়ে উঠি পৰিল। মইনাও "মই তাইক বিচাৰিবলৈ যাম" এই বুলি বৌৱেকৰ লগত দেখা কৰিবলৈ গুচি গল।

---

# পঞ্চদশ পৰিচ্ছেদ।

## বৌৱেক-দেওৰেক।

মইনা—বৌদেও কি কৰিছা? মনে মনে বহি আছা দেখোন।

বৌ—মই তোমালোকৰ কথা সকলো শুনিছোঁ, সেই কথা ভাবিছে তাই কলৈ গল, আৰু কি তাইক ককায়েৰক আনি দিব নোৱাৰিম ভাবিছো। কোৱাছোন মইনা, তুমি বিচাৰি আনি মোক দিবা নে? মই তাইৰ পদধূলী লৈ, সহস্ৰবাৰ প্ৰণিপাত কৰি নিজক ধন্যা মানিম। আৰু ককায়েৰে যেন আকৌ তাইক গ্ৰহণ কৰে ইয়াৰ চেষ্টা কৰিম। মই এতিয়া ককায়েৰৰ গুৰিলৈ যাওঁ, সকলো বুজাই কওঁ গৈ।

মইনা—মই আজিয়ে তেওঁক বিচাৰি যাম। কিন্তু আপুনি ককাই-দেওৰ ওচৰলৈ যাব, এই বেশ কেলৈ? ভাল সাজ পাৰ পিন্ধি লওক।

বৌ—মইনা অলঙ্কাৰ আৰু সাজ-পাৰ নিপিন্ধিলে কি নাৰীত্ব নেথাকে?

মইনা—বৌ দেও! মই যে আপোনাৰ নিচিনা মাতৃ তুল্য দেৱীক বৌ বুলি সম্বোধন কৰিব পাইছোঁ—, এইটো মোৰ ডাঙৰ গৌৰৱ। সঁচা, যি নাৰীয়ে সাজ-পাৰ আদি পিন্ধি পুৰুষৰ মন ভুলাব খোজে, সেই নাৰী ধিক্! শতবাৰ ধিক্! অলঙ্কাৰেৰে খোটেই গাটো সজালে এটা গছৰ মূঢ়াকো ভাল দেখিব! যি নাৰীয়ে স্বামীক কেৱল এজন অভিভাৱক আৰু স্বামী এটা খেলাৰ সামগ্ৰী বুলি মনত কৰে, সেই নাৰী নৰকলৈ যাওক। যি নাৰীয়ে অলঙ্কাৰৰ নিমিত্তে স্বামীক ভাল পায়, সেৱা কৰে, সেই নাৰীৰ অধঃপতন হওক। যি নাৰীয়ে স্বামীক ভয়ত ভাল পায়, বা স্বামীৰ লগত কথা হব লাগে বুলি কথা হয়, সেই নাৰী অগ্নিকুণ্ডত পৰক। যি নাৰীয়ে কেৱল তাইৰ ইন্দ্ৰিয় তৃপ্তিৰ নিমিত্তে স্বামীক সেৱা কৰে, সেই নাৰী খণ্ড খণ্ড হৈ যাওক। যি নাৰীয়ে বিনা অলঙ্কাৰে, বিনা বেশ-ভূষাই স্বামীক আনন্দ লগাব পাৰে, আৰু যি নাৰীয়ে নিজৰ পতিক দেৱতা ভিন্ন অন্য নেভাবে, যি নাৰী স্বামীৰ সুখত সুখী স্বামীৰ দুখত দুখুনী, স্বামীৰ শোকত উন্মাদিনী স্বামীৰ নিমিত্তে কলঙ্কৰ বোজা মূৰত লৈ গৌৰৱ অনুভৱ কৰে, যি নাৰীয়ে স্বামীক জীৱনে মৰণে দেৱতা বুলি মানে, যি নাৰীয়ে স্বামীক পাই পিতা-মাতা ভাই-ভনীক এৰি সাগৰত জাপ দিবলৈ কুণ্ঠিত নহয়, যি নাৰীয়ে স্বামীৰ সঙ্গ পাই স্বৰ্গসুখ অনুভৱ কৰে, যি নাৰীয়ে স্বামীৰ পদধূলী পালে অমৃত পালো বুলি ভাৱে,—সেই নাৰী হে আচল নাৰী। সেই নাৰীৰ তুলনা নাই। সঁচাকৈ বৌ দেও নাৰী তিনি মূৰ্ত্তি—

যেতিয়া দুই হাত মেলি লৰি আহি স্বামীৰ ডিঙিত সাৰতি ধৰি কোলাত বহি ভূবন মোহিনী ৰূপ প্ৰকাশ কৰি সকলো পাহৰাই, ভয় চিন্তা, অশান্তি সকলো দূৰ কৰি স্বৰ্গীয় সুখেৰে স্বামীক মুগ্ধ কৰি উৎফুল্ল নিৰ্ম্মল চকুত স্নেহ ভৰাই স্বামীক অতুল আনন্দ দি আত্মহাৰা কৰে তেতিয়া কন্যা মূৰ্ত্তি।

আৰু যেতিয়া স্বামীয়ে তাইক দেখি চিন্তা, মান, অপমান পাহৰি যায়, যি স্বামীৰ চিৰ-সঙ্গিনী, স্বামীৰ আনন্দত আনন্দ, স্বামীৰ শোকত পাগলিনী, স্বামীৰ নিমিত্তে কলঙ্কৰ বোজা মূৰত লবলৈ কুণ্ঠিত নহয়, স্বামীৰ সংসৰ্গ স্বৰ্গ যেন মনত ভাবে, স্বামীৰ নিমিত্তে মাক বাপেক ভাই ভণী পাহৰি গৈছে, আৰু হাঁহিৰে চকু দুটি স্বামীৰ আগত নাচিছে, জগতৰ সকলো শোভা সৌন্দৰ্য্য তাতে অধিষ্ঠিত, সেই চকুৰ মাজত স্নেহৰ সাগৰ উঠিছে, সেই চকুৰ মাজত কৰুণাৰ উৎস উঠিছে নাচিছে, —এই সুন্দৰীক যেতিয়া দেখিবা তেতিয়া ভাৰ্য্যা মূৰ্ত্তি।

আৰু যেতিয়া সেই যে স্নেহময়ী মূৰ্ত্তিতে স্বামীৰ সুখত সুখী, স্বামীৰ দুখত পাগলিনী, যি মূৰ্ত্তিয়ে নিজৰ সুখ পাহৰি স্বামীৰ সুখৰ নিমিত্তে প্ৰাৰ্থনা কৰে, অসাধ্য হলেও দেৱতাৰ ওচৰত স্বামীৰ কল্যাণৰ নিমিত্তে চুলি চিঙি প্ৰাৰ্থনা কৰে, স্নেহদান কৰিলেও নুগুকাই, কৰবাৰ পৰা ভোকত আহিলে কি খুৱাম ভাবি নেপায়, স্বামীৰ হাঁহি মুখ দেখিলে সকলো শোক তাপ পাহৰি যায়, স্বামীক নেদেখিলে অন্ধকাৰ দেখে, তেনে মূৰ্ত্তিত মাতৃ মূৰ্ত্তি। বুজিলেনে বৌদেও ?

বৌ—মইনা, তোমাৰ কথাবিলাক অমৃত যেন লাগে, সদায় যেন শুনি থাকিম। এতিয়া সময় নাই, মই যাওঁ,—এই বুলি ওলাই আহিল।

# ষোড়শ পৰিচ্ছেদ ।

## পাপৰ প্ৰায়শ্চিত্ত ।

মইনা ঘৰৰপৰা আহি সেই পলাতক বৌৱেকক বিচাৰি ফুৰিছে। এনেতে এজনী ক্ষীণকায়া মলিন কাপোৰ পিন্ধা নাৰী দেখা পালে। তাইক দেখিলে বোধহয় প্ৰায় তিনিমহীয়া ৰুগী বুলিহে মনত হয়। তাইৰ হাতত ডুগছি লোহাৰ খাৰু; বস্ত্ৰ বুলিবৰ নাম নাই, কোনোমতে তাই লাজঢাকিবৰ নিমিত্তে সামান্য কাপোৰ এডোখৰ ককালত আঁৰি থৈছে। তাই উন্মাদিনীৰ নিচিনাকৈ বকি ফুৰে, কিন্তু পাগলী নহয়। মইনাই তাইক দেখা মাত্ৰকে চিনিপাই মাত লগালে।—"বাইদেও, আপোনাৰ এনে দশা কিয়? কি কাৰণে এনেকৈ ফুৰিছা? তোমাৰ কিহৰ অভাৱ? তোমাৰ স্বামী কি হল?

গুণৱতী— কোন তুমি, মই চিনি পোৱা নাই। মোৰকথা তোমাক কিয়? মই কিয় এনেকৈ ফুৰিছোঁ তাক তোমাৰ দৰকাৰ কি? তুমি মোক বাইদেও বুলি মাতা কিয়?

মইনা— মোক চিনি পোৱা নাই বাইদেও? মই মইনা।

গুণৱতী— অ'— মইনা, মইনা,— ভাল ঈশ্বৰে তোমাক দেখুৱালে। মোৰ পাপৰ প্ৰায়শ্চিত্ত হৈছে। মইনা, ঈশ্বৰ আছে। মই যি কৰিছিলোঁ তাৰ ফল ভোগ হাতেহাতে ফলিছে। মই হীৰাৰ মোল নুবুজি চক্‌-চকীয়া পিতলক আদৰ কৰিছিলোঁ। উঃ মনত পৰিলেও হিয়া ফাটি যাব খোজে। মইনা মই নিজৰ অহঙ্কাৰত নিজে মৰিলোঁ। মই স্বামী কেনে বস্তু তাক আগেয়ে নুবুজিছিলোঁ। যেতিয়া স্বামীয়ে আদৰ কৰি অনেক কথা বতৰা পাতে, তেতিয়া মই সেই বিলাক বিহ যেন বোধ কৰিছিলোঁ। স্বামীৰ সংসৰ্গ নৰক ভোগ যেন বোধ হৈছিল।

স্বামীয়ে যেতিয়া মোৰ ফালে মোৰ ওঁঠৰ হাঁহি এটিৰ নিমিত্তে সতৃষ্ণ নয়নে চাই থাকে, তেতিয়া মই আৰু অলপ গাল মুখ ওফোন্দাই দেখুৱাইছিলোঁ। যেতিয়া স্বামীয়ে মোক প্ৰাণেশ্বৰী লাহৰী বুলি হাতত ধৰিবলৈ গৈছিল তেতিয়া মই যিমান পাৰোঁ আঁতৰি গৈছিলোঁ। আইতাৰ বেছি আদৰ পাই মই স্বামীৰ ঘৰ এৰিলোঁ। আচলকথা একেবাৰে স্বামীক মোৰ ভাল নেলাগিছিল। যদি তেতিয়া আইতাই সতৰ্ক কৰি দিলেহেঁতেন, তেন্তে মই ইমান অধঃপতনে নগলোহেঁতেন। আইতাক যিহকে কওঁ, তেওঁ তাকে বিশ্বাস কৰি মোক স্বামীৰ ঘৰৰ পৰা লৈ আহিল। তাত মই নথৈ সুখী হৈছিলোঁ। এনেদৰে কিছুমান দিন থকাৰ পাছত এজন ডেকাৰ লগত মোৰ প্ৰণয় হল। এদিন ডেকাৰেসৈতে পলাই আহোঁ। তেওঁৰ লগত কিছুমান দিন থাকি, তেওঁকো ভাল নোপোৱাত পৰিলোঁ। ক্ৰমান্বয়ে মই পুনৰ নতুন প্ৰেমৰ নিমিত্তে অভিলাষ কৰিলোঁ। যেতিয়া ডেকাজনে মোৰ চ'ৰত্ৰ বুজিলে, লাথিমাৰি তেওঁৰ ঘৰৰ পৰাও খেদি দিলে। এতিয়া মই পথৰ ভিক্ষাৰিণী; আজি প্ৰায় এসপ্তাহ ভাত খোৱা নাই। মইনা! যি নাৰীয়ে নিজে মোৰ যৌৱন আছে, সম্পত্তি আছে বুলি অহঙ্কাৰ কৰে তাৰ পৰিণাম এই হে। মোৰ এতিয়া মূৰৰ ভূত পলাল। এতিয়া মই সেই স্বামীৰ পদধূলী পালেও নাৰীজন্ম সাৰ্থক ভাবিম। কিন্তু কোন সাহে স্বামীৰ আগত মোৰ মুখ দেখুৱাই ভিক্ষা খুজিম। সেইটো পথ মই আগৈয়ে বন্ধ কৰিলোঁ। স্বামীয়ে কিয় ক্ষমা দিব? মই ক্ষমাৰ অযোগ্যা। মোক ক্ষমা নেলাগেও, তেওঁ ক্ষমা কৰিলে মোৰ পাপৰ প্ৰায়শ্চিত্ত হল কত? মোৰ আৰু পাপৰ ভোগ আছে। যি নাৰীয়ে স্বামীক খেলাৰ পুতলা বুলি ভাবে, যি নাৰীয়ে সদাই নতুন প্ৰেমৰ নিমিত্তে আশা কৰে, যি নাৰীয়ে স্বামীক এজন লগৰীয়া বুলি

ভাবে, যি নাৰীয়ে স্বামীৰ কথাক বিহ যেন ভাবে, যি নাৰীয়ে স্বামীক কালসৰ্প যেন দেখে, যি নাৰীয়ে স্বামীৰ মূল্য নুবুজে, যি নাৰীয়ে কেৱল নিজৰ সৌন্দৰ্য্য ও বিলাসিতা লৈ অহঙ্কাৰত মৰে, যি নাৰীয়ে স্বামীৰ গভীৰ প্ৰেম নুবুজে, যি নাৰীয়ে অমৃত পায়ো লাথি মাৰি পেলায়, যি নাৰীয়ে সদায় অলঙ্কাৰকেই ধ্যান, মান, তপ, জপ, বুলি জানে, যি নৰীয়ে সমাজৰ মূৰত পদাঘাত কৰিবলৈকো কুণ্ঠিত নহয়, যি নাৰীয়ে ধৰ্ম্মাধৰ্ম্ম নেজানে, যি নাৰীয়ে বয়সীয়াক মান নকৰে, যি নাৰীয়ে স্বামীৰ লগত সদায় দন্দ কৰে, যি নাৰীয়ে নিজে ইচ্ছাকৰি স্বামীৰ বিৰুদ্ধে অপবাদ ৰটায়,— সেই নাৰীক ক্ষমা লাগিছে কিয় ? মোৰ অদৃষ্টত যি পাপ লেখা আছে, তাৰ আধাও এতিয়া হোৱা নাই। এতিয়া মই মৰিব পাৰিলেই যথেষ্ট। এতিয়া মোৰ সেই স্বামীৰ কথাবিলাক হৃদয়ত শক্তি-শেলৰ নিচিনা বাজিছে। মোৰ গোটেই শৰীৰ পুৰিছে। মোৰ পৰিত্ৰাণ নাই।

মইনা— বাইদেও! এই ভায়েৰাৰ হাতত যেতিয়া ধৰা দিলা, মই আৰু কেতিয়াও আপোনাক এৰি নেযাওঁ। আৰু আজিৰ পৰা এনেকৈ পথৰ ভিক্ষাৰিণী হবও নেলাগে। চঞ্চলা নাৰীৰ প্ৰায়েই এনে গতি হয়। নাৰীৰ অন্তঃকৰণ কোমল বুলি কবিয়ে কয়, সেইটো স্বীকাৰ কৰো। পানী আৰু মাটি ঘূলিলে যি বোকা হয়, সেই লেপ্‌ থেপীয়া বোকা যেনে কোমল, নাৰীৰ অন্তঃকৰণো তেনে কোমল! সেই বোকাত যদি এডাল বাৰিৰে এফালৰ পৰা চিন দি থোৱা যায়, তেন্তে দেখিবা যে পাছ ফালৰ চিন বিলাক মূদা খাই গৈছে। ঠিক তেনেকৈ চঞ্চলা নাৰীৰ প্ৰেম; তাই যিমানেই নতুন প্ৰেম পাই গৈ থাকিব, সিমানেই আগৰ পুৰণি প্ৰেম পাহৰি যায়। কিন্তু মতা মানুহৰ অন্তঃকৰণ লৌহময় টান; লোহাত বা গছত যদি এটা

হাতুৰি মাৰি আঘাত কৰা, তেন্তে দেখিবা যে সেই আঘাত সোনকালে পূৰ নহয়, বা একেবাৰেই নহয়েই। ঠিক পুৰুষৰ অন্তঃকৰণো তেনে; সিহতৰ লৌহময় অন্তঃকৰণত যদি আঘাত কৰা হয় সেই আঘাত সোনকালে পাহৰি নেযায়। যিমানেই নাৰীক আদৰ সম্ভাষণ বেছি দিয়া যায়, সিমানেই সিহতে চৰি যায় আৰু পুৰুষক কৰতল কৰিবলৈ চেষ্টা পায়। কিন্তু সেই বুলি সকলো নাৰীয়েই নহয়। যি পুৰুষ নাৰীৰ চঞ্চল প্ৰেমত পৰি পগলা হয়, সেই পুৰুষৰ নাৰীয়ে তেনে পুৰুষক হাতৰ তল কৰিবলৈ চেষ্টা কৰে। আছলতে চঞ্চলা নাৰীক এনে দেখা যায়। বাইদেও, সকলো কথা যাবলৈ দিয়ক। মোৰ লগত যবলৈ বলক।

প্ৰথমে গুণৱতীয়ে যাবলৈ অস্বীকাৰ কৰিছিল। কিন্তু ভায়েকৰ হাত এৰাব নোৱাৰি পিছে পিছে খোজ ললে। এনেতে মইনাই মাত লগালে, বাইদেও, চোৱাঁচোন, সেই মানুহটো কেনেকৈ জাৰত কঁপিছে। আহা! বেচেৰাৰ একো নাই। বোধ হয় এসপ্তাহ মান ভাত খোৱা নাই। ইয়াৰনো কোনো আত্মীয় নাই নে?

গুণ——বোধ হয় মোৰে নিচিনা পথৰ ভিক্ষাৰী।—এনেতে গুণৱতীয়ে সেই মানুহজনৰ মুখ খনি দেখি, "ভাই কান্তি তোমাৰো কি এই দশা? ভাই উঠা মাত এষাৰি দিয়া",— বুলি কান্দিবলৈ ধৰিলে।

মইনা——কি কান্তি! ভাই উঠা, তোমাৰ বা এনে দশা কিয়? তোমাৰ একো ভয় নাই।

কান্তি——ককাইদেও! মোৰ পাপৰ প্ৰায়শ্চিত্ত হৈছে, আপুনি মোক পদাঘাত কৰক; মই এই সংসাৰত নকৰিব লগা কাম কৰিলো। মোৰ নিচিনা পাপী আৰু পৃথিৱীত নাই, মই মোৰ অহঙ্কাৰত

নিজে নিজে মৰিলো। পিতাৰ আদৰ মাতৃৰ স্নেহ পাই মোৰ এই পৰিণাম। আপোনাক দেখা পাবলৈ মোক ঈশ্বৰে জীয়াই ৰাখিছে। মই মোৰ পাপ কাহিনী শুনাওঁ। মই পঢ়া এৰি গুণ্ডাৰ দলত ভৰ্ত্তি হৈ সদায় বিলাসিতা লৈ কাল কটালো, মই ব্যভিচাৰিণী নাৰীৰ প্ৰেমত পৰি ঘৰৰ পৰা পলাই আহিলো। মই মদ খাবলৈ শিকি মদৰ নিচাতে পৰি থাকো, সেই চলতে মোৰ যি আছিল, সকলো সৰ্ব্বস্ব তাই হাত কৰিলে। যেতিয়া মই তাইক ভৰণ-পোষণ কৰিব নোৱাৰিলো— মোৰ টকা ঢুকাল, তেতিয়া তাই যিমান পাৰে আঁত-ৰিবলৈ ধৰিলে। এদিন মোক মদত কিবা বস মিহলি কৰি খুৱাই পেলাই থৈ কৰবালৈ গুচি গল। যেতিয়া মই সাৰ পাই চকু মেলি চাওঁ, তেতিয়া মোৰ বুকুখন পুৰিছিল, মূৰটো ঘূৰিছিল। এনে সময়ত এজন বন্ধুৱে আহি দেখা দিলে। বন্ধু নহয়, সিবিলাক মোৰ কাল। তেতিয়া তেওঁক মই দহ টকা কপ ধাৰলৈ খুজিলো। তেওঁ টকাদি চহি কৰিবলৈ কোৱাত মদৰ জালত এশ টকাৰ চহি কৰি পেলালো। সেই দহ টকা মই তাইক দিবলৈ বিচাৰিলো— কিন্তু বিচাৰি নেপালো। তাই মোৰ সৰ্ব্বস্ব লৈ পলাই গল। মোৰ ধুতি খনৰ বাহিৰে একো নেথাকিল। সেই দহ টকাই মোৰ এমাহ কাটি গল। এদিন সেই টকা ধাৰলৈ দিয়া বন্ধু জন আহি টকা খুজি-লত মই টকা দিব নোৱাৰিলো। তেওঁ মোৰ ওপৰত এশ টকাৰ মকৰ্দ্দমা চলালে। মই কাছাৰিত দহ টকাৰ কথা কলে হাকিমে বিশ্বাস কৰিব কিয়? মোৰ যে এশ টকাৰ চহি দিয়া কাগজ আছে। অৱশেষত টকা দিব নোৱাৰাত ফাটেকলৈ যাব লগিয়াত পৰিছিলো, কিন্তু এজন মানুহে মোক কলে "তই যদি মোৰ ঘৰত পাঁচ বছৰ কাম কৰি দিয়, তেন্তে মই সেই টকা কেইটা দি দিওঁ"।

মই আনন্দেৰে সম্মত হলো। তেতিয়া মানুহ জনে ৰূপ এশ দি মোক খালাচ কৰি তেওঁৰ ঘৰলৈ লৈ গল। কিন্তু মই ধনীৰ সন্তান, কাম কাজ নেজানো, মুনিবে বা কিয় মোৰ কাম ভাল বুলিব? আজি মুনিবে "গাধা কাম নাই, কেৱল খাব জান" বুলি গালত কেইটামান চৰ মাৰি খেদাই দিলে। ককাইদেও যি মানুহে নিজৰ অহঙ্কাৰত মই বৰ বুলি ভাবে, যি মানুহে হিতাহিত ভাবি নেচায়, যি ফুলে ফুলে ৰস লৈ ফুৰে, যি অন্যৰ ভাল উপদেশ নুশুনে যি মদ, ভাং, খাই বেশ্যা কামত মন দিয়ে, মাক-বাপেকৰ উপদেশ নেমানে, যি মাক-বাপেকৰ আদৰ স্নেহ পাই খেমালিত কাল কটায়, যি নিজৰ বিলাসিতা লৈয়ে ব্যস্ত, যি সমাজক নিন্দা কৰে, যি ধৰ্ম্মা-ধৰ্ম্ম নেবাচে, যি আগ পিছ নেভাবি কাম কৰে, যি সদায় প্ৰেম প্ৰেম কৰি ফুৰে, যি লাজক লাজ নুবুলি ব্যভিচাৰিণীৰ লগত ফুৰে, যি বয়সীয়াক মান নকৰে, যি পাপ কেনে বস্তু নেজানে, যি মাক বাপেকক নকৈ বা ঘৰত দন্দ লগাই পলাই আহে, যি পুৰুষে নাৰীৰ চঞ্চল প্ৰেমত পৰি পিতা-মাতা ভাই-ককাইক নেমানে,— তাৰ এনে দশাই হয়। ককাইদেও! মোক ক্ষমা নেলাগে, মোক পদাঘাত কৰক, যাতে মই ইহ সংসাৰৰ পৰা বিদায় হওঁ।

এই কথা শুনি মইনাইও কান্দি পেলালে! তেতিয়া মইনাই যি মানুহ জনে কান্তিৰ হৈ এশ টকা দিছিল, তেওঁক এশ টকা দি কান্তিক মুকলি কৰি আনিলে। অৱশেষত তিনিও সেই ঠাইৰ পৰা মইনাৰ ঘৰৰ ফালে খাল ললে। মইনাৰ আৰু পলাতক ভাবি বোৱে-কক বিচৰা নহল।

# সপ্তদশ পৰিচ্ছেদ।

## দৰ্প চূৰ্ণ।

মহীধৰ সেই মহীধৰ নাই, এতিয়া তেওঁ পথৰ ভিক্ষাৰী। এটা সামান্য জুপুৰিত মতা মাইকী থাকে; সিহঁতৰ সেই অহঙ্কাৰ, সেই সম্পত্তি আৰু নাই। এতিয়া এগাল ভাতৰ নিমিত্তে হাঁয় হাঁয় কৰিছে। সেই বাবু কাম আৰু নাই। পাঠক শুনকছোন, মতা মইকীৰ ভিতৰত কি দন্দ লাগিছে।

মহীধৰ— হা ঈশ্বৰ! তোমাৰ মনোবাঞ্ছা পূৰ্ণ হলনে? ঈশ্বৰ! মোক মাৰি পেলোৱা; তেতিয়া তোমাৰ বাঞ্ছা আৰু পূৰ্ণ হব। মোৰ কপালত এই হে আছিল; ঈশ্বৰ! তই মোৰ পুত্ৰ কন্যাক কাঢ়ি নিয়ো অৱশেষত মোৰ ঘৰটোও পুৰিলি; অলপো সম্বল নেৰাখিলি। মই এতিয়া পথৰ ভিক্ষাৰী। হাঁয়! মোৰ সেই অহঙ্কাৰ কলৈ গল। মোৰ সেই ধন সম্পত্তি কি হল? যদি মই আগেয়ে সাৱধান হলোঁ হেঁতেন, তিৰুতাৰ কু-বুদ্ধিত কাণ নিদিলোঁ হেঁতেন, তেন্তে মই কেতিয়াও পুত্ৰ কন্যাক নেহেৰুৱালোঁ হেঁতেন। হাঁয়, কিৰণ মইনা! তইঁত দেৱতা, দেৱতাক কেতিয়াবা অসুৰে পূজা কৰেনে? তইঁত এবাৰ আহিঃ দদাইয়েৰৰ বিপদ চাই যাহি। তইঁতৰ খবৰ মই পাওঁ। যেতিয়াৰ পৰা তহঁতৰ ভাল শুনিছিলোঁ, তেতিয়াৰ পৰা মই তহঁতৰ অহিত চিন্তিছিলোঁ। তাৰ প্ৰতিফল এতিয়া হাতে হাতে পাইছোঁ। মই তিৰুতাৰ কথা লৈ তহঁতক যিমান মাৰিছিলোঁ তাৰ প্ৰতিফল সুদে মূলে পাইছোঁ। উঃ আইতা! এবাৰ তোমাৰ মৰমৰ পুত্ৰ মহীধৰৰ বিপদ চোৱা। মোৰ এতিয়া একো নাই;

আজি এমাহ প্ৰায় ভাত নয়েই বুলিছোঁ। খাবলৈ নেপাই মাটি ভেটি বন্ধকত দিলোঁ। গোহালিৰ গৰু পৰ্য্যন্ত বেচিলোঁ। এতিয়া মই নিঃসম্বল; এতিয়া মোৰ আত্মীয় নাই, সমাজ নাই। সমাজে বা কিয় মোক উদ্ধাৰ কৰিব? মই লোকৰ কিবা অনিষ্ট নকৰিবলৈ বাকী থাকিলনে? অহঙ্কাৰত মই এটা বুলি দুখীয়া নিছলা মানুহক মাত এষাৰ নিদিছিলোঁ।— এটা ভিখাৰী আহিলে বেছ দুষাৰ কুবাক্য শুনাই দিওঁ, তেনে অৱস্থাত কোনে মোক সহায় কৰিব। যাক এদিন মই কুবাক্য কৈ খেদাই দিছিলোঁ।— হাঁয়! এতিয়া তেনে মানুহবিলাকে মোক এগৰাহ ভাত দি সহায় কৰিছে। হাঁয় মোৰ কপাল! এই দুখ নোপাওঁতে কিয় নমৰিলো। প্ৰাণ তই ওলাই যা, হৃদয় তই দুফাল হ। মা ধৰণী তই দুফাল হ, মই সোমাই যাওঁ। মই পাপী মহাপাপী; অহঙ্কাৰত পৰি ধৰ্ম্মত এদিনো মন দিয়া নাই, ঈশ্বৰে বা মোৰ দুখ চাব কিয়? কুলক্ষণী, তোৰ কুবুদ্ধিতহে মোৰ অনিষ্ট হল। মোক ভাল উপদেশ দিব এৰি কুবুদ্ধি দিলি। কুবুদ্ধি দিলি হয়, কিন্তু সেই বুদ্ধিৰে সম্পত্তি ৰাখিব নোৱাৰিলি কিয়? নিজে এদিনো ধৰ্ম্মত মতি নিদিলিয়েই, সমাজৰ লগত এদিন হৰিকীৰ্ত্তনত যোগ দিবলৈ যাওঁ বুলিলেও "মই অকলে থাকিব নোৱাৰো, যাব নেলাগে" বুলি কৈছিলি। মইও সেই কথাকে সত্য মানি তোৰ কাষতে পৰি থাকো। এদিন ধৰ্ম্মৰ পুথি এখনি কিনিবলৈ পয়চা খুজিলে কৈছিলি "সেই পুথিৰ পৰা কিবা ধন সোণ পাম নে কি? নিকিনিবা।" এদিন সভা সমিতিলৈ যাবলৈ খুজিলে নেলাগে যাব, তালৈ গলে বৰগুনি পয়চা দিব লাগিব, এনেই পয়চা কেইটা কিয় খৰছ কৰ"? মই মূৰ্খই তাকে সঁচা ভাবো। মই বা লৰাই এদিন ৰ'দত বা বৰষুণত কাম কৰিলে— "নেলাগে কৰিব দুখ পাবা"

বুলি বাধা দিয় । মই তোৰ কথাকে দৈব বাণী মানি চলিলো । যদি বৰষুণত বা ৰ'দত তিতিব বা শুকাব নোৱাৰো, তেন্তে এই ভাৰতত জন্ম ললোঁ কিয় ? এদিন লৰাক টান উপদেশ দি বেয়া পথৰ পৰা আনি সাংসাৰিক কাম যদি শিকালিহেঁতেন, তেন্তে লৰাৰ বা কিয় অধঃপতন হয় । যদি তইঁতৰ অলঙ্কাৰ কিনিবলৈ যাওঁ বুলি কলো হেঁতেন, সেই দিনা সোপাকে মোৰ হাতত দি দিলি হেঁতেন । সবাহ বিয়ালৈ যোৱা হলে তইঁতৰ হাজাৰ কাম, বিপদ থাকিলেও বন্ধ নেথাকে । এতিয়াহে মই বুজিলো যে নাৰীৰ অলঙ্কাৰেই জপ, অলঙ্কাৰেই তপ, অলঙ্কাৰেই ধ্যান, অলঙ্কাৰেই জ্ঞান । হায় ! নাৰীৰ মোহত পৰি এদিন মই ধৰ্ম্মত মতি নিদিলো । বোধ হয় ঈশ্বৰে পুৰুষৰ বল বীৰ্য্যত দুৰ্ব্বল আৰু মোহত বন্দী কৰিবলৈকে নাৰীক সৃজন কৰিছে । উঃ নাৰীৰ মোহ কিমান ভয়ানক । এতিয়াহে বুজিলো পুৰুষবিলাক তলে তলে সকলোতে নজৰ বন্দী । এতিয়া সেই টকা কলৈ গ'ল । এতিয়া পাৰমানে খা । ভালে ভালে তোৰ কেৰু জোৰ দে, বন্ধক দিওঁ । নহলে দুয়ো খাবলৈ নেপাই মৰিব লাগিব ।

চপলা——মই দিব নোৱাৰো । নেখাই মৰো সিও ভাল । তথাপি মই একো দিব নোৱাৰো ।

মহীধৰ—— এতিয়াও তোৰ মন ভঙা নাই । বাৰু এতিয়া তোৰ মন ভাঙ্গো,—এই বুলি কৈয়ে মহীধৰৰ ওচৰত থকা লাঠি ডালেৰে " চপলা পাপৰ প্ৰায়শ্চিত ল । এদিন নিৰ্দ্দোষ বালক মইনাক মাৰ খুৱাইছিলি, তাৰ প্ৰতিফল ল, " বুলি ' ধাম ধামকৈ ' ভালকৈ লাঠি গোটাদিয়েক উৰালে । নৰক ক'ত ? এই সংসাৰতে । চপলা, এতিয়া তই নৰক ভোগ কৰ । ৰাক্ষসী তোৰ এতিয়া সেই অলঙ্কাৰ কলৈ গ'ল । সেই ঘৰ সেই সম্পত্তি ক'ত এৰিলি । মহীধৰ পাপাত্মা

ৰাক্ষস, পাষণ্ড, নৰাধম, কুলাধম, তয়ো নৰক যাতনা ভোগ কৰ। এতিয়া আগৰ কথা মনত পৰিছে? চণ্ডাল তোৰ সেই অহঙ্কাৰ কলৈ গল? তই অন্তক ইমান অত্যাচাৰ কৰি ৰক্ষা পাম বুলি ভাবিছিলি নে? নিৰ্দ্দোষ কিৰণ মইনাক প্ৰহাৰ কৰি উদ্ধাৰ পাম বুলি ভাবিছিলি নে? নাৰী ভীৰুৱা! নাৰী কুলৰ বন্তী কামিনীক দুখ দি পাপৰ পৰা মুক্ত হব পাৰিবি বুলি ভাবিছিলি নে? এতিয়া কাপুৰুষ, তাৰ বাবে নৰক ভোগ কৰ। মহীধৰ এতিয়া বাবু কামৰ প্ৰায়শ্চিত্ত কৰ। এতিয়া কিয় জুপুৰি এটাত সোমাই আছ? যদি ঘৰ বান্ধিব জানিলি হেঁতেন, তেন্তে তই কিয় এনে জুপুৰিত সোমাই থাকিব লগাত পৰে। তই ঘৰ বান্ধিব জানিলেহে বান্ধিবি। কাৰণ তই বাবু কামৰ আশাত সাংসাৰিক কাম শিকিলি ক'ত? কান্ধত ভাৰ লব পৰা হেঁতেন শাক-পাছলি আদি বস্তু বেচি হলেও কোনোৰকমে পেট পুহিব পাৰিলি-হেঁতেন। —তুমি বাবু আছিলা, সেই কাৰণে তুমি চাকৰ পাই কান্ধত ভাৰ লবলৈ নিশিকিলা! টকা দি ঘৰ বান্ধিবলৈ তোমাৰ টকা ক'ত? বাবু কাম কৰাৰ পৰা কান্ধত ভাৰ লবলৈ এৰিলা। কোৰ কুঠাৰ নধৰিলে এতিয়া সেইবিলাক কৰিবলৈ পাৰিবা কেনেকৈ? মহিধৰ, এতিয়া বুজিলা নে বাবু কামৰ কি পৰিণাম?

চপলা—নাথ! মোৰ প্ৰায়শ্চিত্ত হৈছে; মোক আৰু মাৰা। উঃ আগৰ কথা মনত পৰিলে এতিয়াও পাপৰ আধাআধিও যোৱা নাই। নাথ! মই কুলক্ষণী, মই পাপিনী; এনে পাপিনী এই সংসাৰৰ পৰা বিদায় হলেই সকলোৰে ৰক্ষা! হাঁয়! মই কি নক-ৰিলো। মই ছলে, বলে, কৌশলে নিৰ্দ্দোষীক দোষী, নিষ্পাপক পাপী, সত্যক মিছা কৰিছিলোঁ। সেইবিলাক এতিয়া মোৰ হৃদয়ত নৰকৰ পোকে খোৱাদি খাইছে। হাঁয় কিৰণ মইনা! তইঁত ক'ত।

মৃত্যুৰ আগৈয়ে তইঁতৰ দেৱমূৰ্ত্তি দেখা নেপামনেকি? তইঁত দেৱতা; তইঁত মোৰ পুত্ৰ স্থানীয় হলেও তইঁতৰ উদ্দেশ্যে সহস্ৰবাৰ প্ৰণিপাত কৰিছোঁ, তইঁতে মোক ক্ষমা কৰ। হঁায় গুণকান্তি, তইঁত ক'ত? এবাৰ আহি দেখা দে। তোমালোকক মৰে পাপৰ পথলৈ ঠেলিলোঁ। যদি আগৈয়ে এই অহঙ্কাৰৰ এই পৰিণাম বুলি জানিলেঁ হেঁতেন, তেন্তে মোৰ এনে বিপদ নহয়। মই তইঁতক মৰম স্নেহ বেছি দিয়াত আৰু মোৰ অসাৱধানতাত তইঁত পাপত পৰিলি। এতিয়াও তইঁতে মাৰক মৃত্যুৰ পূৰ্ব্বে দেখাদেহি। হাঁয় কামিনী! মই তোৰ লবাক মাটি খাবলৈ দিছিলোঁ, এতিয়া মই সঁচাকৈ মাটি খাইছোঁ। এতিয়া তোমালৈ মনত পৰিলে হিয়া ফুকাল হব খোজে, প্ৰাণ ওলাই যাব খোজে, কিন্তু পাপ জীৱ ওলাই নেযায়। কামিনী, সতীৰ আদৰ্শ, নাৰীৰ মাজত দেৱী তুমি, তোমাৰ চৰণত পৰি ক্ষমা খুজিম, এবাৰ দেখা দিয়া। উঃ প্ৰাণ যায়—— এই বুলি কৈয়ে লুটি খাই গল।

——:০:——

# অষ্টাদশ পৰিচ্ছেদ।

## মিলন।

এদিন গধূলি বাটচৰাত কিৰণ, মইনা, গুণৱতী, কামিনী আৰু কান্তি বহি কথা-বতৰা পাতিছে। এতিয়া কিৰণৰ ঘৰ পৰিপূৰ্ণ। কিৰণে এতিয়া ঘৰৰ কাজ-কাম কৰিব নেলাগে, ভাত ৰান্ধিব নেলাগে, শোৱাপাটি পাৰিব নেলাগে। সকলোবিলাকতে চকু ৰাখিব নেলাগে। এনেতে মইনাই মাত লগালে, ককাইদেউ কৰপৰা চিঠিখনি আহিছে পঢ়কছোন। কিৰণে থামটোৰ পৰা চিঠিখনি উলিয়াই পঢ়ি শুনালে।—

শ্রীহৰি।

শ্ৰীমান বোপাটিহঁত,

মোৰ আশীৰ্ব্বাদ গ্ৰহণ কৰা বা নকৰা কব নোৱাৰোঁ। কাৰণ তোমালোকক নাৰীৰ মোহত পৰি নকৰিব লগা কৰিলো। এতিয়া সেইবিলাকৰ প্ৰতিফল সকলো হাতে হাতে ভোগ কৰিছোঁ। তোমালোকৰ কথা মনত পৰিলে হিয়া ফাটি যায়, কিন্তু পাপপ্ৰাণ ওলায় নেযায়। তথাপি মই তোমালোকৰ পিতৃ সম্বন্ধীয়। সেই কাৰণে এই পাপ হৃদয়ে আশীৰ্ব্বাদ কৰিছোঁ। তোমালোক দীৰ্ঘজীবী হৈ এইদৰে দীন-দুখীয়াৰ উপকাৰ সাধি থাকা। তোমালোকৰ সকলো খবৰ পাইছোঁ। তাতে মোৰ ভণী কামিনীও আছে বুলি শুনি পাইছোঁ। তাই মোৰ ভণীৰ যোগ্য নহয়; তাই স্বৰ্গৰ দেবী। যদিও মোৰ ভণী, তথাপি মই তাইক কোটিবাৰ প্ৰণাম কৰিছোঁ। মোৰ মৃত্যু সন্মুখাগত। এই মৃত্যুৰ পূৰ্ব্বে তোমালোকৰ দেব-দেবীৰ মূৰ্ত্তি চাবলৈ ইচ্ছা হৈছে। মোৰ দুৰ্ভাগ্যৰ ফলত আৰু মাইকীৰ কুবুদ্ধিত পুত্ৰ-কন্যাক হেৰুৱালোঁ। বোধ হয় সিহঁত ইমান দিনে ৰসাতললৈ গল। বেচি কথা লিখিব নোৱাৰাত পৰিছোঁ। তোমালোক আহিলে দেখিবা, এতিয়া আমি পথৰ ভিক্ষাৰী। খাবলৈ নেপাই চাল হৈ হাড়ত লাগিছে। বোপাইহঁত! তোমালোকৰ মৰমৰ ভাই-ভণী গুণ-কান্তি ইমান দিনে মৰিল হব পায়। তোমালোকক মই যিমান দুৰ্গতি কৰিছিলো, এতিয়া মই সূদে মূলে ভোগ কৰিছোঁ। তহঁত দেৱতা, মই নেলাগে অন্যেও তোমালোকৰ অহিত চিন্তি অনিষ্ট কৰিব নোৱাৰে। কিৰণ মইনা! আহা, মইনাকনহঁত! তোমালোকে এবাৰ আহি অহঙ্কাৰী দুৰাকাঙ্ক্ষী দদায়েৰাক চোৱাহি। পানী খাবলৈ পাত্ৰ এটা নাই। লোকক খুজি খাবলৈ যাবলৈকো গাত শক্তি নাই।

বি মৰম কৰি আগত আনি দিয়ে তাকে খাওঁ। মোৰ সেই অহঙ্কাৰ চূৰ্ণ হল। সেই মই-মতালি ভাব গল, নাৰীৰ মোহ কাটিল আৰু সেই ধন নাই, সম্পত্তি নাই, মান নাই আৰু মৰ্য্যাদা নাই। এতিয়া আছে মাত্ৰ হাড় আৰু চাল। এই কেই ডোখৰো বেচি দিন নিটিকে। আহা মোৰ বোপাইহঁত! তোমালোক এবাৰ আহা। তোমালোকৰ ওচৰত ক্ষমা ভিক্ষা খুজিম। উঃ প্ৰাণ যায়। ইতি—

হতভগীয়া মহীধৰ।

চিঠি খনি পঢ়ি যাওঁতেই সকলোৰে চকুৰ পানী ওলাল। কামিনীয়ে "হায় ককাই! ইমান দিনে বুজিব পাৰিলে। আপুনি যদি বৌদেওঁক আগৈয়ে চিনিব পাৰিলেহেঁতেন, তেন্তে ইমান অধঃপাতে নগল-হেঁতেন"। কিৰণেও— "দদাইদেও আপোনাৰ ইমান হে আছিলে? যদি আগেয়ে সতৰ্ক হলহেঁতেন, ভাবি চিন্তি কাম কৰিলেহেঁতেন, তেন্তে কেতিয়াও এনে বিপদ নঘটিলেহেঁতেন''। গুণৱতীয়ে কলে, "আইতা বেচ প্ৰায়শ্চিত্ত হৈছে! ঈশ্বৰ নাই বুলি কোনে কয়। যিমানেই সমা-জক লুকাই কাম কৰা, কিন্তু ঈশ্বৰক লুকুৱাব নোৱাৰা। এতিয়া কি হৈছে! আৰু যাতনা পোৱা উচিত আছিল। তহঁতৰ অধিক স্নেহে, তহঁতৰ কু-শিক্ষাই আমালোকক পাপত পেলালে। এতিয়া সেই পুত্ৰ কন্যাৰ নিমিত্তে কিয় কান্দিছা? এতিয়া কিৰণ মইনাক কিয় বিচাৰিছা? কোনো দিনা কিৰণ মইনাক ভাল ব্যৱহাৰ কৰি-ছিলানে? যদিও আমি পাপী, তথাপি তহঁতৰ নিচিনা মহাপাপী নহওঁ। সেই কাৰণে আমি বিপদৰ পৰা উদ্ধাৰ পাইছো। হায় আইতা! যাক এদিন স্কুললৈ যাবৰ সময়ত "ছাই" খাবলৈ কৈছিলা, এতিয়া তেওঁৰ ওচৰত ভিক্ষা খুজিছা কোন মুখেৰে? এতিয়া তুমি "ছাই" নোখোৱা কিয়? তহঁত এতিয়াও মৰা নাই কিয়? সেই অহ-

স্বাৰ গল কলৈ ? সেই ধন হল কি ? ধিক্ পিতা-মাতা ! শতবাৰ ধিক্ !! ককাইদেও (কিৰণলৈ চাই) পিতা-মাতাৰ এতিয়া কি হব। মইনা কোন থন মুখৰে তহঁতৰ ভিক্ষা খোজো। ককাইদেও, মইনা, যদিও পিতা-মাতাই আপোনালোকক অনেক দুৰ্গতি কৰিছিল, কিন্তু আমি একো দোষ কৰা নাই। সেই কাৰণে ককাইদেও, আমালোকৰ মুখ চাই পিতা-মাতাক ক্ষমা কৰক। আপোনালোক থাকোতে কাৰ তাত হাত পাতিমগৈ। আমাৰ বা কোন আছে” এই বুলি গুণৱতী কিৰণৰ ভৰিত পৰি কান্দিবলৈ ধৰিলে।

কিৰণ—— ভনীটি উঠা; যদিও পিতাৰে আমালোকক ভুল ক্ৰমে অনেক দূৰ্গতি কৰিছিল, সেইবিলাক সকলো পাহৰিলো। তেওঁ আমাৰ পিতা। পুত্ৰ থাকোতে পিতাক কিয় বিপদত পৰিব দিম ? মই এতিয়াৰ গাড়ীতে তালৈ যাম। তোমালোকে সাজি পাৰি ওলোৱা।

অৱশেষত এইয়ে ঠিবাং হল যে কিৰণৰ ঘৈণীয়েক, কামিনীৰ লৰাটো আৰু চাকৰ দুটা ঘৰত থাকিব। বাকী সকলো যাব। এতিয়া কান্তিৰ গাত বেচ মুগাৰ কোট উঠিছে, ককালত বেচ বগা ধুতি অধিকাৰ পাইছে। গাতো এখন সুন্দৰ চাদৰ ওলমিছে হাত খনো খালি হোৱা নাই, ছাতি এটিয়েও শোভা পাইছে। চুলিৰো আজি আদৰ কম হোৱা নাই। গুণৱতীৰ আৰু কান্তিতকৈ কোনো ফালে কম হোৱা নাই। পাতৰ মেখেলা, মুগাৰ ৰিহা চক্ চকাই আছে। নিপিন্ধো বুলিলেও মইনাই বল কৰি ডিঙিত দুধাৰি “হাৰ” আৰু বুকুত “গেজেৰা” এটি লগাই দিছে। কানৰ বিন্ধাও খালি পৰা নাই, বেচ মিনা কৰা “কেৰু” ওলমিছে। চুলিয়েও আজি বেচি আদৰ ও সম্মান পায়, ভাগদিবৰ নিমিত্তে “সৰু দৈ” জাপিক লগত লৈছে।

মইনাৰ সাজ পাৰ সামান্য। অথাপি বৌয়েকৰ গালি সহিব নোৱাৰি বেচ সুন্দৰ বানিৰ্চ কৰা ক'লা "হাফ্ ছু" পিন্ধিছে। কামিজৰ পকেটত বেচ সুন্দৰ ঘৰিয়ে শোভা বৰ্দ্ধন কৰিছে। কামিনীৰ সাজ পাৰ নিচেই সাধাৰণ। কিমান পিন্ধিবলৈ কোৰাটো পিন্ধা নাই। এই চাৰিজন সাজু হৈ কিৰণৰ নিমিত্তে বাট চাই আছে। পাঠক আহকচোন, কিৰণে কি কৰিছে চাওঁগৈ।

কিৰণ—— প্ৰিয়ে, দদাইদেওৰ বৰ বিপদ। বোধহয় তুমি শুনিছা। মোক ৰূপ পাঁচশ দিয়া। সকলো বন্দবস্ত কৰিব লাগিব।

স্ত্ৰী—— নাথ মই সকলো শুনিছো। টকাৰ নিমিত্তে ভয় নকৰিবা। মই আনি দিছো" বুলি এশ টকীয়া লোট্ পাঁচ খনি কিৰণৰ হাতত দিলে।

কিৰণ—— প্ৰিয়ে তুমি নিচেই ছোজা। মই যিমান খুজিলো সিমানকে দিলা। আৰু যেতিয়াই মোৰ প্ৰয়োজন হয় তেতিয়াই দিয়া। অন্য তিৰুতা হোৱাহেঁতেন, কিমান দন্দ, হাই, কাৰৌ, কাকুতি কৰিব লগাত পৰিলেহেঁতেন।

স্ত্ৰী—— মই বিশ্বাস কৰো, স্বামীৰ সুখৰ উপায় কৰাই পত্নীৰ ধৰ্ম্ম। সমাজে পুৰুষক যিমান সুখ ভোগ কৰিবৰ অধিকাৰ দিছে তেন্তে মই তোমাক সেই সুখ ভোগৰ পৰা বঞ্চিত কৰাবলৈ গৈ, তোমাৰ অপ্ৰসন্নতা জন্মালো। তেনে সুখ ভোগৰ পৰা স্বামীক টানি আনিবলৈ স্ত্ৰীৰ কোনো ক্ষমতা নাই। স্বামী স্বাধীন! ইচ্ছা কৰিলে নিজৰ সুখ ভোগত ব্যাঘাত জন্মিলে, তৃপ্তিৰ পথত ফুৰিব নেপালে, তেওঁ হয়তো স্ত্ৰীৰ আৰু মুখকে নেচাবও পাৰে। তেনে পথত মই কেলেই যাম। মই দাসী, তোমাৰ আজ্ঞা পালন, ইচ্ছা পূৰ্ণ কৰা,

মোৰ ধৰ্ম্ম। সমাজ বিৰুদ্ধ কোনো গৰ্হিত কাম কৰিবলৈ আগ বঢ়া দেখিলে, সাধ্য মত নিবাৰণ কৰা মোৰ উচিত। তাৰ বাহিৰে কোনো ঠাইতে মই বাধা দিলে মোৰ পাপ হব। তোমাৰ ধন, তোমাৰ দৰকাৰত তোমাকেই দিও। আপত্তি কৰিলে, যি ধন সম্পতি মই এতিয়া ভোগ কৰিছো, এক কথাই কাঢ়ি লব পাৰা। তোমাক দিনৰ ভিতৰত এবাৰ হাঁহি মুখ দেখিলে যি আনন্দ পাও, সেই সুখো কিজানি নেপাব পাৰো। তেনেহলে মই কিয় অসাধ্য চেষ্টা কৰিম। যি নাৰীয়ে স্বামীক ভোগৰ অনুসঙ্গি উপকৰণ বুলি ভাবে সিহঁতে নিজে চিৰদিনৰ বাবে অসুখ চপায় লয়। যি নাৰীয়ে অন্যৰ লগত স্বামীক কথা বতৰাদি ও হঁহা দেখিলে, ঘৰলৈ অহা বিলম্ব দেখিলে স্থানান্তৰে গমন কৰিলে সন্দেহ বিষত জৰ্জৰিত হয়, তাই স্বামীক টানকৈ বান্ধিবলৈ গৈ সকলো অনিষ্ট কৰে। স্বামীক দেৱতা ভাবি, আৰু তেওঁৰ সেৱাকে শ্ৰেষ্ঠ কাম বুলি যি নাৰীয়ে ভাবি চলিব পাৰে, সেই নাৰীৰ জীৱন সুখময় ও ধৰ্ম্মময় হয়। স্ত্ৰী, পতিৰ সহ-ধৰ্ম্মিনী, স্বামী বুদ্ধিৰ দোষে কেতিয়াবা অধৰ্ম্ম পথত পৰি ঘোৰ পাপ আচৰণ কৰিবলৈ আগবঢ়া দেখিলে স্ত্ৰীৰ সাৱধান হোৱা উচিত। আৰু স্বমীক সাধ্য অনুসৰি চেষ্টা কৰি সেই পাপ কামৰ পৰা নিলগ কৰা কৰ্ত্তব্য। যিবিলাক নাৰীয়ে স্বামীৰ ওপৰত হুকুম চলাব খোজে সিহঁতৰ অৱস্থা বৰ শোচনীয়

কিৰণে ভাবিবলৈ ধৰিলে স্বামীৰ সুখৰ নিমিত্তে এনেকুৱা আত্মবলীৰ দৃষ্টাণ্ট, তেওঁ আৰু কৰবাত দেখিছো বুলি মনত নহল। তেতিয়া কিৰণে মাত লগালে। "প্ৰিয়ে! মানুহ যে দেৱতা হব পাৰে, যি মানুহে তোমাক দেখিছে ও সুললীত কথা শুনিছে সিহে বুজিব পাৰিব বা পাৰিছে। তোমাৰ নিচিনা নাৰী দেৱতাৰো কপালত ঘটে

মইনাৰ সাজ পাৰ সামান্য। অথাপি বৌয়েকৰ গালি সহিব নোৱাৰি বেচ সুন্দৰ বানিৰ্চ কৰা ক'লা "হাফ্ ছু" পিন্ধিছে। কামিজৰ পকেটত বেচ সুন্দৰ ঘৰিয়ে শোভা বৰ্দ্ধন কৰিছে। কামিনীৰ সাজ পাৰ নিচেই সাধাৰণ। কিমান পিন্ধিবলৈ কোৱাটো পিন্ধা নাই। এই চাৰিজন সাজু হৈ কিৰণৰ নিমিত্তে বাট চাই আছে। পাঠক আহকহোন, কিৰণে কি কৰিছে চাওঁগৈ।

কিৰণ—— প্ৰিয়ে, দদাইদেওৰ বৰ বিপদ। বোধহয় তুমি শুনিছা। মোক ৰূপ পাঁচশ দিয়া। সকলো বন্দবস্ত কৰিব লাগিব।

স্ত্ৰী—— নাথ মই সকলো শুনিছো। টকাৰ নিমিত্তে ভয় নকৰিবা। মই আনি দিছো" বুলি এশ টকীয়া নোট্ পাঁচ খনি কিৰণৰ হাতত দিলে।

কিৰণ—— প্ৰিয়ে তুমি নিচেই ছোজা। মই যিমান খুজিলো সিমানকে দিলা। আৰু যেতিয়াই মোৰ প্ৰয়োজন হয় তেতিয়াই দিয়া। অন্য তিৰুতা হোৱাহেঁতেন, কিমান দন্দ, হাই, কাবৌ, কাকুতি কৰিব লগাত পৰিলেহেঁতেন।

স্ত্ৰী—— মই বিশ্বাস কৰো, স্বামীৰ সুখৰ উপায় কৰাই পত্নীৰ ধৰ্ম্ম। সমাজে পুৰুষক যিমান সুখ ভোগ কৰিবৰ অধিকাৰ দিছে তেন্তে মই তোমাক সেই সুখ ভোগৰ পৰা বঞ্চিত কৰাবলৈ গৈ, তোমাৰ অপ্ৰসন্নতা জন্মালো। তেনে সুখ ভোগৰ পৰা স্বামীক টানি আনিবলৈ স্ত্ৰীৰ কোনো ক্ষমতা নাই। স্বামী স্বাধীন! ইচ্ছা কৰিলে নিজৰ সুখ ভোগত ব্যাঘাত জন্মিলে, তৃপ্তিৰ পথত ফুৰিব নেপালে, তেওঁ হয়তো স্ত্ৰীৰ আৰু মুখকে নেচাবও পাৰে। তেনে পথত মই কেনেকৈ যাম। মই দাসী, তোমাৰ আজ্ঞা পালন, ইচ্ছা পূৰ্ণ কৰা,

মোৰ ধৰ্ম্ম। সমাজ বিৰুদ্ধ কোনো গৰ্হিত কাম কৰিবলৈ আগ বঢ়া দেখিলে, সাধ্য মত নিবাৰণ কৰা মোৰ উচিত। তাৰ বাহিৰে কোনো ঠাইতে মই বাধা দিলে মোৰ পাপ হব। তোমাৰ ধন, তোমাৰ দৰকাৰত তোমাকেই দিও। আপত্তি কৰিলে, যি ধন সম্পতি মই এতিয়া ভোগ কৰিছো, এক কথাই কাঢ়ি লব পাৰা। তোমাক দিনৰ ভিতৰত এবাৰ হাঁহি মুখ দেখিলে যি আনন্দ পাও, সেই সুখো কিজানি নেপাব পাৰো। তেনেহলে মই কিয় অসাধ্য চেষ্টা কৰিম। যি নাৰীয়ে স্বামীক ভোগৰ অনুসঙ্গি উপকৰণ বুলি ভাবে সিহঁতে নিজে চিৰদিনৰ বাবে অসুখ চপায় লয়। যি নাৰীয়ে অন্যৰ লগত স্বামীক কথা বতৰাদি ও হাঁহা দেখিলে, ঘৰলৈ অহা বিলৰ দেখিলে স্থানান্তৰে গমন কৰিলে সন্দেহ বিষত জৰ্জৰিত হয়, তাই স্বামীক টানকৈ বান্ধিবলৈ গৈ সকলো অনিষ্ট কৰে। স্বামীক দেৱতা ভাবি, আৰু তেওঁৰ সেৱাকে শ্ৰেষ্ঠ কাম বুলি যি নাৰীয়ে ভাবি চলিব পাৰে, সেই নাৰীৰ জীৱন সুখময় ও ধৰ্ম্মময় হয়। স্ত্ৰী, পতিৰ সহ-ধৰ্ম্মিনী, স্বামী বুদ্ধিৰ দোষে কেতিয়াবা অধৰ্ম্ম পথত পৰি ঘোৰ পাপ আচৰণ কৰিবলৈ আগবঢ়া দেখিলে স্ত্ৰীৰ সাৱধান হোৱা উচিত। আৰু স্বমীক সাধ্য অনুসৰি চেষ্টা কৰি সেই পাপ কামৰ পৰা নিলগ কৰা কৰ্ত্তব্য। যিবিলাক নাৰীয়ে স্বামীৰ ওপৰত হুকুম চলাব খোজে সিহঁতৰ অৱস্থা বৰ শোচনীয়

কিৰণে ভাবিবলৈ ধৰিলে স্বামীৰ সুখৰ নিমিত্তে এনেকুৱা আত্মবলীৰ দৃষ্টান্ট, তেওঁ আৰু কৰবাত দেখিছো বুলি মনত নহল। তেতিয়া কিৰণে মাত লগালে। "প্ৰিয়ে! মানুহ যে দেৱতা হব পাৰে, যি মানুহে তোমাক দেখিছে ও সুললীত কথা শুনিছে সিহে বুজিব পাৰিব বা পাৰিছে। তোমাৰ নিচিনা নাৰী দেৱতাৰো কপালত ঘটে

কি নঘটে সম্ভৱ নহয়। তোমাক পাই মোৰ জীৱন সাৰ্থক হল। তোমাৰ মুখ দেখিয়েই মোৰ চিন্তা লোপ পালে। প্ৰিয়ে এতিয়া যাওঁ, তুমি ঘৰতে থাকা। চাকৰ কেইটাও থাকিব। পাৰিলে মইনাক ৰাতিৰ গাড়ীতে পঠিয়াই দিম”। তাৰ পাচত শোৱা কোঠাৰ পৰা ওলাই আহি সকলোৰে লগ লাগি যাত্ৰা কৰিলে। যেতিয়া দদা-য়েকৰ ঘৰ পালেগৈ তেতিয়া দেখে যে, ঘৰ বুলিবৰ থেৰ বাঁহ এটু-কুৰাও নাই। দদায়েকক এটা সামান্য জুপুৰিত থকা দেখা পাই, তালৈকে লৰ দিলে। সেই জোপোহাটোক জোপোহা নুবুলি গছ-তল বুলি কলেও সৰহ কোৱা নহয়। তেতিয়া কিৰণ-মইনাক দেখি দদায়েকে হুক্ হুক্ কৰি কান্দি পেলালে। আৰু দুইকো মহীধৰে কোলাত তুলি ঘনে ঘনে চুমা খাই গাল মুখ চকুৰ পানীৰে তিয়াই পেলালে। অৱশেষত মাত লগালে, কিৰণ— মইনা! তোমালোকক মই অনেক লাঞ্চনা ও দুৰ্গতি কৰিছিলোঁ। এতিয়া তাৰ প্ৰতিফল সূদে মূলে পাইছোঁ। বোপাইহঁত! সেইকথা পাহৰি মোক ক্ষমা কৰ। তহঁত দেৱতা! মোৰ তালৈ আহিছা; মই কি দি পূজিম, মোৰ কি আছে। এই হতভাগাৰ এতিয়া একো নাই। কেৱল হাড় আৰু চাল। আৰু নিবয মুখৰ মাতাখাৰি। অইন কি আজি মোৰ লগত উপবাস দিব লাগিব। সোণামুৱাহত! মৰিবৰ আগেয়ে যে তহঁতৰ দেৱ মুৰ্ত্তি দেখা পালোঁ, এইয়ে মোৰ সৌভাগ্য। এতিয়া মৰিব পাৰি-লেই ৰক্ষা। আশীৰ্বাদ কৰিছোঁ, তহঁত দীৰ্ঘজীবী হ। তেতিয়া কিৰণ ও মইনাই - “পিতাৰ পৰা পুত্ৰৰ যি প্ৰাপ্য তাকে লম” বুলি দুয়ো দদায়েকৰ পদধুলি মূৰত ললে। তেতিয়া কিৰণে কলে, “দদাই-দেওঁ! আমাৰ নিমিত্তে ভয় নকৰিবা। মই জানি বুজি গাড়ীতকৈ চাউল, ডালি, নিমখ, তেল সকলো লৈ আহিছোঁ। পুত্ৰ থাকোতে

পিতৃক এনে বিপদত পৰি থাকিবলৈ দিয়নে? ইফালে চপলাই প্ৰথম মিলনৰ মুখ চম্ভালিব নোৱাৰি মূৰ্চ্ছিত হৈ গল। তেতিয়া কিৰণ-মইনা সকলোৱে মূৰত পানী দিবলৈ ও বিচিবলৈ ধৰিলে। অলপ সময়ৰ পাচতে চপলাৰ চেতনালাভ হল। এনেতে চপলাই কবলৈ ধৰিলে। "মইনা-কিৰণ! তহঁতে মোক নেচাবি, মোক দেখিলে পাপ হব। মই পাপিনী! মহা পাপিনী!! উঃ মইনা! তোমাক মই কি বুলি আদৰ কৰো। তোমাক গালি শপনি ও মাৰকিল্ খুওৱা বিলাক এতিয়া মনত পৰিছে। সেই তাপে মোৰ হৃদয় জ্বলিছে। মইনা! মাৰা বুলি ক্ষমা কৰা। কামিনী! নৰদেবী! লক্ষী, সতী; মোক ৰাক্ষসী বুলি ক্ষমা কৰা। মই এদিন তোৰ নৰাক, ভাত এগৰাহৰ নিমিত্তে মাটি খাবলৈ কৈছিলা। এতিয়া দেবী! মই তাৰ ফল ভোগ কৰিছোঁ। মোৰ আগৰ ভূত পলাল। সেই অহঙ্কাৰ চাৰ খাৰ হল, সেই ধন সম্পত্তি লোপ পালে। এতিয়া মই পথৰ ভিক্ষাৰী। এতিয়া নৰক যাতনা ভোগ কৰিছো। কামিনী! মোক পদাঘাত কৰা; পাপৰ প্ৰায়শ্চিত্ত হওক। তোমাক মই এশ গাঠিৰ কাপোৰ পিন্ধাইছিলো, এতিয়া মোৰ এজোৰ গাঠিৰ কাপোৰ এখনো নাই। কামিনী, উঃ প্ৰাণ যায়! কিন্তু দেবী! মোৰ পাপাত্মা ওলায় নাযায়। কিৰণ-মইনা তহঁতে ক্ষমা কৰ, এতিয়া সেই কাল সৰ্পিনী খুৰীয়েৰ নাই তহঁত দেৱতা। তহঁতৰ অহিত চিন্তা মূৰ্খতাৰ কাম। মই টকাৰ বলত অহঙ্কাৰ ও গৌৰৱ কৰা গুচিল। এতিয়া মৰিলেই ভাল। হায়! মই আগেয়ে কিয় ভাবি নেচালো? কিৰণ! যি নাৰীয়ে স্বামীক বশ কৰি সকলো সম্পত্তিৰ অধিকাৰিনী হব খোজে, যি নাৰীয়ে টকাৰ লোভ এৰিব নোৱাৰে, যি নাৰীয়ে সদায় মতাৰ লগত দন্দ কৰে, যি নাৰীয়ে অহঙ্কাৰী ও মুখৰা হয়, যি নাৰীয়ে পৰৰ সন্তানক,

সন্তান যেন নেদেখে, যি নাৰীয়ে নিজ পুত্ৰ কন্যাৰ বাহিৰে অন্তৰ লৰা ছোৱালীক ভালবস্তু খাবলৈ নিদিয়ে, যি মাকে নিজ নিজ সন্তানক ভিতৰলৈ মাতি ভাল বস্তু খুৱায়, যি নাৰীয়ে স্বামীক ভোগৰ আনুসঙ্গিক উপকৰণ বুলি ভাবে, যি নাৰীয়ে স্বামীৰ কথায় কথায় উত্তৰ দিয়ে, যি নাৰীয়ে সদায় অলঙ্কাৰ লৈ ব্যস্ত, যি নাৰীয়ে পৰৰ ভাল দেখিব নোৱাৰে, যি নাৰীয়ে আগ পিচ ভাবি নেচায়, যি নাৰীয়ে স্বামীক সেৱা নকৰে, যি নাৰীয়ে লোকৰ ভাল উপদেশ নুশুনে, যি নাৰীয়ে স্বামীৰ উপদেশ গ্ৰাহ্য নকৰে, যি নাৰীয়ে ধৰ্ম্মত মতি নেৰাখে, তাইৰ এনে দশাই হয়। মোৰ এতিয়া পাপৰ প্ৰায়শ্চিত্ত আধাও হোৱা নাই। হায় গুণ-কান্তি! তইঁত ইমান দিনে জীয়াই আছ, সেই কথা সপোনতো ভাবা নাছিলো। তইঁত সেই দেৱতা কেইজনক (কিৰণ-মইনাক) সেৱা কৰ। সিহঁতৰ পৰাহে বোধহয় প্ৰাণ ৰক্ষা পৰিছে। কান্তি কত তই ফাটেক খাইছিলি? বাপেৰৰ মাৰৰ এনে দুৰ্দ্দশাৰ সময়ত তইঁতে তেনে ভাল সাজপাৰ কিয় পিন্ধিছ? তহতৰ লাজ লগা নাইনে? মইনা! তোমাক এদিন স্কুললৈ যাবৰ সময়ত "ছাই" খায় যাবলৈ কৈছিলো, সেইয়া ওচৰতে "ছাই" আছে, আনি মোৰ মুখত গুজি দিয়া। "মই তোৰ আগতে খাও" ইত্যাদি কৈ পাচত মনে মনে বল। অবশেষত কিৰণ মইনাক কোলাত লৈ চুমা খাবলৈ ধৰিলে। কিৰণে সেই দিনাই সকলো মাটি ভেটি বন্ধকৰ পৰা মোকোলাই আনি সুন্দৰ ঘৰ বাৰি পাতিবৰ যো-জা কৰিলে আৰু সেই দিনা সকলোৱে সেই ভগা পজাতে মুখলৈ চোৱা চুই কৈ আহাৰ কৰিলে। অৱশেষত দহ দিনৰ পৰিশ্ৰমত আগৰ ঘৰ যেনে, তেনে কৰি পেলালে। আহা! সেই প্ৰেম, পতি-পত্নীৰ নহয়, কিম্বা গুৰু-শিষ্যৰ নহয় সেনা-সেনাপতিৰ নহয়, কিম্বা

দেৱ-দেৱীৰ নহয়, কিম্বা অপ্সৰা-অপ্সৰীৰ নহয়। এই মিলনৰ সুখত, পাপ নাই, বিদ্বেষ নাই, হিংসা নাই। পবিত্ৰ, নিৰ্ম্মল। এই সুখ, এই প্ৰেম, দেৱতাবো দুৰ্ল্লভ।

—:০:—

# ঊনবিংশ পৰিচ্ছেদ।

## উপসংহাৰ।

কিৰণ, আৰু মইনাৰ যত্নত আকৌ সংসাৰ সুখৰ হল। সেই ঘৰ, সেই বাৰী আকৌ পালে। এতিয়া কেতিয়াবা চপলাক টকা পইচা দিলে কয়, মোক সেই বিলাক দি আকৌ বিপদত নেপেলাবা। এবাৰ বেচকৈ এপালি পাইছো। এতিয়া সেইবিলাক মোৰ ওচৰলৈ নানিবা। এতিয়া চপলাই দুখীয়াৰ দুখ বুজে। ভিক্ষাৰী আহিলে, বেচ দান দক্ষিণা কৰে। আগহী অতিথি গলে সুন্দৰ আদৰ সাদৰ কৰি যত্ন লয়। এতিয়া তাই স্বামীৰ সমানে কথা নকয়। স্বামীৰ মন যোগাই সকলো কাম কৰে। স্বামীৰ সেৱাই তাইৰ এতিয়া প্ৰধান ব্ৰত হল। এতিয়া চাকৰৰ ওপৰত নিৰ্ভৰ নকৰি নিজে নিজে সকলো কাম কৰে। এতিয়া গুণ-কান্তিক ভাল উপদেশ দিয়ে। অন্যক বেয়া কাম কৰা দেখিলে বাধা দিয়ে। এতিয়া সদায় ধৰ্ম্মত মতি দিয়ে। এতিয়া পাতৰ ও মুগাৰ ৰিহা মেখেলাৰ সলনি, বগা থান কাপোৰ পিন্ধে। "কেৰুৰ" সলনি কুহিলা পিন্ধে। ডিঙিত মাদলীৰ পৰিবৰ্ত্তে ৰুদ্ৰাক্ষৰ মালা পিন্ধে। এতিয়া গোলাপ মালতীৰ ও এছেঞ্চৰ পৰিবৰ্ত্তে তুলসীৰ ঘ্ৰাণ লয়। এতিয়া মহীধৰৰ সকলো ফালে সুখ। তাৰ ওপৰিও মহীধৰে ধৰ্ম্ম পুথি পঢ়ে। পৰৰ

সন্তান যেন নেদেখে, যি নাৰীয়ে নিজ পুত্র কন্যাৰ বাহিৰে অন্যৰ লৰা ছোৱালীক ভালবস্তু খাবলৈ নিদিয়ে, যি মাকে নিজ নিজ সন্তানক ভিতৰলৈ মাতি ভাল বস্তু খুৱায়, যি নাৰীয়ে স্বামীক ভোগৰ আনুসঙ্গিক উপকৰণ বুলি ভাবে, যি নাৰীয়ে স্বামীৰ কথায় কথায় উত্তৰ দিয়ে, যি নাৰীয়ে সদায় অলঙ্কাৰ লৈ ব্যস্ত, যি নাৰীয়ে পৰৰ ভাল দেখিব নোৱাৰে, যি নাৰীয়ে আগ পিচ ভাবি নেচায়, যি নাৰীয়ে স্বামীক সেৱা নকৰে, যি নাৰীয়ে লোকৰ ভাল উপদেশ নুশুনে, যি নাৰীয়ে স্বামীৰ উপদেশ গ্ৰাহ্য নকৰে, যি নাৰীয়ে ধৰ্ম্মত মতি নেৰাখে, তাইৰ এনে দশাই হয়। মোৰ এতিয়া পাপৰ প্ৰায়শ্চিত্ত আধাও হোৱা নাই। হায় গুণ-কান্তি! তইঁত ইমান দিনে জীয়াই আছ, সেই কথা সপোনতো ভাবা নাছিলো। তইঁত সেই দেৱতা কেইজনক (কিৰণ-মইনাক) সেৱা কৰ। সিহঁতৰ পৰাহে বোধহয় প্ৰাণ ৰক্ষা পৰিছে। কান্তি কত তই ফাটেক খাইছিলি? বাপেৰৰ মাৰৰ এনে দুৰ্দ্দশাৰ সময়ত তইঁতে তেনে ভাল সাজপাৰ কিয় পিন্ধিছ? তহতৰ লাজ লগা নাইনে? মইনা! তোমাক এদিন স্কুললৈ যাবৰ সময়ত "ছাই" খায় যাবলৈ কৈছিলো, সেইয়া ওচৰতে "ছাই" আছে, আনি মোৰ মুখত গুজি দিয়া। "মই তোৰ আগতে খাও" ইত্যাদি কৈ পাচত মনে মনে বল। অবশেষত কিৰণ মইনাক কোলাত লৈ চুমা খাবলৈ ধৰিলে। কিৰণে সেই দিনাই সকলো মাটি ভেটি বন্ধকৰ পৰা মোকোলাই আনি সুন্দৰ ঘৰ বাৰি পাতিবৰ যো-জা কৰিলে আৰু সেই দিনা সকলোৱে সেই ভগা পজাতে মুখলৈ চোৱা চুই কৈ আহাৰ কৰিলে। অৱশেষত দহ দিনৰ পৰিশ্ৰমত আগৰ ঘৰ যেনে, তেনে কৰি পেলালে। আহা! সেই প্ৰেম, পতি-পত্নীৰ নহয়, কিম্বা গুৰু-শিষ্যৰ নহয় সেনা-সেনাপতিৰ নহয়, কিম্বা

দেৱ-দেৱীৰ নহয়, কিম্বা অপ্সৰা-অপ্সৰীৰ নহয়। এই মিলনৰ সুখত, পাপ নাই, বিদ্বেষ নাই, হিংসা নাই। পবিত্ৰ, নিৰ্ম্মল। এই সুখ, এই প্ৰেম, দেৱতাৰো দুৰ্লভ।

—:০:—

# উনবিংশ পৰিচ্ছেদ।

## উপসংহাৰ।

কিৰণ, আৰু মইনাৰ যত্নত আকৌ সংসাৰ সুখৰ হল। সেই ঘৰ, সেই বাৰী আকৌ পালে। এতিয়া কেতিয়াবা চপলাক টকা পইচা দিলে কয়, মোক সেই বিলাক দি আকৌ বিপদত নেপেলাবা। এবাৰ বেচকৈ এপালি পাইছো। এতিয়া সেইবিলাক মোৰ ওচৰলৈ নানিবা। এতিয়া চপলাই দুখীয়াৰ দুখ বুজে। ভিক্ষাৰী আহিলে, বেচ দান দক্ষিণা কৰে। আলহী অতিথি গলে সুন্দৰ আদৰ সাদৰ কৰি যত্ন লয়। এতিয়া তাই স্বামীৰ সমানে কথা নকয়। স্বামীৰ মন যোগাই সকলো কাম কৰে। স্বামীৰ সেৱাই তাইৰ এতিয়া প্ৰধান ব্ৰত হল। এতিয়া চাকৰৰ ওপৰত নিৰ্ভৰ নকৰি নিজে নিজে সকলো কাম কৰে। এতিয়া গুণ-কান্তিক ভাল উপদেশ দিয়ে। অন্যক বেয়া কাম কৰা দেখিলে বাধা দিয়ে। এতিয়া সদায় ধৰ্ম্মত মতি দিয়ে। এতিয়া পাতৰ ও মুগাৰ ৰিহা মেখেলাৰ সলনি, বগা থান কাপোৰ পিন্ধে। "কেকুৰ" সলনি কুহিলা পিন্ধে। ডিঙিত মাদলীৰ পৰিবৰ্ত্তে ৰুদ্ৰাক্ষৰ মালা পিন্ধে। এতিয়া গোলাপ মালতীৰ ও এচেন্সৰ পৰিবৰ্ত্তে তুলসীৰ ঘ্ৰাণ লয়। এতিয়া মহীধৰৰ সকলো ফালে সুখ। তাৰ ওপৰিও মহীধৰে ধৰ্ম্ম পুথি পঢ়ে। পৰৰ

হিত চিন্তাই তাৰ ব্ৰত। জুতাৰ পৰিবৰ্ত্তে খৰম পিন্ধে অহঙ্কাৰ গণ্ডপৰ ঠাইত এতিয়া নম্ৰতা, সাধুতাৰ অধিকাৰ হৈছে। তমঃ ৰজঃত সত্বৰ গুণ পৰিছে। এতিয়া মহীধৰৰ সংসাৰ সুখময়, ধৰ্ম্মময় ও প্ৰেমময় হৈছে। গুণকান্তিও বেয়া স্বভাৱ এৰি ভালক আদৰ কৰিছে।

আচল কথা যি ঘৰৰ গৃহিনী সাৱধান হৈ কাজ কাম নকৰে, সকলো কাম বন চাকৰৰ ওপৰত স্থাপি ক্ষান্ত হয়। যদি সদায় স্বামীৰ লগত কাজিয়া কৰে বা স্বামীক নিজৰ কৰতল কৰিবলৈ চেষ্টা কৰে ও ভাল দেখিব শুনিব নোৱাৰে, পৰৰ অপকাৰ কৰাই তাই প্ৰেম বুলি ভাবে, ধৰ্ম্মত মতি নেৰাখে, স্বামী সেৱাক অপদাৰ্থ মনে কৰে; অলঙ্কাৰকে তপ, জপ, জ্ঞান, ধ্যান বুলি ভাবে, সেই ঘৰ, ঘৰ গুচি গছতল হয়। আৰু যি সন্তানক মাক-বাপেকে বেচি আদৰ স্নেহ কৰে, মাক-বাপেকে সন্তানক যিমান বস্তু সৰহকৈ খোৱাব পাৰিলে সোণকালে ডাঙৰ আৰু শকত হয় বুলি ভাবে, এদিন এটা বেয়া কাম কৰা দেখিলে গালি নেপাৰে বা সাৱধান কৰি নিদিয়ে সেই সন্তান অধঃপাতে যায়।

আৰু যি পুৰুষে, তাৰ স্ত্ৰী কোনো গৰ্হিত কাম কৰিছে বুলি জানিও, তাইৰ প্ৰেমত পৰি স্ত্ৰীক সাৱধান কৰি নিদিয়ে, আৰু যি পুৰুষ স্ত্ৰীৰ চঞ্চল প্ৰেমত পৰি অসাধ্য সাধন ও গৰ্হিত কাম আদি কৰিবলৈকো কুণ্ঠিত নহয়, যি পুৰুষ সদায় স্ত্ৰীৰ প্ৰেম ভিক্ষাৰী, সেই পুৰুষ সোনকালে বিপদত পৰে।

আৰু যি নাৰীয়ে সতিনিয়েকৰ লগত দ্বন্দ কৰে বা নিজৰ সন্তানৰ বাবে কিছু সম্পত্তি লুকাই ৰাখে, সতিনিয়েকৰ সন্তানক দেখিব নোৱাৰে, সেই ঘৰো সোনকালে পতন হয়।

যি নাৰীয়ে সংসাৰৰ কাম কাজ কৰি ঘৰৰ সকলোকে খুৱাই মেলাই স্নেহৰ চকুৰে দেখে ও স্বামীৰ পূজা সেৱা কৰি অৱশেষত আহাৰ কৰে, ও স্বামীসেৱা, আলহী অথিতিৰ শুশ্রূষা, আৰু পৰৰ উপকাৰ কৰাই ব্ৰত বুলি ভাবে, সেই নাৰীৰ জীৱন সুখময় ও ধৰ্ম্মময় হয় ।

আৰু যি পুৰুষে কিৰণ-মইনাৰ নিচিনা উদাৰ, মহৎ, আৰু পৰৰ দুখ বিপদত নিজৰ প্ৰাণ পৰ্য্যন্ত উচৰ্গা কৰিব পাৰে, ও সন্তান সন্ততিক পোহ-পাল কৰি বাকী সময় ধৰ্ম্মত মতি দিয়ে, সেই পুৰুষক পাপৰ ছাঁয়া মাত্ৰ স্পৰ্শ কৰিব নোৱাৰে ।

দিন বাৰ চাই, শুভক্ষণত, শুভলগ্নত, শুভযাত্ৰা কৰি মইনা ও মালতীৰ বিবাহ হৈ গল । মালতীৰ আগৰ হাৰানিধি পায় অতি আনন্দ । গণেশ-শান্তিও মইনাক পায় নিজক নিজে ধন্য মানিলে । সকলোৰে আনন্দ, সকলোৰে শুভ, মযো (গ্ৰন্থকাৰ) শুভক্ষণত, শুভলগ্ন চাই কিতাপৰ নাম "চপলা" ৰাখি অন্ত পেলালো ।

——:o:——

সমাপ্ত

~~৯৭০৫/৩া~~:

গুৱাহাটী নিউ প্ৰেছত—
শ্ৰীদুৰ্গতিৰাম মেধিৰ দ্বাৰা ছপা হল।